# খাৰুপেটীয়া মহাবিদ্যালয়

তমসো মা জ্যোতির্গময়

# আলোচনী - ২০০১

২য় সংখ্যা

সম্পাদক ঃ মঃ আমজাদ আলী

# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

সস্নেহ আজলিৰে

.................................................................... লৈ

খাৰুপেটীয়া মহাবিদ্যালয় আলোচনীখন আগবঢ়ালোঁ।

শ্ৰদ্ধাৰে

মঃ আমজাদ আলী (সম্পাদক)

আলোচনীত প্ৰকাশ হোৱা লিখনীৰ ভিতৰত যদি কোনোবাই নকল লিখনী দিছে তাৰ বাবে সম্পাদক দায়ী নহয়।

আলোচনী সম্পাদক

**দৰং, অসম**

তত্বাৱধায়ক

প্ৰৱক্তা মঃ নুৰুল ইছলাম (এম. এ. বি. এড.)

সম্পাদক

মঃ আমজাদ আলী

# আলোচনী সম্পাদনা সমিতি

মুখ্য উপদেষ্টা
মঃ জালাল উদ্দিন আহমেদ, ভাৰপ্ৰাপ্ত অধ্যক্ষ

উপদেষ্টা
প্ৰবক্তা শ্ৰী পৰিমল কুমাৰ দত্ত
প্ৰবক্তা শ্ৰীদীপক কলিতা

তত্বাবধায়ক
প্ৰবক্তা মঃ নুৰুল ইছলাম

আলোচনী সম্পাদক
মঃ আমজাদ আলী

সদস্যবৃন্দ
প্ৰবক্তা আব্দুল আওৱাল
গ্ৰন্থাগাৰিক শ্ৰী জীৱেন্দ্ৰ মোহন দেৱশৰ্মা
প্ৰবক্তা মঃ হবিবুৰ ৰহমান
প্ৰবক্তা মঃ নুৰুজামান
প্ৰবক্তা শ্ৰী ৰূপজ্যোতি প্ৰসাদ দত্ত
মঃ আব্দুৰ ৰহমান (বিশ্বাস)
মঃ ছফিকুল ইছলাম
মঃ আবুবকৰ ছিদ্দিক
আজিম আহমেদ আনছাৰী
মঃ আনোৱাৰ হুছেন
মঃ মিজানুৰ ৰহমান
মঃ ছফিকুল ইছলাম
মঃ মইনুল হক
মিচ্ ফাৰাহানা জিন্নাত হাচিনা হক।

মুদ্ৰক ঃ-এম, এম, গ্ৰাফিকচ, শিলপুখুৰী, গুৱাহাটী - ৩ (ফোন - ৬৬৪৮৩১)

প্ৰকাশক ঃ- খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০০০-০১

[redacted]



## স্মৃতিৰ ৰোমন্থনত

জন্ম ঃ ১৫ জানুৱাৰী ১৯৫৬ চন মৃত্যু ঃ ৩০ ছেপ্টেম্বৰ ১৯৯৯ চন

## ঃ উছৰ্গা ঃ

অসমৰ সংখ্যালঘু সকলৰ অস্তিত্ব ৰক্ষাৰ্থে ওৰে জীৱন সংঘৰ্ষ কৰি আত্মত্যাগৰ চানেকী দি সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ অন্যতম প্ৰতিষ্ঠাপকৰ ভুমিকা পালন কৰি অসংখ্য ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত থাকি খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ লগত জড়িত অন্যতম ব্যক্তি, প্ৰথম ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সদস্যৰ পদ অলংকৃত কৰাৰ লগতে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক হিচাপে কাৰ্য্যনিৰ্বাহ কৰা আব্দুল ওৱাহাব তালুকদাৰ ১৯৯৯ চনৰ ৩০ ছেপ্টেম্বৰ তাৰিখে আততায়ীৰ গুলি বুকুতলৈ প্ৰবাহিত নদীৰ পানী ৰাঙলী কৰি অজস্ৰ গুণমুগ্ধক কন্দুৱাই চিৰ দিনৰ বাবে আমাৰ মাজৰ পৰা আতৰি গ'ল।

সেই মহান শ্বহীদৰ পৱিত্ৰ স্মৃতিত খাৰুপেটীয়া মহাবিদ্যালয় আলোচনীৰ ২য় সংখ্যাটি উছৰ্গা কৰিলোঁ।

আলোচনী সম্পাদনা সমিতি।

# ঃ শ্ৰদ্ধাঞ্জলি ঃ

অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি যি সকল জ্ঞাত, অজ্ঞাত মহান ব্যক্তিয়ে দৰং জিলাৰ সংখ্যালঘু, অধ্যুষিত অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ একমাত্ৰ শিক্ষানুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি নৱ প্ৰভাতৰ বতৰা কঢ়িয়াই আনিলে ও অন্ধকাৰ বিনাশী পোহৰ বিয়পালে তেখেত সকললৈ আমি খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা শ্ৰদ্ধা নিবেদন কৰিছো। লগতে মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ হকে সৰ্ব্বতো প্ৰকাৰে সহায় সহযোগ কৰা যি সকল অগ্ৰণী সমাজকৰ্মী ইহজগতৰ পৰা চিৰ বিদায় ললে তেখেত সকললৈ আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি যাচিছোঁ। তেখেত সকলে পৰকালত চিৰশান্তি লাভ কৰক এই মিনতিৰে-

আলোচনী সম্পাদক

# ঃ উছৰ্গা ঃ

জন্ম লগ্নৰে পৰা

অনেক ঘাত- প্ৰতিঘাতৰ মাজেৰে আহি উন্নতিৰ এই অৱস্থাত

আজি সাহসেৰে উপনীত হওঁতে জ্ঞাত- অজ্ঞাত

যিসকল সুধী ব্যক্তিয়ে নিঃস্বাৰ্থ ত্যাগ আৰু

আশাসুধীয়া প্ৰচেষ্টাৰে, অশীষ নিমালিৰে খাৰুপেটীয়া মহাবিদ্যালয়খনিক

ধন্য কৰি তুলিলে সেই সকল সহৃদয় ব্যক্তিৰ প্ৰতি

আৰু

এই সহস্ৰাব্দত ভৰি দিয়া প্ৰতিজন ব্যক্তিৰ প্ৰতি

শ্ৰদ্ধাৱনত ভাৱে আলোচনীৰ

২০০০-২০০১ সংখ্যাটি উছৰ্গা কৰিলো।

— সম্পাদনা সমিতি

খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী দ্বিতীয় সংখ্যা

**Syeda Anwara Taimur,** Ex.-M.P.
Ex-Chief Minister, Assam

☎ : 261033 (R)
Hatigaon Road, Dispur
Guwahati - 781 006
Assam



## শুভেচ্ছা বাণী

খাৰুপেটীয়া মহাবিদ্যালয়ৰ এখনি আলোচনী উলিয়াবলৈ আয়োজন কৰাত মই আনন্দিত হৈছো। কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ বিভিন্ন প্ৰতিভা লিখনীৰ জৰিয়তে আলোচনীত প্ৰকাশ কৰিবলৈ সুবিধা পায়। ছাত্ৰী জীৱনৰ পৰা লিখাৰ অভ্যাস কৰিলে আগলৈ ভাল সাহিত্যিক হোৱা দেখা যায়। কলেজৰ পাঠ্য-পুথিৰ বাহিৰেও পুথি ভঁৰালৰ কিতাপ পঢ়ি ছাত্ৰ-ছাত্ৰী সকলে জ্ঞানৰ পৰিসৰ বঢ়াব পাৰে আৰু নিজৰ পছন্দ বা ৰুচি অনুযায়ী লিখনী হাতত লব পাৰে। কলেজত শিক্ষাৰ লগতে খেলা-ধূলা, সাংস্কৃতিক অনুষ্ঠান আদিৰো ব্যৱস্থা কৰা হয়। ইয়াৰ দ্বাৰাই ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন গৰিমা বিকশিত হোৱাত সহায় কৰে। আলোচনীৰ জৰিয়তে কলেজৰ বিভিন্ন কাৰ্য্যকৃতিৰ খবৰবোৰ প্ৰকাশ কৰাৰ সুবিধা হয়। মহাবিদ্যালয়ৰ কৃতি শিক্ষক সকলেও তেওঁলোকৰ লিখনীৰ দ্বাৰা শৈক্ষিক পৰিবেশ আৰু ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাঙ্গীণ উন্নতিত ইন্ধন যোগাব পাৰে। মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনীখন সবাতো-সুন্দৰ আৰু ছাত্ৰ-ছাত্ৰী উপকৃত হোৱা এখন উপযোগী আলোচনী হব বুলি আশা কৰিলোঁ।

ধন্যবাদ।

(চৈয়দা আনোৱাৰা টাইমুৰ)

ড° হীৰালাল দুৱৰা,
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়

গোপীনাথ বৰদলৈ নগৰ
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী - ৭৮১০১৪

দিনাংকঃ 2/11/01

## শুভেচ্ছা বাণী


প্ৰিয় সম্পাদক,

জাতি-গঠনৰ প্ৰক্ৰিয়াত কলা-কৃষ্টিলৈ আগবঢ়োৱা অৱদানে সদায়ে মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰত্যেক ব্যক্তি, অনুষ্ঠান আৰু সমাজৰ বিভিন্ন চিন্তাধাৰা প্ৰকাশ কৰি সবল জনমত গঢ় দিয়াত আলোচনীসমূহৰ দায়িত্ব গুৰুত্বপূৰ্ণ। এনে মহৎ প্ৰচেষ্টা ফলৱতী কৰাত সম্পাদকসকলৰ গুৰুদায়িত্ব অনস্বীকাৰ্য্য। সমাজ আৰু দেশৰ প্ৰগতিত আলোচনী সমূহে সদায়ে বলিষ্ঠ নেতৃত্ব দি যাওক— তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

হীৰালাল দুৱৰা

(ড° হীৰালাল দুৱৰা)
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়






**কৰ্মৰত ব্যস্ততাৰ মাজেৰে আমাৰ মহাবিদ্যালয়ৰ**

**বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়**

**মহঃ জালাল উদ্দিন আহমেদ (ভাৰপ্ৰাপ্ত অধ্যক্ষ)**

খাৰুপেটীয়া মহাবিদ্যালয়


সময়ৰ আহ্বানত ১৯৮১ চনত কিছুমান নিঃস্বাৰ্থ সচেতন ব্যক্তিৰ অবিৰাম প্ৰচেষ্টাত দৰং জিলাৰ সংখ্যালঘু বসতি প্ৰধান অঞ্চল খাৰুপেটীয়াত, উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়ৰ জন্ম হয়। জন্ম লগ্নৰ পৰাই নানা ঘাত প্ৰতিঘাতৰ মাজেৰে আহি আহি ১৯৯৮ চনৰ ২৫ মাৰ্চত অসম চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী লাভ কৰে। মহাবিদ্যালয়খনত বিভিন্ন সময়ত দেখা দিয়া অবাঞ্চিত ৰাজনৈতিক হস্তক্ষেপে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ যথেষ্ট কলুষিত কৰিছিল। কিন্তু বৰ্ত্তমান দাবী কৰিব পৰা যায় যে মহাবিদ্যালয়খনলৈ আকৌ এটা সহজ, সৰল, সুস্থ শৈক্ষিক পৰিবেশ ঘূৰি আহিছে। মই এইখিনিতে উল্লেখ কৰিবলৈ ভাল পাম যে আমাৰ সকলো প্ৰৱক্তাই নিষ্ঠাৰে পাঠদান কৰে। প্ৰৱক্তা সকলৰ ভিতৰত যিসকলৰ চাকৰি মঞ্জুৰীকৰণ ( Sanction) হোৱা নাই তেওঁলোকক যদিও নগণ্য পাৰিশ্ৰমিক দিয়া হয় তথাপি তেওঁলোকে যথেষ্ট একাগ্ৰতা আৰু দক্ষতাৰে শিক্ষাদান কৰে। মই এই সুযোগতে প্ৰৱক্তা সকলৰ কৰ্ম নিষ্ঠাৰ শলাগ লৈছো। মহাবিদ্যালয়খন যদিও ঘাটি মুঞ্জুৰী প্ৰাপ্ত তথাপি ইয়াৰ আৰ্থিক অৱস্থা টনকিয়াল নহয়। যাৰ বাবে আমি কিছুমান সৰুসুৰা সমস্যাৰ সন্মূখীন হবলগীয়া হয়। বহুতো অভাৱ অনাটনৰ মাজেৰে মহাবিদ্যালয়ৰ ২য় সংখ্যা আলোচনীখন প্ৰকাশ পোৱাত মই সুখী হৈছো আৰু এই কাৰ্য্য সফল কৰাত অৰিহণা যুগোৱা সকলো প্ৰৱক্তা, কৰ্মচাৰী তথা ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া সকলক মই অভিনন্দন জনাইছো।

মহাবিদ্যালয়খনৰ জন্ম লগ্নৰ পৰা অবিৰাম চেষ্টাৰে আজিৰ যৌৱনাৱস্থা লৈ অনা জীৱিত অথবা প্ৰয়াত সমূহ ব্যক্তিলৈ মোৰ শত সহস্ৰ প্ৰণাম যাচিছোঁ।

শেষত, মোৰ কাৰ্য্যকালত কি কি উন্নতি হ'ল সেই বুৰঞ্জী দাঙি ধৰিবৰ ইচ্ছা নাই, কিন্তু এটা কথা অনস্বীকাৰ্য্য যে, মহাবিদ্যালয়খনৰ সকলো পৰিবেশ মূল সুঁতিলৈ ঘূৰি আহিছে। আমাৰ মহাবিদ্যালয়খন যাতে শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু মহান ভাতৃত্বৰ এনাজৰীৰে বন্ধা এক মিলন-তীৰ্থ হিচাপে গঢ়লৈ উঠে তাৰ বাবে মহাবিদ্যালয়খনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত ব্যক্তি সকললৈ বিনম্ৰ আহ্বান জনালোঁ।

**মহঃ জালাল উদ্দিন আহমেদ**
ভাৰপ্ৰাপ্ত অধ্যক্ষ
খাৰুপেটীয়া মহাবিদ্যালয়

খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী দ্বিতীয় সংখ্যা



আগ ☆ চোতালৰ ☆ আলাপ

# সম্পাদকীয়

সৃষ্টি আৰু ধ্বংস উত্থাণ-পতনৰ ঘটনাৰে সমৃদ্ধ কুৰি শতিকাৰ অপূৰ্ণ হৈ ৰোৱা স্বপ্ন বুকুত বান্ধি আমি এক বিংশ শতিকাৰ পদাৰ্পণ কৰিছোহি। এৰি অহা শতিকাটোৰ বহু অপশক্তিয়ে এতিয়াও আমাক খেদি-ফুৰিছে, আমাৰ স্বপ্ন বাস্তৱায়িত কৰাৰ পথত হেঙাৰ হৈ থিয় দিছে। আমি প্ৰত্যেকেই প্ৰত্যেকৰ কান্ধত হাত থৈ বিশ্বাস আৰু আন্তৰিকতাৰ সৌধ নিৰ্মাণ কৰিহে এই স্বপ্ন সঁচা কৰি তুলিবৰ বাবে আগবাঢ়িব লাগিব।

সাহিত্য হল জাতি এটাৰ প্ৰয়োজনীয় অংগ। সাহিত্য-সংস্কৃতিৰ মাজেৰেহে কোনো এটি জাতিৰ প্ৰকৃত পৰিচয় পোৱা যায়।

সময় এতিয়া দুঃসময়। হিংসা, হত্যা, বিদ্বেষ, কুৰ্চুত, কপটতাই সমাজ ভাঙি থান-বাণ কৰি পেলাইছে। নিজৰ তুচ্ছ স্বাৰ্থৰ বাবে মানুহে নকৰিবলগীয়া কামো কৰিছোঁ। আনফালে সন্ত্ৰাসবাদৰ দ্বাৰা সংঘটিত কাৰ্য্যকলাপে সকলোৰে জীৱন ভয়াৰ্ত কৰি তুলিছে।

এনে এক দুঃসময়ত জাতি এটিৰ ভৱিষ্যত মংগল, উজ্বল কৰা অনুষ্ঠান শিক্ষা বিভাগক চৰকাৰে অৱহেলাৰ দৃষ্টিৰে চাইছে। শিক্ষা বিভাগে আজি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সম্পৰ্কে সৃষ্টি কৰিছে গভীৰ অনিশ্চয়তাৰ, গভীৰ শূণ্যতাৰ। সীমিত কৰ্ম সংস্থান, সেইয়াও এক বিশেষ শ্ৰেণীৰ নিয়ন্ত্ৰনত। ছাত্ৰ-ছাত্ৰী সকলক দেশ এখনৰ প্ৰকৃত মানৱ সম্পদ বুলি কোৱা কথাষাৰ আজি মাথোঁ প্ৰহসনত পৰিণত হৈছে। এনে এক দিশহাৰা পৰিবেশত পৰি এচাম ছাত্ৰ-ছাত্ৰী সোমাই পৰিছে ৰাজনীতিৰ কুটিল প্ৰৰোচনাত, আন এচাম সোমাই পৰিছে নীৰৱ অন্ধকাৰ জগতত নিজৰ জীৱনৰ সন্ধানত। এনে এক সময়ত আমাৰ চৰকাৰেও দেশৰ পবিত্ৰতম শিক্ষা বিভাগটোৰ প্ৰতি উচিত পদক্ষেপ গ্ৰহণ কৰিবৰ সময় হ'ল। শিক্ষা বিভাগটোৱে বৃত্তিমুখী কৰি গঢ়ি তুলিব লাগিব ছাত্ৰ-ছাত্ৰী সকলক। তেওঁলোকে নিজৰ ভৰিত নিজে থিয় হব লাগিব। তেতিয়াহে এমুঠি অন্ন, বস্ত্ৰৰ বাবে ৰাইজে হাহাকাৰ কৰিব নালাগিব. তেতিয়াহে দেশলৈ প্ৰকৃত শান্তিৰ পথ ঘুৰি আহিব।

সাহিত্যই আমাৰ এই বাস্তৱতাৰ সঁচা প্ৰতিফলন ঘটাই সমাজ ৰূপান্তৰৰ পথ নিৰ্মাণ কৰি দিব পাৰিব। আমাৰ নবীন লেখক-লেখিকা সকলে গভীৰ জীৱনবোধ, মানৱতাবোধ আৰু বিশ্লেষণী ক্ষমতাৰে কালজয়ী সাহিত্য ৰচনা কৰি দেশৰ ভৱিষ্যত অন্ধকাৰ পৰিবেশৰ বিপৰীতে সুস্থ, সবল, শান্তিময় পৰিবেশ ঘূৰাই আনক।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"
"জয় আই অসম"

**মঃ আমজাদ আলী**, সম্পাদক
খাৰুপেটীয়া মহাবিদ্যালয়
২০০০ - ২০০১ চন



## তত্বাৱধায়কৰ একলম

আলোচনী প্ৰতিখন শিক্ষানুষ্ঠানৰ বাবে অবিচ্ছেদ্য অংগ স্বৰূপ। আমাৰ মহাবিদ্যালয়ৰ আলোচনী খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনী হিচাপে নামাকৰণ কৰা হৈছে। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰথম সংখ্যা ১৯৯৯ চনত প্ৰকাশ কৰা হৈছিল। কিন্তু দ্বিতীয় সংখ্যা ২০০০ চনত প্ৰকাশ কৰা হোৱা নাই। সেয়েহে দ্বিতীয় সংখ্যা ২০০১ চনত প্ৰকাশ কৰা হ'ল।

আলোচনী কোনো এটা অনুষ্ঠানৰ প্ৰতিচ্ছবি স্বৰূপ। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ আভ্যন্তৰীণ মানদন্ড নিৰ্ধাৰণ কৰিব পৰা যায়। আলোচনীৰ মাধ্যমে শিক্ষানুষ্ঠানত অধ্যয়ণ কৰি থকা ছাত্ৰ-ছাত্ৰী সকলৰ মৌলিক প্ৰতিভা আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ পূৰ্ণ বিকাশ ঘটাত অধিক সুযোগ পায়। আলোচনীয়ে সদায় শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ কৰাত সহায় কৰাৰ উপৰি সাহিত্য চৰ্চাত সহায় কৰে। আলোচনীয়ে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত সদায় গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰে।

খাৰুপেটীয়া মহাবিদ্যালয়খন ১৯৮১ চনতহে স্থাপিত হৈছিল যদিও ১৯৮১ চনৰ পৰা ১৯৯৮ চনৰ ২৪ মাৰ্চলৈকে ই বে-চৰকাৰী অৱস্থাত আছিল আৰু মহাবিদ্যালয়খনে নানা অভাৱ-অভিযোগৰ মাজেৰে দিনবোৰ পাৰ কৰি আহিছে। সেই বাবেই ১৯৮১ চনত খাৰুপেটীয়া মহাবিদ্যালয়খন স্থাপিত হৈছিল যদিও ১৯৮৮ লৈকে মহাবিদ্যালয় আলোচনী প্ৰকাশ কৰা হোৱা নাই। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ প্ৰতিভা বিকাশৰ সুযোগৰ পৰা ইমান দিনে বঞ্চিত হৈ আছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ বি. এম. হামিদুৰ ৰহমান মহোদয়ে নানা অভাৱ অভিযোগৰ মাজেৰে খাৰুপেটীয়া মহাবিদ্যালয়খন আগুৱাই নিছিল। তেখেত কেইবা বাৰো খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশ কৰাৰ যো-জা কৰিছিল যদিও আৰ্থিক অনাটনকৰ বাবে সেইটো সম্ভৱ পৰ হৈ উঠা নাছিল।

১৯৯৮ চনৰ ২৫ মাৰ্চৰ পৰা খাৰুপেটীয়া মহাবিদ্যালয়খন অসম চৰকাৰে বহু বাধা বিঘিনিৰ মাজেৰে ঘাঁটি মুঞ্চৰী প্ৰাপ্ত কৰণ কৰে আৰু খাৰুপেটীয়া মহাবিদ্যালয়ৰ এক বহু দিনীয়া সমস্যাৰ সমাধান হয়। তেতিয়া আমি খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোটে আলোচনা কৰি এক বৃহৎ পৰিমাণৰ আৰ্থিক বৰঙনি দি পোন প্ৰথম 'প্ৰভাতী সংখ্যা' ১৯৯৯ চনত খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী প্ৰকাশ কৰা হয়।

আলোচনী এখন প্ৰকাশ কৰা অতি জটিল কাম। কাৰণ ইয়াৰ লগত জড়িত হৈ থাকে যথেষ্ঠ পৰিমানণ অৰ্থৰ কথা। সেই অৰ্থনৈতিক সমস্যাৰ বাবে ২০০০ চনত খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী দ্বিতীয় সংখ্যা প্ৰকাশ কৰিব পৰা সম্ভৱ হৈ উঠা নাছিল। খাৰুপেটীয়া মহাবিদ্যালয় আলোচনীৰ দ্বিতীয় সংখ্যা প্ৰকাশ কৰিবৰ বাবে অতি সীমিত পুঁজিৰে কাম আৰম্ভ কৰা হয়। ২০০০-২০০১ বৰ্যৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয় দ্বিতীয় সংখ্যা আলোচনীখন প্ৰকাশ কৰিব লাগে বুলি বলিষ্ঠ পদক্ষেপ লয়। আমাৰ আলোচনীৰ আছুতীয়া পুঁজিৰে প্ৰতি বছৰে আলোচনী এখন প্ৰকাশ কৰা সম্ভৱ নহয়। যদিহে মহাবিদ্যালৰ কৰ্তৃপক্ষই ইয়াৰ আশু সমাধানৰ ব্যৱস্থা গ্ৰহণ নকৰে।

আলোচনী এখনৰ সাফল্য কেইবাটাও বিষয়ৰ ওপৰত নিৰ্ভৰশীল। সম্পাদনাৰ সতে অনাজড়িত বহুতো লোকে সেই সমস্যাবোৰ অনুধাৱন কৰাত ব্যৰ্থ হয় আৰু অনভিজ্ঞ মন্তব্য দিয়ে। মহাবিদ্যালয়ৰ আলোচনী এখন সুখ-পাঠ্য হৈ নুঠাৰ মূখ্য কাৰণ বোৰ হল ছাত্ৰ-ছাত্ৰী সকলৰ পৰা পোৱা লেখনীবোৰ নিম্নমানৰ । বহুত কবিতাৰ মাজৰ পৰা নুন্যতম দহটা কবিতা ও কবিতাৰ শাৰীত পেলাব পৰা নাযায়। কিন্তু তাৰ মাজৰ পৰাই দহ বা পোন্ধৰটা কবিতা নিৰ্বাচিত কৰি আলোচনীৰ পাত বোজাই কৰাৰ বাহিৰে গত্যন্তৰ নেথাকে। কেতিয়াবা আকৌ একেবাৰে নিম্নমানৰ কবিতা কিছুমানো সম্পাদনা কৰি প্ৰকাশ কৰা হয়। গল্প, প্ৰবন্ধ বা অন্যান্য লেখনীৰ ক্ষেত্ৰতো কথা একেটাই। কিন্তু এই সমস্যাৰ সমাধানৰ উপায় হিচাপে আমি কিছু কৰিব লগা আছে। আমি গল্প, কবিতাৰ কৰ্মশালা পতা, প্ৰবন্ধ ৰচনাৰ বাবে বৌদ্ধিক চৰ্চাৰ অনুকূল পৰিবেশ সৃষ্টি কৰা, সৃজনীশীল লেখনীৰ উচ্চ মানৰ বাবে সাহিত্য প্ৰতিযোগিতা আয়োজন কৰা আদি পদক্ষেপৰ মাজেৰে দুই দিশত যথেষ্ট সুফল পাব পৰা যায়। মহাবিদ্যালয় আলোচনী বিভাগ আৰু সাহিত্য বিভাগ এই দুয়োটা বিভাগেই ইচ্ছা কৰিলে এনে ফলপ্ৰসূ পদক্ষেপ লব পাৰে।

আশা কৰো আগন্তুক দিনত খাৰুপেটীয়া মহাবিদ্যালয় আলোচনীৰ লগত জড়িত সংশ্লিষ্ট সকলোৱে এনেবোৰ সমস্যাৰ সমাধানৰ বাবে সাজু হব। আমাৰ আলোচনীৰ দ্বিতীয় সংখ্যা প্ৰকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ভাৰপাপ্ত অধ্যক্ষ মঃ জালালুউদ্দিন আহমেদদেৱে বৰ্ত্তমান খাৰুপেটীয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী চৈয়দা আনোৱাৰা টাইমুৰ মহোদয়া (প্ৰাক্তন মুখ্যমন্ত্ৰী, অসম) আলোচনী প্ৰকাশ কৰাৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে ব্যক্তিগত ভাৱে যথেষ্ট সহযোগিতা আগবঢ়ায়। খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আলোচনী প্ৰকাশ কৰাৰ বাবে এক বুজন পৰিমাণৰ আৰ্থিক সাহায্য দিয়াৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰ্থিক অনাটনেই হ'ল আমাৰ আলোচনী প্ৰকাশৰ প্ৰধান সমস্যা। আলোচনী সম্পাদনা সমিতিৰ উপদেষ্টা প্ৰবক্তা শ্ৰী পৰিমল কুমাৰ দত্ত, শ্ৰী দীপক কলিতাকে ধৰি সমূহ সদস্যই আন্তৰিকতাপূৰ্ণ সহায়-সহযোগ আগবঢ়াইছে। শ্ৰী জীৱেন্দ্ৰ মোহন দেৱ শৰ্ম্মা (গ্ৰন্থাগাৰিক), প্ৰবক্তা আব্দুল আওৱাল, প্ৰবক্তা ৰূপজ্যোতি প্ৰসাদ দত্তই যথেষ্ট আগভাগ লৈ আলোচনীখন পোহৰৰ মুখ দেখাত অৰিহণা আগবঢ়াইছে। আলোচনী সম্পাদক মঃ আমজাদ আলীয়ে দেহেকেহে শ্ৰম কৰি আলোচনীখন ছাত্ৰ-ছাত্ৰী তথা পাঠক সকলৰ হাতত তুলি দিয়াৰ কৃতিত্ব অৰ্জন কৰিছে। আমাৰ মহাবিদ্যালয়ৰ কেবাগৰাকীও প্ৰবক্তাই নিজ নিজ মূল্যবান লেখনীৰে আলোচনীখনৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে। সৰ্বশেষত খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী ভবিষ্যত উৰ্জ্বল কামনা কৰি ইয়াঁৰ প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে সহায় সহযোগিতা আগবঢোৱা সকলোলৈকে আমাৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এম. নুৰুল ইছলাম (এম. এ. বি. এড)
তত্বাৰধায়ক, (প্ৰবক্তা) আলোচনী বিভাগ , খাঃ মঃ



# সূচীপত্ৰ

## প্ৰবন্ধ


| | | |
|---|---|---|
| দৰঙী সংস্কৃতিত আলোকপাত | আছমান আৰা বেগম | ০১ |
| বৰ্ত্তমান সমাজত বাণিজ্য শিক্ষাৰ গুৰুত্ব | মঃ আঃ আজিজ | ০৫ |
| কম্পিউটাৰ মানৱ জীৱনৰ অভিনৱ সৃষ্টি | মঃ কাজিমুদ্দিন আহমেদ | ০৭ |
| শিক্ষাৰ জ্ঞান | মঃ মুক্তাৰ হুছেইন | ০৯ |
| ভাৰতীয় নেপালী সকল আৰু তেওঁলোকৰ সংস্কৃতিৰ এটি চমু আভাস | শ্ৰীমতি লাল ছেত্ৰী | ১১ |
| মৰম | মঃ নবী হুছেইন | ১৩ |
| অসমীয়া ভাষাত আৰবী-ফাৰ্চী শব্দৰ প্ৰৱেশ আৰু প্ৰয়োগ | এন, জামান | ১৫ |
| English in India, Its Importance & Future | Md. Rukan Uddin Ahmed | ১৭ |
| Child Labour in India : A brief discussion | Deepak Kalita | ১৯ |


## গল্প


| | | |
|---|---|---|
| বন্ধুত্বৰ প্ৰতিশ্ৰুতি | মঃ হাছেন আলী | ২১ |
| দুটি ছুটি গল্প | মঃ আব্দুৰ ৰেজ্জাক | ২৩ |
| প্ৰেমনে, প্ৰতাৰণা?? | এম, জেহিৰুল ইছলাম | ২৫ |
| এটি নতুন দিনৰ সন্ধানত | আজিম আহমেদ আনছাৰী | ২৭ |
| বিতৃষ্ণাৰে ভৰা এটি মন | মঃ ছাহাবুদ্দিন আহমেদ | ২৯ |
| Unheard Melodies | Parimal Kumar Datta | ৩১ |


## কবিতা


| | | |
|---|---|---|
| সবাতোকৈ আপোন মোৰ ভাষা জননী।। | আব্দুৰ ৰহমান(বিশ্বাস) | ৩৫ |
| তুমি | ছহিদুল ইছলাম | ৩৫ |
| আত্ম পৰিচয় | শ্ৰীবাপধন বৰুৱা | ৩৬ |
| মানৱ | মঃ আমিণুৰ ৰহমান | ৩৬ |

| | | |
|---|---|---|
| আইৰ আহ্বান | মঃ জিয়াৰুল হক | ৩৭ |
| প্ৰাচীৰ | মঃ জামাল উদ্দিন | ৩৭ |
| কান্দোন | মঃ ছামচুদ্দিন আলি আহমেদ | ৩৮ |
| ভাৰতৰ সৌন্দৰ্য্য | মঃ ছাহ জামাল উদ্দিন আহমেদ | ৩৮ |
| চেতনা | মহঃ আমজাদ আলী | ৩৮ |
| কবি শিয়ালৰ পদ্য | এম, মোস্তাফিজুৰ ৰহমান | ৩৯ |
| আইৰ স্মৃতিত | মঃ নজৰুল ইচলাম | ৩৯ |
| পিয়াসী আলো | মঃ হানিফ আলি | ৩৯ |
| মনে বিচাৰে | মোঃ নৌসাদ আলী | ৪০ |
| এনাজৰী | মঃ ইনছাফ আলী | ৪০ |
| জাতীয় শ্বহীদ অগ্নিবক্তা, আব্দুল ওৱাহাব তালুকদাৰৰ স্মৃতিত | এম, নৰুল ইছলাম | ৪১ |
| প্ৰেমৰ স্মৃতি | মঃ ছফিকুল ইছলাম | ৪১ |
| We all together : in the New Days | Mr. Jeebendra Mohan Devsarma | ৪২ |
| Mirror of the Mind | Mrs. Mala Chakraborti | ৪২ |
| Trust in God. | Md. Mizznur Rahman | ৪২ |


## প্ৰতিবেদন


| | |
|---|---|
| উপ-সভাপতিৰ | ৪৩ |
| সাধাৰণ সম্পাদকৰ | ৪৪ |
| সহঃ সাধাৰণ সম্পাদকৰ | ৪৭ |
| ছাত্ৰী জিৰণী কোঠা সম্পাদিকাৰ | ৪৭ |
| সমাজ সেৱা সম্পাদকৰ | ৪৮ |
| বহিঃ ক্ৰীড়া সম্পাদকৰ | ৪৯ |
| আন্তঃ ক্ৰীড়া সম্পাদকৰ | ৫০ |
| আলোচনী সম্পাদকৰ | ৫১ |
| প্ৰাচীৰ পত্ৰিকা সম্পাদকৰ | ৫২ |
| তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ | ৫৩ |
| ছাত্ৰ জিৰণী কোঠাৰ ও সাংস্কৃতিক সম্পাদকৰ | ৫৪ |
| ছাত্ৰ একতা সভাৰ সদস্যৰ তালিকা | ৫৫ |
| খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকলৰ পৰিচয় | ৫৬ |


# প্ৰবন্ধ



"দৈনন্দিন জীৱনৰ পাৰিপাৰ্শ্বিক ঘটনাৰ আলম লৈ সাহিত্যৰ সৃষ্টি নহয়। সি মানৱ-জীৱনৰ বিচিত্ৰ সুখ-দুখৰ ইতিহাস, মানৱ চৰিত্ৰৰ বিচিত্ৰ অভিব্যক্তি, মানুহৰ মৰ্মবাণী, সমাজৰ সকলো সমস্যা ফুটাই তুলিবলৈ চেষ্টা কৰে সেয়ে বাস্তৱ সাহিত্য, সেয়ে বিশ্ব সাহিত্য।"

প্ৰাবন্ধিক বিষয়তো এই উক্তি প্ৰণিধানযোগ্য

# দৰঙী সংস্কৃতিত আলোকপাত

আছমান আৰা বেগম (প্ৰৱক্তা)
অসমীয়া বিভাগ,খাৰুপেটিয়া মহাবিদ্যালয়।

আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই যৌতুক স্বৰূপে বলি নাৰায়ন ওৰফে ধৰ্ম নাৰায়নক দিয়া ৰাজ্যখনেই প্ৰাচীন ‘দৰঙ্গ ৰাজ্য’। প্ৰাচীন দৰঙ্গ ৰাজ্যৰ সীমা আছিল উত্তৰে গামৰিগিৰি আৰু ভৌতান পাহাৰ, পুবে ভৈৰৱী বা ভৰালী নদী, দক্ষিণে ব্ৰহ্মপুত্ৰ নদী আৰু পশ্চিমে কৰতোৱা নদী। বলি নাৰায়নৰ মৃত্যুৰ লগে লগে কিন্তু ‘দৰং ৰাজ্য’ৰ পৰিসীমা সংকুচিত হৈ ইয়াৰ পশ্চিম সীমা বৰ্তমানৰ বৰনদীলৈকে পিছুৱাই আহিল। বৰ্তমানৰ দৰং জিলা আৰু অতীতৰ দৰং জিলাৰ চাৰিসীমাৰ ভিতৰত মিল নাই। বৰ্তমানৰ দৰংজিলাৰ চাৰিসীমা এনেধৰণৰ উত্তৰে ভূটান পাহাৰ, পূৰে পাচনৈ, দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু পশ্চিমে বৰনদী।

বৰ্তমানৰ দৰং জিলা অতীতত ‘দেশ দৰং’ অথবা ‘দৰং ৰাজ্য নামেৰে জনাজাত আছিল। ‘দৌ-ৰঙ্গ’ পদৰ পৰা দৰং বা দৰঙ্গ পদৰ উৎপতি হোৱা বুলি পণ্ডিত সকলে মত পোষণ কৰে। আকৌ ‘দ্বাৰম’ পদৰ পৰা দৰং শব্দৰে উদ্ভৱ হৈছে বুলিও আলোচক সকলে কবলৈ বিচাৰে। বিভিন্ন আলোচকে বিভিন্ন মত দাঙি ধৰিলেও ১৯২৭-৩২ চনৰ জৰীপ টৌকাত উল্লেখ কৰা মতে ‘দেশ দৰঙ্গ’ পদৰ পৰাহে অঞ্চলটোৰ নাম দৰং হৈছে।

দেৱতা সকলে ৰং ধেমালী কৰা ক্ষেত্ৰখনেই হৈছে দৌৰঙ্গ। প্ৰাচীন দৰং জিলা সভ্যতা-সংস্কৃতিৰ লীলাভূমি। ঋষি, মুনি, কবি, সাহিত্যিক আৰু সঙ্গীতজ্ঞৰ সাধনা, সংস্কৃতিৰে দৰংৰ বৰপেৰা উপচি আছে। বিভিন্ন স্থানত থকা মঠ-মন্দিৰ, প্ৰাচীন দেৱালয়, গড়, ৰজাদিনীয়া পুখুৰী আদিয়ে দৰঙৰ অতীত সভ্যতাৰ নিদৰ্শন দাঙি ধৰিছে। পুৰনি কালত এই ৰাজ্য কামৰূপ ৰাজ্যৰ অংগীভূত আছিল। বিখ্যাত বৰ্ম্মবংশীয়, ভূঞা বংশীয় আৰু কোচবংশীয় ৰজা সকলে ইয়াত ৰাজত্ব কৰিছিল।

দৰঙৰ সংস্কৃতিৰ লগত জড়িত হৈ আছে দৰঙৰ ভৌগলিক সীমাৰেখা, ঐতিহাসিক পৰিবেশ আৰু নৃত্তাত্বিক বৈশিষ্ট্য। সংস্কৃতি স্থবিৰ নহয়, ই গতিশীল। কোনো এখন সমাজত চলি থকা কৃষ্টি সংস্কৃতিত সময়ৰ সোঁতত বহুতো যোগ বিয়োগ হোৱা দেখা যায়। পৰম্পৰাৰ ভিত্তিত চলি আহে কৃষ্টি সংস্কৃতি। ভাৰতীয় তথা অসমৰ সংস্কৃতিৰ দৰে দৰঙৰ সংস্কৃতিও পৰম্পৰাগত। তাৰ উপৰি নগৰীয়া সংস্কৃতিৰ বিপৰীতে দৰঙৰ সংস্কৃতিত গ্ৰাম্য সংস্কৃতিয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। সেয়েহে এই সংস্কৃতিত লোক সংস্কৃতিৰ প্ৰভাৱ পৰা দেখা যায়।

ভাষা, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে নিৰ্মিত হৈছে দৰঙৰ সংস্কৃতি সৌধ। হিন্দু, ইছলাম, খৃষ্টান, জৈন, বৌদ্ধ, জনজাতীয়, পৰম্পৰাগত ধৰ্মাৱলম্বী লোকৰ সমষ্টিৰে দৰঙৰ জন গাঁথনি নিৰ্মিত হৈছে। অতীত কালৰে পৰা বিভিন্ন ধৰ্মৰ মানুহে সহনশীল আৰু উদাৰ মনোভাৱেৰে এই ৰাজ্যত বসবাস কৰি আহিছে। এনে উদাৰ মনোভাৱৰ কাৰণেই দৰঙত কোনোদিনেই ধৰ্মীয় বা সাম্প্ৰাদায়িক সংঘৰ্ষৰ সৃষ্টি হোৱা নাই। এনে মিলাপ্ৰীতিৰ কাৰণেই দৰঙ অৰ্থনৈতিক দিশৰ পৰাও উন্নত আছিল। উন্নত পৰিবেশত এই অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক জীৱন স্বস্থ আৰু মুক্তভাৱে বিকাশ লাভ কৰিব পাৰিছিল।

বিভিন্ন সময়ত বিভিন্ন দলে কামৰূপৰ সাংস্কৃতিক কেন্দ্ৰবোৰ উচ্ছন্ন কৰিছিল। তেতিয়া সেই ঠাইৰ সাংস্কৃতিক কেন্দ্ৰৰ শিল্পীসকলে সাংস্কৃতিক প্ৰেমী দৰঙী ৰজাসকলৰ ওচৰত আশ্ৰয় লৈছিল। এনকৈয়ে দুয়োখন ঠাইৰ সাংস্কৃতিক সমিল মিলত দৰঙী সংস্কৃতি বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিলৈ ৰূপান্তৰিত হৈছিল।

সংস্কৃতি জীয়াই ৰখাৰ প্ৰধান উপায়টো হৈছে অনুশীলন। চিন্তাচৰ্চা, আদৰ আৰু অনুশীলনৰ অভাৱত দৰঙী সংস্কৃতি আজি বিলুপ্তিৰ পথত। দৰঙী সংস্কৃতিৰ কেইটামান দিশ তলত আলোকপাত কৰা হ'লঃ-

**বিয়াগীত ঃ-** লোক সাহিত্যৰ ক্ষেত্ৰত দৰঙখন একেবাৰে দুখীয়া নহয়। বিভিন্ন পূজা পাতল, উৎসৱ অনুষ্ঠান আদিত গোৱা গীত পদেৰে দৰঙৰ লোকসাহিত্য উভৈনদী হৈ আছে। দৰঙত “গীত” শব্দৰ পৰিৰ্বতে “পদ” শব্দটোহে প্ৰয়োগ কৰা দেখা যায়। পদ গোৱা গাভূৰু বা মহিলা গৰাকীক “পদেলী” বোলা হয়। বিয়া

এখনৰ বিভিন্ন স্তৰে স্তৰে গোৱা গীতৰ অৰ্থওঁ বিভিন্ন অৰ্থব্যঞ্জক। যেনে —দৰা পক্ষই কইনাপক্ষৰ ঘৰত কইনাক আঙুঠি পিন্ধোৱা সময়ত গোৱা গীত, পানীতোলা গীত, তেলৰ ভাৰ দিয়া গীত, দৰা আদৰা গীত, কইনা উলিয়াই দিয়া সময়ত গোৱা গীত ইত্যাদি। বিয়া পদবোৰ বিয়াৰ বিভিন্ন অনুষংগৰ সৈতে সংগতি ৰাখি আমাৰ আই-বাই, আবু-বুৰমাই-আইতা আদিয়ে বিবিধ সুৰৰ সমলয়ত গায়। অঞ্চল বিশেষে পুৰুষ সকলেওঁ বিয়া গীত গায়। দৰং জিলাত নাৰীসকলেহে বিয়া গীত গায় আৰু এই গীতৰ লগত কোনো ধৰণৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ নকৰে। অৱশ্যে পানী তুলিবলৈ যাওঁতে, সুৱাগ তুলিবলৈ যাওঁতে আৰু কইনাৰ ঘৰলৈ আনুষ্ঠানিক ভাৱে দৰা যাওঁতে ঢুলীয়া-কালীয়া বা "বেণ্ডপাৰ্টি"ৰ শিল্পী সকলে লগত সংগত কৰে। দৰঙৰ বিয়াগীতবোৰ স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল। এই বিয়া পদবোৰ বিষয় বস্তু, ৰূপক, প্ৰতীক চিত্ৰকল্প, শব্দ, অৰ্থ আৰু সুৰৰ ফালৰ পৰা সমৃদ্ধ। দৰঙৰ বিয়া পদত বিয়াহ ওজাপালি আুৰ সুকনান্নি ওজাপালিৰ গীতপদৰ সুৰ আৰু ৰাগৰ ধ্বনি-প্ৰতিধ্বনি অনুৰনিত হৈছে।

দৰঙৰ বিয়াবোৰত জোৰোণ দিয়া নিয়ম নাই। দৰঙত "জোৰোণ"ক "তেলৰ ভাৰ" বোলে। দৰা ঘৰৰ পৰা কইনা ঘৰলৈ তেলৰ ভাৰ আহি পোৱাৰ সময়ত দৰঙৰ 'পদেলী' সকলে গায়—

আগৰ খান ভাৰতে কি কি আন্ছা
ৰভাৰে তলতে থৌ
পাচৰ খান ভাৰতে কি কি আন্ছা
সমাজৰ আগতে কৌ।
পানো আন্ছা মেকুৰী কেণীয়া
তামোল বা আন্ছা কি
ৰভাৰ তল সুমেলি ঝগৰো লগেলি
সেৱা লৌ বটাখান দি।

আকৌ পানীতোলাৰ সময়ত দৰঙৰ পদেলীয়ে গায় —

কল্লা মঙ্গল যাত্ৰা দিলা ঘটপাতি এ
দিয়াহি উৰুলি সবে কইনা গনক মাতি এ
কোন কোন কুমাৰে চাটি গৰেই দিলা
কোন কুমাৰৰে মাটি এ
যাতুৱা কুমাৰে চাতি গৰেই দিলা
পদুম পুখুৰীৰ মাটি এ.......।

**চিয়া গীত ঃ-** দৰঙী সংস্কৃতিৰ আন এটা উল্লেখযোগ্য অৱদান হল চিয়াগীত। দৰঙীলোক সঙ্গীতৰ বাহক চিয়াগীতবোৰ অসমীয়া সাহিত্য ভঁৰালৰ এক আপুৰুগীয়া সম্পদ। অতি প্ৰাচীন কালৰে পৰা দৰং অঞ্চলত প্ৰৱৰ্তন হৈ অহা "পূৰ্ণধেৰীয়া বা বৰখেলীয়া" নামৰ এটি ভক্ত সম্প্ৰদায়ৰ মাজত প্ৰচলিত ধৰ্মীয় গীত সমূহেই চিয়াগীত নামেৰে জনাজাত। এই "চিয়া" শব্দৰ অভিধানিক অৰ্থ দুই প্ৰকাৰৰ এক প্ৰকাৰ অৰ্থমতে "চিয়া" শব্দৰ অৰ্থ "কীৰ্ত্তি বা যশ" আৰু আনটো প্ৰকাৰৰ অৰ্থ হ'ল " ইশ্বৰ বা ধৰ্ম্মৰ নাম স্মৰণ"। এই দুয়োটা অৰ্থই চিয়াগীত বিলাকত প্ৰকাশ পাইছে। সহজ সৰল গাৱলীয়া ভক্ত সমাজে গভীৰ বিশ্বাসেৰে গ্ৰহণ কৰি অহা " পূৰ্ণধেৰীয়া আৰু ভাগৱত ধেৰীয়া" ভক্তি ধৰ্মৰ পয়োভৰ দৰঙত ক্ৰমে হ্ৰাস পাই আহিছে। হয়তো কালৰ সোঁতত চিয়া গীত দৰঙী সংস্কৃতিৰ পৰা বিলুপ্তিয়েই হ'ব। তলত এফাঁকি চিয়াগীত উল্লেখ কৰা হ'ল।

" কলৈনো গৈছিলা মোৰ জীউ বান্ধৱ এ
মই আছোঁ বাটলে চাই।
তযু সেৱা বিনে ইতিনি ভুৱনে
নেদেখোঁ আন উপায়।

**চেৰা-ঢেক ঃ-** চেৰা-ঢেক্ অৰ্থাৎ দীঘলীয়া সুৰৰ ঢেক্ মঙ্গলদৈৰ মুছলমান সকলৰ এটি সুকীয়া ক'লা। বিভিন্ন সুৰ আৰু ৰাগ-ৰাগিনী যুক্ত এই চেৰা-ঢেক্ মঙ্গলদৈ মহকুমাৰ পশ্চিম গ্ৰাম্যঞ্চলত আজিওঁ চেগাচোৰোকাকৈ ধ্বনিত হোৱা শুনা যায়। চেৰা-ঢেক্ কিছুমান হাস্যৰসৰ, কিছুমান কৰুন ৰসৰ আৰু কিছুমান মশ্ৰিত ঢেক্। বিশেষকৈ হাট বজাৰৰ পৰা উভতি আহোঁতে, পথাৰত গৰু-ম'হ চৰাওঁতে আৰু কেতিয়াবা ধাননি পথাৰৰ পৰা





ধানৰ দাঙৰীবোৰলৈ ঘৰলৈ ওভতোতে কোনোবা গাঁৱলীয়া অজান শিল্পীয়ে হিয়া উজাৰি চেৰা-ঢেক্ গায়। এই ঢেক্ৰ মূৰ্চ্চনাই জাতি ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে হিয়াত খলকনি তোলে।

"চেৰা" শব্দৰ অৰ্থ হ'ল চিএওৰি চিএওৰি গোৱা আৰু "ঢেক্চচ মানে হল সুৰদি দীঘলকৈ টানি গোৱা গীত। চেৰা-ঢেক লোচাৰী, দুলড়ী, উপমা, সাদৃশ্য গৰ্ভ-অলংকাৰ আদি সাহিত্যিক গুনেৰে বিভুষিত। তলত উল্লেখ কৰা চেৰা-ঢেক ফাঁকিয়ে অসমীয়া গাঁৱৰ সঁচা প্ৰতিচ্ছবি এখন আমাৰ মনলৈ আন দিয়ে।

"অ' এ ....... ঐৰা গছৰ মৈৰা চৰাই
পৰি আধাৰ খাই;
অ' লেচেৰীয়া খোপা বান্ধি
দৰাৰ আগে যা.....য় .....এ!
এ...... আন্‌বা আছোই নদীৰ পানী
বান্‌বা আছেই ধান;
অ'....... তুহুৰ গুদা লাগেই বুলি
ৰাতি বানেই ধান..... হে...... ই.......ৰে"।

**নাঙেলী গীত ঃ-** "নাঙেলী গীত" কেৱল দৰঙতহে প্ৰচলিত। পুৰণি কালত মানুহৰ কাঠৰ নাঙলখন আৰু গৰু হালেই আছিল জীৱিকাৰ প্ৰধান আহিলা। সেই সময়ৰ কৃষকে আনুষ্ঠানিক শিক্ষাৰ বিষয়ে একো নাজানিছিল। হালোৱা তথা খেতিৰ লগত জড়িত অশিক্ষিত ডেকা আৰু গৰখীয়া বিলাকৰ মুখে মুখে একশ্ৰেণী গীতৰ প্ৰচলন আছিল। সেই গীতখিনিয়েই হ'ল নাঙেলী গীত। নাঙলৰ লগত সম্পৰ্ক থকা বিশেষ শ্ৰেণীটোৰ গীত বাবেই বোধ হয়। ড° নবীন চন্দ্ৰ শৰ্ম্মাই " অসমীয়া সাহিত্যৰ আলোক ৰেখাচচ গ্ৰন্থত কৈছে যে গাৱঁলীয়া জীৱনত খেতিবাতি, গৰু ম'হ, নাঙল-যুঁবলি আদিৰ লগত সদায় জড়িত হৈ থকা লোক সকলে গোৱাগীত কাৰণে ইয়াক নাঙলী গীত বুলি গব পাৰি।

নাঙলী গীতক যৌৱনৰ স্বতঃ স্ফুৰ্ত প্ৰকাশৰ গীত বুলি কব পাৰি। নাঙেলী গীতত মাৰ্জিত অমাৰ্জিত দুয়োবিধ প্ৰকাশেই বিদ্যমান। আচলতে এই গীতবোৰ বৰ অশ্লীল। অৱশ্যে কিছুমান গীতত শ্লীলতা ৰক্ষিত হৈছে। নাঙেলী গীতৰ ক্ষেত্ৰ হল মুকলি পথাৰ গৰু-ম'হ চৰোৱা ঠাই, নৈৰ পাৰ আৰু হাবি বননি এই গীত চেঙেলীয়া ডেকা গাভৰুৰ মুক্তমনৰ উন্মুক্ত প্ৰকাশ এই নাঙেলী গীত। দৰঙী কথিত ভাষাত এই গীতবোৰ ৰচিত। ডেকা লৰাৰ উপৰিও মাছ মাৰিবলৈ যোৱা আৰু পথাৰত ভূঁই ৰুবলৈ যোৱা ছোৱালীয়েওঁ কেতিয়াবা ডেকা লৰাৰা প্ৰত্যুত্তৰ দিছিল নাঙেলী গীতৰ মাজেৰে। তলত নাঙেলী গীতৰ একাংশ উল্লেখ কৰা হল।

"চাৰি খুটি মাৰি আঠুৱা তৰিলো, বহলাই পাৰিলো পাটি।
এনেৱা পাটীতে শুবলৈ নাহিলি, কাৰ লগত খপিলি ৰাতি।।
আমলৈ আমৰা নুনলৈ থেকেৰা, ফুটীয়া গাখীৰৰ দৈ।
মাকৰ ঘৰতে জীয়েকে ৰাৰৈ ঐ কত পাম চেঙেৰা পৈ।।

**দেওধনী নৃত্য ঃ-** দৰঙৰ দেওধনী নৃত্য অসম তথা ভাৰত বিখ্যাত। দৰঙৰ দেওধনী সাজপাৰ সুৰুচিপূৰ্ণ আৰু ধৰ্মীয় প্ৰসঙ্গৰ উপযোগীকৈ তৈয়াৰ কৰা।

দৰঙৰ দেওধনী সকলৰ জীৱন দেৱী মনসাৰ উদ্দেশ্যে উৎসৰ্গিত। এওঁলোকে কুমাৰী জীৱন যাপন কৰে আৰু দেৱীৰ সন্তুষ্টিৰ কাৰণে সকলো কামনা-বাসনা ত্যাগ কৰি পবিত্ৰ জীৱন যাপন কৰে। বিশেষ তাৎপৰ্য্যপূৰ্ণ দৰঙৰ দেওধনী নাচৰ কেইবাটাও বিভাগ আছে। যেনে ঃ- হাড়ি নাচন, শিৱ নাচন, ৰণগুী নাচন, লক্ষ্মীনাচন, ধনতোলা কুৱেৰ নাচন, কাৰ্তিক নাচন, ধৰ্ম নাচন, সুৰভি নাচন আৰু ভৱানী নাচন।


**ওজাপালি ঃ-** ওজাপালি অসমৰ আপুৰুগীয়া কলা সম্পদ সমূহৰ ভিতৰত অন্যতম। দৰং, কামৰূপ আৰু গোৱালপাৰাত প্ৰচলিত ওজা পালি হ'ল সুকনানি ওজাপালি। ওজা পালিক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি. সুকনানি ওজা পালি আৰু বিয়াহৰ ওজাপালি। দৰঙৰ সুকনানি ওজা পালিৰ নিজস্ব বৈশিষ্ট্য আছে। এই অঞ্চলৰ সুকনানিওজা পালিয়ে কেৱল নাৰায়ন দেৱৰ পদ্ম পুৰাণৰ পদ গায়। মনসা কৰি মনকৰ আৰু দুৰ্গাবৰৰ গীত এওঁলোকে নাগায়। দৰঙৰ সুকনানি ওজাপালিত নৃত্য, গীত, মুদ্ৰা, পোছাক পৰিষদ আদি সকলো ক্ষেত্ৰতে স্বকীয়তা বিদ্যমান। দৰঙৰ সুকনানি ওজাপালিৰ আটাইতকৈ উল্লেখযোগ্য দিশটো হ'ল যে এসময়ত দৰঙৰ ইছলাম ধৰ্মৰ

লোকসকলৰ মাজতো ই প্ৰচলিত আছিল।

দৰঙৰ ওপৰোক্ত সংস্কৃতিৰ সমল বিলাকৰ উপৰিও আন আন কিছুমান সংস্কৃতিক সমলো আছে। তাৰে ভিতৰত খুলীয়া ভাউৰীয়া, ঢেপাঢুলীয়া, বৰঢুলীয়া আদি। খোলৰ ব্যৱহাৰ থকা খুলীয়া ভাউৰীয়া দৰঙৰ মৌলিক সৃষ্টি। দৰং অঞ্চলত প্ৰচলিত ঢেপাঢুলীয়া সঙ্গীতৰ প্ৰচলন আন ঠাইত পোৱা নাযায়। তেনেদৰে বৰঢুলীয়াও দৰঙৰ অনুপম লোককৃষ্টি। বৰ ঢুলীয়া পৰিৱেশন কৰা মানুহৰ সংখ্যাও বেছি আৰু ডাঙৰ ঢোলেই ইয়াৰ বিশেষত্ব। বহাগ মাহত হোৱা দল উৎসৱত, কাতি বিহুত অনুষ্ঠিত মথলী উৎসৱ, দুৰ্গা পূজা, ৰাজহুৱা উৎসৱ আৰু বিশেষ সভা সমিতিৰ বৰঢুলীয়াৰ অনুষ্ঠান পৰিৱেশন কৰা হয়।

নৈদানিক গীত পদৰ ক্ষেত্ৰতো দৰঙী সংস্কৃতি অতি চহকী। অকল হিন্দু সমাজতে যে গীতপদৰ প্ৰচলন আছিল এনে নহয়। হিন্দু তিৰোতা সকলৰ দৰে মুছলমান তিৰোতা সকলেওঁ "ফকিৰ আলি গীত" পৰিৱেশন কৰিছিল। "ফকিৰ আলী গীত"ত বিয়াহৰ ওজাপালিৰ সুৰ আৰু নামৰ সুৰ প্ৰতিফলিত হৈছে। "মই হোঁ গীত" ভালুক নাচনৰ গীত, আদিৰ ক্ষেত্ৰটো দৰঙীলোক সংস্কৃতি চহকী। তেনেদৰে দৰঙী মানুহৰ মুখে মুখে প্ৰৱচন, সাঁথৰ, লোকোক্তি, দৃষ্টান্ত, পটন্তৰ আদি শুনিবলৈ পোৱা যায়।

দৰঙী সংস্কৃতিৰ জোলাঙাৰ পৰা বহু সংস্কৃতিয়েই ইতিমধ্যে ওলাই গ'ল। বহুটো সংস্কৃতি কালৰ সোঁতত লোপ পালে আৰু বহুটো লোপ পোৱাৰ পথত। কৃষ্টি-সংস্কৃতিৰ মাজতে জীয়াই থাকে একোটা জাতিৰ জাতীয় সত্বা। আধুনিক শিক্ষা আৰু নগৰীকৰণ আদিয়ে অতীত পৰম্পৰা গ্ৰাস কৰি আহিছে। আধুনিকতাৰ প্ৰভাৱে দৰঙী সংস্কৃতিকো প্ৰভাৱান্বিত কৰিছে। নতুন পুৰষৰ উদ্যম আৰু চেতনাৰ ওপৰত নিৰ্ভৰ কৰিছে সংস্কৃতিৰ ভৱিষ্যত। জীয়াই থাকক যুগে যুগে দৰঙী সংস্কৃতি।

KHUDA HAFIZ
M/S. DARRANG AGRO AGENCY

Prof.: Alhai M. Rahman
B.N.B. Road, Kharupetia,Darrang, Assam Pin - 784 115
email : darrangagro@sify. com
+91-3713-54324,55524 :: Fax: +91-3713-54324
All Kinds of Pesticides, Fertilizers & Hybrid seeds Available Here AT cheap & Reasonable Price.
AUTHORISED DISTRIBUTORS OF
Rallis India Ltd., Aventis Crop Science India Ltd., DE-Nocil, Karnataka Agro Chemicals, Mahyco, Namdhari Seeds Pvt. Ltd., N.S.C. Ltd., Bejo Sheetal Seeds Pvt. Ltd., United Phosphorous Ltd., Godrej Agrovet Ltd., Hindustan Fertilizer Corporation Ltd., North East Agro Centre.

For Delicious Sweets & Snacks
STEP IN

RUCHI MILAN
Khurupetia, Mahabir Road, Phone :- 55959
Authorised dealer of Repose Food Products
Bread, Biscuits, Sweets, Mixture, Cold Drinks.
Order Supplier In
Marriages, Birthdays and Other Festivals.






# বৰ্ত্তমান সমাজত বাণিজ্য শিক্ষাৰ গুৰুত্ব

মঃ আঃ আজিজ এম, কম
মুৰব্বী প্ৰবক্তা, বাণিজ্য শাখা খাঃ মঃ

[" Commerce is the economic pulse of A Nation that strives to improve the socity's standard of living by catering the knowledge of economic activities among the human beings." ]

সভ্যতাৰ ক্ৰম বিবৰ্ত্তণৰ লগতে শিক্ষা ব্যৱস্থাৰো আমূল পৰিবৰ্ত্তণ সাধন হৈ আহিছে। বৰ্ত্তমান যুগত যি শিক্ষা ব্যৱস্থাই দেশ এখনক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ লগতে ব্যক্তি এজনক আত্মনিৰ্ভৰশীল কৰি তুলিব পাৰে তেনে শিক্ষা ব্যৱস্থাৰ প্ৰতি মানুহে মন মেলিছে। পৃথিৱীত জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে বিভিন্ন ধৰণৰ অৰ্থনৈতিক সমস্যাৰ সৃষ্টি হৈছে।

এনে ধৰণৰ অৰ্থনৈতিক সমস্যাৰ পৰা মুকতি লাভৰ প্ৰয়াসেৰে মানুহে বিভিন্ন ধৰণৰ অৰ্থনৈতিক প্ৰচেষ্টা চলাই আহিছে। এনে সংগ্ৰামত কিছুমানে জীৱন যাত্ৰাত জয়ী হৈছে যদিও, বহুতে ইয়াৰ ভীতিগ্ৰস্থতাৰ ক'লা ডাৱৰৰ আৰেষ্টণীৰ পৰা মুক্তি লাভ কৰিব পৰা নাই। ইয়াৰ কাৰণ বিচাৰ কৰিলে দেখা যায়, সিহঁতৰ মাজত অৰ্থনৈতিক কাৰ্য্যকলাপৰ নীতি-নিয়ম সম্পৰ্কে জ্ঞানৰ অভাৱ। সেয়েহে তেনে কাৰ্য্যকলাপৰ নীতি নিয়ম সম্পৰ্কে জ্ঞান আহৰণ কৰাটো আজিৰ যুগৰ মানুহৰ কাৰণে অপৰিহাৰ্য্য হৈ পৰিছে।

বাণিজ্য শিক্ষা হল এনে এক প্ৰকাৰৰ শিক্ষা ব্যৱস্থা যিয়ে মানৱ সভ্যতাৰ (Human Socity) মাজত অৰ্থনৈতিক ক্ৰিয়া কলাপৰ জ্ঞান বিস্তাৰ কৰে। এনে শিক্ষা ব্যৱস্থাই অৰ্থনৈতিক অনগ্ৰসৰতাত ভুগি থকা দেশ এখনক অৰ্থনৈতিক ভাৱে টনকীয়াল কৰাত সহায় কৰে। ইয়াৰ উপৰি এনে শিক্ষা ব্যৱস্থাই ব্যক্তি এজনক অৰ্থনৈতিক ভাৱে স্ব-নিৰ্ভৰশীল হোৱাত প্ৰেৰণা যোগায়।

বাৰু সি যি কি নহওক আধুনিক অৰ্থব্যৱস্থাত বাণিজ্য শিক্ষাৰ ফলপ্ৰসু দিশসমূহ অধ্যয়ণ কৰিলে বৰ্ত্তমান সমাজত ইয়াৰ গুৰুত্ব (Importance) কিমান তাক সহজেই অনুমান কৰিব পাৰি।

প্ৰথমতে, বাণিজ্য শিক্ষাৰ ফলপ্ৰসু দিশ সমূহ অধ্যয়ণ কৰিলে দেখা যায় যে এনে শিক্ষা ব্যৱস্থাই নাগৰিকৰ মাজত অৰ্থনৈতিক সচেতনতা আনি দিয়ে। বাণিজ্য শিক্ষাই দেশৰ অৰ্থনৈতিক ক্ৰিয়া কলাপৰ প্ৰতিজন সাধাৰণক অনুৰাগী (Incentive) কৰি তোলে। যেতিয়া দেশৰ প্ৰত্যেক জন নাগৰিক অৰ্থনৈতিক ভাৱে সচেতন হয় তেতিয়া সেইখন দেশ দ্ৰুত গতিত উন্নতিৰ পথলৈ অগ্ৰসৰ হয়।

দ্বিতীয়তে , বাণিজ্য শিক্ষা হল কৰ্মভিত্তিক শিক্ষা (Vocational Education)। এনে শিক্ষা ব্যৱস্থাই দেশৰ নাগৰিকক কৰ্মৰ বাবে অনুপ্ৰেৰণা যোগায়। এনে শিক্ষা গ্ৰহণৰ ফলত ব্যক্তি এজনে নিজৰ কৰ্মপথ নিজেই বাচিলব পাৰে। এনে শিক্ষা গ্ৰহণ কৰিলে কোনো ব্যক্তিয়ে আনৰ মুখাপেক্ষী হব নালাগে। কাৰণ মানুহ যেতিয়া কৰ্মানুৰাগী (Work Incentive) হয় তেতিয়া দেশ এখনত ন ন উদ্যোগ প্ৰতিষ্ঠানৰ সৃষ্টি হয়। যাৰ ফলত বহুতো নিবনুৱাই শ্ৰম বিনিয়োজন কৰাৰ পথ প্ৰশস্ত হয়। এইদৰে মানুহৰ আয় বৃদ্ধি হৈ জীৱন যাত্ৰাৰ মাণদণ্ড (Standard of Living) উন্নত হোৱাৰ উপৰি দেশ এখনেও অৰ্থনৈতিক অনগ্ৰসৰতাৰ পৰা মুক্তি লাভ কৰিব পাৰে। উদাহৰণ স্বৰূপে কব পাৰি, ইংলেণ্ড, জাপান, আমেৰিকা আদি দেশবোৰ উদ্যোগ বাণিজ্যৰ ফলতেই বিশ্বৰ ভিতৰত অতি উন্নত দেশ হিচাপে পৰিগণিত হৈছে।

তৃতীয়তে, বাণিজ্য শিক্ষাই মানুহৰ কাৰণে বিনিয়োগৰ পথ সুগম কৰে। এনে শিক্ষাই মানুহৰ মাজত সঞ্চয় স্পৃহাৰ (Saving Incentive) জন্ম দিয়ে মানুহে সঞ্চয়ৰ অভ্যাস গঠন কৰাৰ পিছত এনে সঞ্চয় বিভিন্ন লাভজনক শিতানত বিনিয়োগ কৰি সমাজৰ কল্যাণ (Social Welfare) সাধৰণ কৰিব পাৰে। আজি কালি আমাৰ সমাজত বহুতো অনুষ্ঠান প্ৰতিষ্ঠানে জন সাধাৰণক বিনিয়োগ কৰাৰ সুবিধা প্ৰদান কৰিছে। সেইবোৰৰ

ভিতৰত বীমা কোম্পানী, ডাকঘৰ, কোম্পানী, বেংক আদিয়েই প্ৰধান। এই খিনিতে আমাৰ মনত এটা কথা উদয় হয় যে, বৰ্ত্তমান সমাজত বহুতো ভুৱা প্ৰতিষ্ঠান আৰু সংগঠন ওলাইছে, যিবোৰে জন সাধাৰণক লোভৰ লালসাত পেলাই বহুল পৰিমানৰ ঋণ সংগ্ৰহ কৰি উধাও (Vanish) হোৱা দেখা যায়। সেয়েহে বাণিজ্যিক ক্ৰিয়া কলাপ সম্পৰ্কে জ্ঞান থকা ব্যক্তিয়েহে এনে ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা সমাজক ৰক্ষা কৰিব পাৰে।

চতুৰ্থতে, বাণিজ্য শিক্ষাই ব্যক্তি এজনক পৰিকল্পিত অৰ্থনীতিৰ বিষয়ে শিক্ষা দিয়ে। বৰ্ত্তমান সমাজত ধন সম্পদেৰে চহকী হৈও বহুতো ব্যক্তিয়ে আৰ্থিক সংকটত পৰি জুৰুলা হোৱা দেখা যায়। ইয়াৰ প্ৰকৃত কাৰণ বিচাৰ কৰিলে দেখা যায় যে তেওঁলোকৰ অৰ্থনৈতিক পৰিকল্পনা (Economic Planning) সম্পৰ্কে জ্ঞানৰ অভাৱ। আমি আৰু আমাৰ সম্পদৰ মাজত যে এটা পৃথক অস্তিত্ব (Separate Entity) আছে তাক আমি সহজতে অনুমান কৰিব নোৱাৰোঁ, যাৰ ফলত আমাৰ অৰ্থনৈতিক কাৰ্য্যকলাপবোৰে পৰিকল্পনাৰ বহিৰ্ভূত হৈ আৰ্থিক সংকটৰ সৃষ্টি কৰে। সেয়েহে জটিল আৰু পৰিবৰ্ত্তণশীল সমাজত অৰ্থনৈতিক উন্নতি লাভ কৰিবলৈ হলে আৰ্থিক পৰিকল্পনাৰ অতিকৈ প্ৰয়োজন। এনে আৰ্থিক পৰিকল্পনাই ব্যক্তি এজনক সুদূৰ ভবিষ্যতৰ লক্ষ্যত উপনিত হোৱাত সহায় কৰে।

পঞ্চমতে, বাণিজ্য শিক্ষাৰ উন্নতিৰ লগে লগে ইয়াৰ পৰিসৰ পৃথিৱীৰ চুকে কোনে বিয়পি পৰিছে। এনে শিক্ষাৰ কলেবৰ বৃদ্ধি হোৱাৰ ফলত বাণিজ্যিক কাৰ্য্যকলাপৰো পৰিসৰ বৃদ্ধি হৈছে। যাৰ ফলত আন্তজাতিক সহযোগিতাৰ সৃষ্টি হৈ পৃথিৱীখন এখন সৰু সমাজ (Global Village) লৈ পৰিণত হৈ পৰিছে। এইদৰে গঢ়ি উঠা আন্তৰ্জাতিক সহযোগিতাৰ (International Co-operation) ফলতেই উন্নত (Developed) আৰু অনুন্নত (Underdeveloped) দেশ সমূহৰ মাজত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ (Science and Technology) ৰ আদান প্ৰদান ঘটিছে। লগতে এনে সহযোগিতাই অৰ্থনৈতিক ভাবে পিছ পৰি থকা তৃতীয় বিশ্বৰ (Third World) দেশ সমূহ উন্নতিৰ জখলা বগাব পাৰিছে।

ষষ্ঠতে, বাণিজ্য শিক্ষাই ব্যক্তি এজনক মিতব্যয়ী (Economical) কৰি তোলে। এই শিক্ষাই ব্যক্তি এজনক অ-লাগতিয়াল ব্যয়ৰ পৰা আঁতৰাই ৰাখিব পাৰে। এই খিনিতে আমাৰ ধাৰণাটো স্পষ্ট হোৱা উচিত যে মিতব্যয়ীতা আৰু কৃপনতা একে নহয়। কৃপনতা হল ভোগ নিবাৰণত প্ৰয়োজনীয় ব্যয় নকৰি মানব ইন্দ্ৰিয় (Human Sensory) বোৰক পৰিতৃপ্তি (Satisfaction) নিদিয়া। কিন্তু মিতব্যয়ীতা হল ইন্দ্ৰিয় তৃপ্তিত অগ্ৰাধিকাৰ দি অলাগতিয়াল ব্যয়ৰ পৰা বিৰত থকা। এইদৰে বাণিজ্য শিক্ষাই ব্যক্তি এজনক সকলো দিশৰ পৰাই যুক্তি-যুক্তাৱে গঠন কৰি তোলে।

এইদৰে বাণিজ্য শিক্ষাৰ গুৰুত্বপূৰ্ণ দিশবোৰ বিচাৰ কৰিলে দেখা যায় যে এনে শিক্ষা ব্যৱস্থাই সমাজত বাস কৰা সকলো শ্ৰেণীৰ লোকৰ অভ্যাস, মনোবৃত্তি, কৰ্মপ্ৰবণতা আদিৰ বুৎপত্তিগত অৰ্থৰ তাৎপৰ্য্য উদ্‌ঘাটন কৰাৰ লগতে সামূহিক জীৱন যাত্ৰাৰ মানদণ্ড উন্নত কৰাত সহায় কৰে। লগতে এনে শিক্ষা ব্যৱস্থাই ব্যক্তি সমষ্টিক উন্নয়নৰ পথ অবৰুদ্ধ কৰি ৰখা অন্তৰায়বোৰৰ প্ৰতি শুদ্ধ জ্ঞান আহৰণ আৰু সেইবোৰ আঁতৰ কৰাত সহায় কৰে। সেয়েহে কব পৰা যায় যে, বাণিজ্য শিক্ষা হল গঠণমূলক শিক্ষা, ইয়াৰ সামগ্ৰিক অৰ্থ হল সমাজৰ সৰ্বাঙ্গীণ কল্যাম সাধন কৰি দেশ এখনক অনগ্ৰসৰতাৰ কবলৰ পৰা উদ্ধাৰ কৰা।


**Sun Flower English School**

Kharupetia, Darrang, Assam


SPECIALITIES

CONGENIAL ENVIRONMENT

QUALIFIED, EXPERIENCED AND DEDICATED TEACHERS.

UNIQUE CURRICULUM.

SUITABLE CO-CURRICULAR ACTIVITIES.



Contact :- Parmal Kumar Datta. (President), Phone No. 55934

Kishan Singbi, Secretary, Phone No. 54253

Venue :- Venus Club, Kharupetia.






# কম্পিউটাৰ মানৱ জীৱনৰ অভিনৱ সৃষ্টি


মঃ কাজিমুদ্দিন আহমেদ

প্ৰাক্তন আলোচনী সম্পাদক,খাঃ মঃ।


আজিৰ যুগত আমি যিফালে চকু ফুৰাওঁ সেইফালে দেখা পাওঁ বিজ্ঞানৰ বিস্ময়। আমি কল্পনা কৰিব নোৱাৰা বস্তু আজি আমি বাস্তৱত দেখা পাইছো একমাত্ৰ বিজ্ঞানৰ অৱদানৰ বাবে। বৈজ্ঞানিক সকলৰ নিত্য-নতুন চিন্তাধাৰাই এই পৃথিৱীখনক অন্য এখন পৃথিৱীলৈ ৰূপান্তৰ কৰি পেলাইছে। এই ক্ষেত্ৰত কম্পিউটাৰ লেখত লব লগীয়া। মানুহৰ কল্পনাৰ পৰিসীমাত আবদ্ধ হৈ থকা কম্পিউটাৰ এতিয়া আমাৰ জীৱন যাত্ৰাৰ এক অপৰিহাৰ্য্য অংগ। যিটো কাম মানুহে কৰিব নোৱাৰে সেইটো কম্পিউটাৰে কৰে। কম্পিউটাৰ এনে এটা যন্ত্ৰ যিয়ে নিৰ্দ্দেশ মানি যাব পাৰে তথ্য, ডাটা আহৰণ কৰিব পাৰে আৰু ডাটাৰ ভিত্তিত গাণিতিক বা ল'জিকেল যুক্তিসংগত কাম কৰে। মানুহে যদি ভুল কৰে কম্পিউটাৰে সেই ভুলটো আঙুলিয়াই দিয়ে।

১৯৪৬-১৯৫৯ চনত আমেৰিকাৰ পেন চিলভেনিয়া বিশ্ববিদ্যালয়ৰ (Pensylvania University) মুৰে স্কুল অৱ ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং (More School of Electrical Engineering) ৰ জে, প্ৰেছপাৰ একাৰ্ট (J.Pressper Eekert) আৰু জন মৌকলী (John Mouckly) এই দুজনে 'এনিয়াক-ENIAC (Electronic Numerical Integrator And Computer) নামৰ কম্পিউটাৰ উদ্ভাৱণ কৰে। তাৰ পিছত ১৯৭১ চনত Intel Corporation নামৰ কোম্পানী এটাই পুণৰ কম্পিউটাৰ এটা আবিস্কাৰ কৰে তাৰ নাম দিছিল 'মাইক্ৰ প্ৰচেছৰছিপ' (Micro Processor Cip) বৰ্তমান সচৰাচৰ ব্যৱহাৰ হোৱা কম্পিউটাৰ বোৰেই এই মাইক্ৰ কম্পিউটাৰ (Micro Computer)। কম্পিউটাৰত বিশেষকৈ বাইনেৰী (Buynari) সংখ্যা পদ্ধতি ব্যৱহাৰ কৰা হয়। আমি ব্যৱহাৰ কৰা সংখ্যা পদ্ধতি বিলাক হল, দশমিক পদ্ধতি '০' ৰ পৰা '৯' লৈকে। কিন্তু বাইনেৰী সংখ্যা পদ্ধতিত মাত্ৰ দুটা সংখ্যা থাকে, '০' আৰু '১'

কম্পিউটাৰত প্ৰধানকৈ দুটা অংশ থাকে—(১) হাৰ্ডওৱেৰ (Hardware) (২) ছফটওৱেৰ(Software) হাউওৱেৰ বুলিলে যান্ত্ৰিক অংশক বুজায়, যাক হাতেৰে চুব পাৰি। হাৰ্ডওৱেৰৰ উপাদান বিলাক ইলেকট্ৰিকেল, ইলেকট্ৰনিক আৰু মেকানিকেলেৰে গঠিত। কম্পিউটাৰৰ যিটো অংশই ডাটা আৰু নিৰ্দ্দেশ সমূহ গ্ৰহণ কৰে তাক Inpute Unit বা Input Device বুলি কোৱা হয়। আৰু যিবিলাক অংশই তথ্য বা ডাটাৰ নিৰ্দ্দেশ সমূহ জমা ৰাখে তাক Memory Unit বুলি কোৱা। আৰু যি অংশত কাম সমূহ কৰা বা Processing কৰা হয় তাক Central Processing Unit সংক্ষেপে C.P.U. বুলি কোৱা হয়। কম্পিউটাৰৰ C.P.U. হৈছে মুখ্য ইউনিট।

**ছফটওৱেৰ (Software)** :- কম্পিউটাৰ যেতিয়া On কৰা হয় মেচিনটোৱে তাৰ হাৰ্ডওৱেৰ সমূহ Memory, Floppy Drive, Hard Disk আৰু কম্পিউটাৰৰ লগত সংযোগ কৰি ৰখা Printer Device সমূহ পৰীক্ষা কৰে। হাৰ্ডওৱেৰ সমূহক কাম কৰাৰ বাবে প্ৰয়োজনীয় নিৰ্দ্দেশ সমূহ দিব লাগে। অকল হাৰ্ডওৱেৰ বা অকল ছফটওৱেৰে কাম কৰিব নোৱাৰে।

**ভাইৰাছ (Virus)** :- কম্পিউটাৰ ভাইৰাছ এটা সৰু প্ৰগেম, ই একাধিক ক্ৰমে নিজকে বৃদ্ধি কৰি তথ্যৰ ব্যৱহাৰ কৰে আৰু এখনৰ পিছত আন এখন ডিস্ক (Disk) লৈ বিস্তাৰিত কৰি তথ্য সমূহ নষ্ট কৰে।

**ইন্টাৰনেট(Internate)** :- ইন্টাৰনেট হৈছে পৃথিৱীৰ সৰ্ব্ববৃহৎ কম্পিউটাৰ নেটৱৰ্ক। এই নেটৱৰ্কত বিভিন্ন দেশৰ সৰু সৰু কম্পিউটাৰবোৰৰ সংযোগ স্থাপন কৰি সৃষ্টি কৰা হৈছে এক বিশ্ব ব্যাপ্ত কম্পিউটাৰ প্ৰক্ৰিয়া। ১৯৬৯ চনত আমেৰিকা যুক্তৰাষ্টৰ প্ৰতিৰক্ষা বিভাগৰ Advance Research Projects Agency (A.R.P.A.)

চাৰিটা কম্পিউটাৰক একেলগে টেলিফোনৰ মাধ্যমত সংযোগ কৰি ARPANET নামৰ এটা সৰু কম্পিউটাৰ নেটৱৰ্ক প্ৰস্তুত কৰে। আৰু ক্ৰমান্বয়ে এই নেটৱৰ্কৰ সম্প্ৰসাৰিতা পৰ্য্যায়ৰ গতি বৃদ্ধি কৰিবলৈ সক্ষম হয়। পিছত ইউৰোপীয় নেটৰ্ৱক বিলাকত ইয়াৰ সংযোগ স্থাপন হয়। আৰু ১৯৮৮ চনত ইয়াৰ দায়িত্ব National Science Foundation (N.S.F.) ৰ ওপৰত অৰ্পন কৰা হয়। N.S.F. ৰ তৎপৰতাত আমেৰিকা বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান বিলাক ARPANET ৰ সৈতে সংযোগ কৰা হয় আৰু ১৯৮০ চনৰ পৰাই এই নেটৱৰ্কটোক ইন্টাৰনেট (Internate) হিচাবে গণ্য কৰা হয়। ইন্টাৰনেটৰ আটাইতকৈ শক্তিশালী উপাদান তথা শেহতীয়া সংযোজন হৈছে w.w.w. (World Wide Web)।


বৰ্তমান বিশ্বৰ সকলো দেশেই 'ইন্টাৰনেটৰ' সুবিধা গ্ৰহণ কৰিছে। নেটৱৰ্কটোত বৰ্তমান কিমান সংখ্যক কম্পিউটাৰ সংযোগ হৈ আছে তাক সঠিক কৈ কোৱা টান। চৰকাৰী শিক্ষানুষ্ঠান, প্ৰতিষ্ঠান, বেচৰকাৰী শিক্ষানুষ্ঠান, প্ৰতিষ্ঠান, বিত্তীয় প্ৰতিষ্ঠান, উদ্যোগ তথা অন্যান্য বিভাগেও ইন্টাৰনেটৰ সংযোগ লাভ কৰিবলৈ সক্ষম হৈছে।

ইন্টাৰনেটৰ জৰিয়তে দেশী, বিদেশী, টেলিভিছন প্ৰচাৰণ কেন্দ্ৰ, বাতৰি কাকত, আলোচনী, চিনেমা তথা বিভিন্ন দেশৰ খেল ধেমালি, আৰ্টগেলাৰি ইত্যাদি উপভোগ কৰিব পাৰি। I.R.C. (Internate Relay Chat) যোগে প্ৰতিদিনেই বিশ্বৰ বিভিন্ন ঠাইৰ লোকৰ সৈতে চিনাকি হোৱা বন্ধুত্ব স্থাপন কৰাৰ সুযোগ পোৱা যায়। ইয়াৰ উপৰিও নেটৰ্ৱক বিলাকৰ জৰিয়তে বহু যুৱক যুৱতী প্ৰেমত পৰিছে আৰু বিবাহ পাশত আবদ্ধ হোৱা দেখা যায়। ইন্টাৰনেটৰ ভাল গুণৰ লগতে বেয়া গুণো আছে। কিছুমান নেটৰ্ৱকত যৌ গন্ধী, পৰ্ণ গ্ৰাফী আলোচনী দেখা পোৱা যায় আৰু ই দ্ৰুত গতিত বৃদ্ধি পাবও ধৰিছে। ইন্টাৰনেটৰ আন এটা সমশ্যা হৈছে কিছুমান ব্যক্তিয়ে অন্য ব্যক্তিৰ কম্পিউটাৰ ব্যৱহাৰ কৰি তথ্য সমূহ তৃতীয় ব্যক্তিক সবিশেষ জনাই বা বিক্ৰী কৰি দিব পাৰে। এই ক্ষেত্ৰত pass word ব্যৱহাৰ কৰা নিতান্ত্যই প্ৰয়োজন। কিছুমান লোকে আকৌ নেটৱৰ্কত কম্পিউটাৰ ভাইৰাছ (virus) প্ৰেৰণ কৰি হাজাৰ হাজাৰ কম্পিউটাৰৰ তথ্যপাতি, ডাটা ধ্বংশ কৰি দিব পাৰে।

**E.mail( Electronic Mail) :-** ইন্টাৰনেটত সংযোগ থকা যি কোনো লোকৰ সৈতে ব্যক্তি গত চিঠিপত্ৰ আদান প্ৰদান কৰিব পাৰি। এই ক্ষেত্ৰত ই মেইল (E.mail) ত এটা ঠিকনা থাকে। Usenet ত প্ৰেৰণ কৰা চিঠি বা মেছেজ নেটৰ্ৱকত সংযোগ থকা সকলো লোকেই পঢ়িবলৈ পাব।


*With Best Compliments From :*

**M/S AMRIT AUTOMOBILES.**
AUTHORISHED SUB-DEALER
HERO HONDA MOTOR'S LTD.
**SANJAY SHAMSUKHA**
Phone No: 55607



**M/S BIKASH AUTO AGENCY**
AUTHORISHED SUB-DEALER LML LTD.
**HANS SHAMSUKHA**
Phone No: 54327

**N.T. Road, (Near H.S. School), Kharupetia.**






# শিক্ষাৰ জ্ঞান


মঃ মুক্তাৰ হুছেইন
স্নাতক তৃতীয় বৰ্ষ,খাঃ মঃ।


জ্ঞানী লওঁ চেষ্টাৰফিল্ডে তেওঁৰ পুতেকক উপদেশ দিয়াৰ ছলেৰে লিখি গৈছে —ডেকা কালতে জ্ঞানৰ ভৰালটি গপ গপীয়াকৈ বান্ধি লবা। যদি নানা তৰহৰ আমোদ প্ৰমোদত লিপ্ত থাকোতে ডেকা কালত তেনে সজ কাজলৈ সময়ৰ নাটনি পৰে, তেন্তে এনে সময় আহিব যেতিয়া তোমাৰ সংসাৰ যাত্ৰাত নিজে ঠাৰৱিবলৈ জ্ঞানৰ আৱশ্যক হব।

মানুহক ঈশ্বৰে দুটা চকু আৰু এখন জিভা দিছে যাতে তেওঁলোকে এবাৰ কথা কোৱাৰ আগেয়ে দুৱাৰ চাব পাৰে। কিন্তু তেওঁলোকৰ চলন-ফুৰণৰ পৰা তেওঁলোকৰ দুখন জিভা আৰু এটা চকু থকা যেনহে লাগে। কিয়নো যি নিচেই কম দেখিছে, শুনিছে তেৱেঁই সকলোতকৈ বেছি অভিজ্ঞতাৰ টোপোলা মেলে, আৰু অসাৰ কোৱাভাতুৰীয়া কথাৰে সংসাৰৰ অজ্ঞ মানুহ বিলাকক নথৈ বিৰক্তি দিয়ে।

যেতিয়া তোমাৰ একো কবলৈ নাই নকবা। দুৰ্বলতাৰে আত্মৰক্ষা কৰিবলৈ যোৱা মানে শত্ৰুক লাই দিয়া, আৰু বেয়া বা অসঙ্গত উত্তৰ দিয়াত কৈ মনে মনে থকাও শতগুণে ভাল।

লউ একটনে কৈছে —বুৰঞ্জী পঢ়ি কিতাপ পুথি নিলিখিলেও আমাৰ উদ্দেশ্য সাধন হয়, যদি সেই বুৰঞ্জীৰ পাঠে আমাক জ্ঞানী কৰে, আৰু বুৰঞ্জী শিকাতকৈ বেছি কাৰ্য্যকৰী আৰু লাগতিয়াল বুৰঞ্জী বিষয়ক চিন্তাৰ শক্তি দিয়ে।

তেওঁ আন এঠাইত কৈছে পঢ়ি যিমান শিক্ষা পোৱা লিখিও সিমানখিনি শিকিবলৈ চেষ্টা কৰিবা। অকল ভাল পুথি পঢ়িয়েই সন্তুষ্ট নহ'বা, সকলোৰে পৰা অলপ নহয় অলপ শিকিবলৈ চেষ্টা কৰিবা।

লৰ্ড এভাৰবেৰীয়ে কয়— জ্ঞানতকৈও বেছি লাগতিয়াল জ্ঞানৰ প্ৰতি প্ৰেম জন্মোৱাহে শিক্ষাৰ প্ৰথম উদ্দেশ্য হব লাগে। ছাত্ৰ বিলাকক পৰ্যবেক্ষণ আৰু চিন্তা কৰিবলৈ শিকাব লাগে। কাৰণ, তাৰে তেওঁবিলাকক আজৰীয়া সময় উপভোগ কৰিবলৈ এটা বাট উলিয়াই দিয়া হয়।

আমি ল'ৰা বিলাকক সৰুৰে পৰা এনেকৈ শিক্ষা দিবলৈ চেষ্টা কৰিব লাগে যাতে তেওঁবিলাকে জীৱনৰ প্ৰত্যেক পথত বাট বুলোতে জ্ঞান প্ৰেমৰ আমোদ উপভোগ কৰিব পাৰে।

জ্ঞানীক পণ্ডিত ইমাৰচনে কয়, আমি সকলোৱেই জ্ঞানী। মানুহৰ ইজন সিজনৰ ভিতৰত পাৰ্থক্য জ্ঞানত নহয়, জ্ঞানেৰে কাম কৰা কৌশলত, প্ৰণালীত।

জাৰ্মানিৰ বিখ্যাত পণ্ডিত গেটিয়ে লিখিছে, এনে মানুহ পৃথিৱীত নাই যাৰ জীৱনৰ পৰা জ্ঞানীলোকে অলপ নহয় অলপ শিকিব নোৱাৰে।

'জগতখনেই প্ৰত্যেক লোকৰ শিক্ষাৰ থলী। জ্ঞানী ইমাৰচনৰ এইযাৰ অতি সাৰ সৰ্ভ কথা সকলো শিক্ষাৰ্থীয়ে মনত ৰাখি চলা উচিত।

আজিকালি শিক্ষাৰ উদ্দেশ্য সকলোৰে অলপ অলপ শিক্ষা দিয়া, Jack of all trades master of none বুলি যি কথাযাৰ কথ আছে তাৰ সাৰ্থকতা আজিকালিৰ শিক্ষাই কৰিব খোজে। কিন্তু তাৰ পৰা আমাৰ কোনো মহৎ উদ্দেশ্য সিদ্ধি নহয়। বৰং আধা ডোখৰীয়া শিক্ষাই কেতিয়াবা আমাক বিপদতহে পেলায়, কাৰণ 'অল্প বিদ্যা ভয়ঙ্কৰী' কথাযাৰো সম্পূৰ্ন সচাঁ। সেইদেখি চিডনি স্মিথৰ উপদেশ, প্ৰত্যেক বিষয় পৰিপাটিকৈ নজনাৰ পৰা যি বিপৰ্যয় ঘটে তাৰ হাত সাৰিবৰ অৰ্থ বহু বিষয়ৰ সোৱাদ নোলোৱাকৈ থাকিবলৈ মানুহৰ সাহ হব লাগে।

যি কোনো দুই এক বিষয় যি পৰা যায় খৰচিমাৰি শিকিব লাগে আৰু তাৰ বাবে যদি আন সকলো বিষয়তে যধামুৰ্খ হৈ থাকিব লাগে, তাকো কৰিবলৈ মনত বল থকা উচিত।

এদামচে কয়, জ্ঞান পিপাসাই অৰ্থ স্পৃহাৰ দৰে মানুহৰ অন্তৰত লুকাই থকা মানসিক বৃত্তিবোৰক জাগৰিত কৰি দিয়ে আৰু মানুহক তেজস্বী আুৰ উদ্যমশীল কৰে।


আমাৰ এযাৰ কথা আছে, এক শিকে লিখি আৰু এক শিকে দেখি, আৰু এক শিক্ষা আছে যাক শিকে ঠেকি।

জ্ঞানী টচ চাহাবে কয় মানুহৰ প্ৰকৃতি অধ্যায়ন শিক্ষাৰ এটা প্ৰধান অংগ। শিক্ষাৰ উদ্দেশ্য হৈছে মনৰ সকলো অঙ্গৰ উৎকৰ্য সাধন কৰা।

তেওঁ আন ঠাইত কৈছে মানুহে প্ৰকৃতই যদি অধ্যয়ন ভাল পায়, জ্ঞান অৰ্জনৰ প্ৰতি যদি একান্ত অনুৰাগ তেওঁৰ থাকে, তেনেহলে উৎকট নৰিয়া অথবা অসধাৰণ অমঙ্গলৰ বাহিৰে আন একোৱে তেওঁক জ্ঞানচৰ্চা কৰাৰ পৰা অথবা তাৰ অৰ্থে লাগতিয়াল আহিলাপাতিৰ অধিকাৰী হোৱাৰ পৰা বঞ্চিত কৰিব নোৱাৰে।

গভীৰ চিন্তাশীল লেখক বেকনে কয় অধ্যয়নে মানুহক সম্পূৰ্ণ মানুহ কৰে (Reading makes a full man)।


SWASTAYAN BOOK STALL
&
SWASTI PRESS



Main Road, Kharupetia- 784115

All Kinds of School/College Books and varities of Holy Books available here.
Sports Goods, Office Stationery, Printing Jobs etc.


*শিক্ষা এডাল মমবাতিৰ দৰে, যি নিজকে গলি আনক পোহৰ দিয়ে।*

সুভাষ চন্দ্ৰ বসু—

সংগ্ৰাহক ঃ- ফাৰুক আব্দুল্লা স্নাতক ১ম বৰ্ষ।





# ভাৰতীয় নেপালীসকল আৰু তেওঁলোকৰ সংস্কৃতিৰ এটি চমু আভাস

শ্ৰীমতিলাল ছেত্ৰী
স্নাতক প্ৰথম বৰ্ষ(কলা), খাঃমঃ।

ভাৰতীয় সকলৰ লগত নেপালীৰ সম্বন্ধ বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰ আগৰ পৰাই আছিল। মহাপুৰুষ শংকৰদেৱৰ দিনত অসমস্থ নেপালী সকলৰ শৰন দিয়া তথা পিছলৈ সত্ৰাধিকাৰী হোৱা আহোম স্বৰ্গদেউৰ দিনত কনৌজৰ পৰা ব্ৰাহ্মন আনি স্থাপিত কৰোতে কিছু নেপালী ব্ৰাহ্মনৰ আগমন, আনহাতে ১৮১৬ চনৰ বৃটিছৰ লগত সম্পাদিত চুক্তিমৰ্মে নেপালৰ নৈনিতাল, দাৰ্জিলিং, দেহৰাডুন, কুমাওঁ, ভাকচু, চিমলা আদি ভু-খণ্ড ভাৰতৰ অন্তৰভুক্তি আদি ঐতিহাসিক পৃষ্ঠভূমীয়ে অসমৰ নেপালীৰ ইতিহাসৰ ভেটি গঢ়ি তুলিছে। ঠিক সেইদৰে ইতিহাসৰ পৃষ্ঠাবোৰ লুটিয়ালে গম পোৱা যায় যে, একালত দক্ষিণ ভাৰতৰ 'নায়াৰ' সম্প্ৰাদায়ৰ কিছুলোক নেপাললৈ প্ৰব্ৰজন কৰি নেপালী জাতিটোৰ অন্যতম এটা সম্প্ৰদায় 'নেয়াৰ' নৃ-গোষ্ঠী গঠন হোৱা বুলি উল্লেখ পোৱা যায়। অৱশ্যে এই প্ৰবন্ধত নেপালী সকলৰ বিভিন্ন সাংস্কৃতিক উপাদান সমূহৰ বিৱৰণ তথা তুলনামূলক চিত্ৰ দাঙিধৰিবলৈহে চেষ্টা কৰা হ'ব।

বৃহত নেপালী জাতি গোষ্ঠীটো প্ৰকৃততে কেইবাটাও উপ-জাতিৰে গঠিত মজৰ, গুৰুং, নেয়াৰ, দমাই, ৰাই, লিম্বু, উপাধ্যায়, শৰ্মা, ছেত্ৰী, সোণাৰ, আদিয়ে প্ৰধান। উপাধ্যায়, শৰ্মা, ছেত্ৰী, দমাই, সোনাৰ, চাৰ্কি আদিৰ বাদে আন উপজাতি সমূহৰ নিজস্ব দোৱান আছে। নেপালী ভাষাটো ইণ্ডোইউৰোপিয়ান বৃহৎ ভাগৰ এটা অংশ, সেয়েহে এই ভাষাত সংস্কৃতৰ প্ৰভাৱ যথেষ্ট। বৰ্ত্তমান অসমত বস-বাস কৰা নেপালী সকলৰ ভাষাত অসমীয়া ভাষাৰ প্ৰভাৱ লক্ষণীয়। আনহাতে মগৰ, গুৰুং, নেয়াৰ আদি সকলৰ নিজস্ব দোৱান প্ৰায়ে লুপ্তপ্ৰায় অৱস্থাত আছে।

পূৰ্বতে নেপালী সকলৰ ঘাই জীৱিকা গো-পালন আছিল। বৰ্ত্তমান বেছিভাগেই কৃষক। অৱশ্যে তেওঁলোকৰ পাৰম্পৰিক জীৱিকা এতিয়াও দেখা যায়। আধুনিক পদ্ধতিৰ ডায়েৰী ফাৰ্মৰ দ্বাৰা নেপালী সকলে কেৱল ৰাজ্যত গাখীৰৰ চাহিদা পূৰণেই নহয়, আৰ্থিক প্ৰগতিৰ ক্ষেত্ৰত এক বিশেষ অৰিহণাও যোগাইছে বুলি কব পাৰি। সমাজৰ ভিন

ইয়াৰ উপৰিও নেপালী সকলৰ মাজত জাতি-ভেদ, শ্ৰম বিভাজন প্ৰথা এতিয়াও বিদ্যমান। ভিন কাম ভিন ভিন জাতিয়ে সম্পাদন কৰে। উদাহৰণ স্বৰূপে সোণৰ গহঁনা-গাথৰি সজাবলৈ সোণাৰী, দা-কটাৰী আদি লোৰ সজুলি তৈয়াৰ কৰিবলৈ কামি, কাপোৰ চিলাবলৈ দৰ্জি ইত্যাদি। অৱশ্যে বৰ্ত্তমান আধুনিক শিক্ষাৰ প্ৰভাৱত সমাজত প্ৰচলিত জন্মগত ব্যৱসায়ৰ আমূল পৰিবৰ্ত্তন ঘটিছে।

আন আন লোকৰ দৰে নেপালী সকলৰ প্ৰধান বা প্ৰিয় খাদ্য হ'ল ভাত। তেওঁ লোকৰ মাজত ৰুটিৰ প্ৰচলন হোৱা দেখা যায়। বিশেষকৈ পূজা পৰৱত পিঠাগুৰিৰে তৈয়াৰী "চিয়াল" ৰুটি বা ঘুমাউনে ৰুটি, জেলেপী আকাৰৰ ৰুটি তেওঁলোকে নিজে ব্যৱহাৰ কৰে আৰু আলহী-অতিথিক আগবঢ়ায়। তেওঁ লোকৰ আন এবিধ খাদ্য হৈছে 'গুন্দ্ৰক' লই, মূলা অথবা তেনে কেঁচা পাত জাতীয় উদ্ভিদক প্ৰথমতে ৰ'দত শুকুৱাই লয় তাৰ পাছত কাটি সৰু সৰু টুকুৰালৈ পৰিণত কৰে অথবা ঢেঁকীত খুন্দে। এইখিনি কাম শেষ হলে তাক মাটিত ধূলি-বালি পৰিব নোৱাৰকৈ চুঙাত ভৰাই সযত্নে পুতি থয়। এসপ্তাহ বা দহদিন মানৰ পাছত শাকখিনি মাটিৰ তলৰ পৰা চুঙা জাতীয় বস্তুটোৰ পৰা বাহিৰত উলিয়ায়। এই ধৰণে তেওঁলোকে খাদ্য সংৰক্ষণ কৰে।

নেপালী সকলৰ মাজত বিয়াৰ প্ৰচলন বেছি। লৰা পক্ষই ছোৱালী পক্ষৰ ওচৰলৈ গৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। বিয়াৰ প্ৰস্তাৱ আগবঢ়াবলৈ যোৱা ব্যক্তি সকলক কন্যাৰ্থী বোলা হয়। ছোৱালী পক্ষই প্ৰস্তাৱ গ্ৰহণ কৰিলে ব্ৰাহ্মণৰ (জ্যোতিষি)ৰ সহায়ত বিয়াৰ দিন ধাৰ্য্য কৰা হয়। অৱশ্যে ইয়াৰ পিছত পুনৰ ল'ৰা পক্ষৰ পৰা

এটা শুভদিন ধাৰ্য্য কৰি লৈ বিভিন্ন ধৰণৰ মিঠাই, দৈ ফল-মূল, আদি ছোৱালী পক্ষক আগবঢ়ায়। এই কামটোক "পত্ৰল গাওনু" বোলা হয়। বস্তুখিনি ছোৱালী পক্ষই গ্ৰহণ কৰি তেওঁলোকৰ সিদ্ধান্ত চূড়ান্ত সিদ্ধান্ত বুলি প্ৰমাণ কৰি দিয়ে। নিৰ্দিষ্ট দিনত দৰা পক্ষই সম্বন্ধীয় গাঁৱৰ গন্যমান্য ব্যক্তি, বন্ধু বৰ্গৰ সৈতে ছোৱালী ঘৰলৈ যায় আৰু বিয়াত অসমীয়া হিন্দু সকলৰ দৰে হোমযজ্ঞ কৰিয়েই কন্যাদান দিয়ে।

পূৰ্ব্বতে নেপালী সকলৰ থকা ঘৰ বিলাক প্ৰায়েই টুপলগা চাং ঘৰেই আছিল। চাং ঘৰক তেওঁলোকে 'টাৰে ঘৰ' বোলে। নেপালী সকলৰ পুৰুষ সকলে দৌৱা চুৰুৱাল চোলা, পাই জামা, পিন্ধে। মুৰত "ঢাকা টুপী" নামৰ এবিধ দীঘলীয়া টুপী পৰিধান কৰে। গলবন্ধী নামৰ এবিধ মাফলাৰ ডিঙিত মেৰিয়ায়। তিৰোতা সকলে চৌ-বন্ধী চ'ল (চাৰি ঠাইত বান্ধ থকা চোলা), গুণীত নামৰ এবিধ শাৰী পিন্ধে আৰু ঢাকা চাদৰ নামৰ এবিধ চাদৰ গাত লয়। নেপালী তিৰোতা সকলে গদোৱাৰী, চেপ্তেচোন কণ্ঠ, শিৰবন্দী আৰু মৰোৱাৰী আদি নামৰ অলংকাৰ কাণ আৰু ডিঙিত পিন্ধে। বুলাকী নামৰ এবিধ ফুলিও পিন্ধে। নেপালী সকলৰ নিজস্ব ঠাঁচৰ ঘৰকোলা নামৰ এবিধ টো, খুটি বাঠি নামৰ এবিধ খুড়া লগা বাটি, খুটি গিলাচ আৰু কটোৰা নামৰ নিজস্ব ঠাঁচৰ বাচন আছে।

নেপালী সকলৰ খুকুৰি নামৰ এবিধ নিজস্ব ঠাঁচৰ দা আছে। নেপালী তিৰোতা সকলে ব্যৱহাৰ কৰা ড'ক নামৰ এবিধ হোৰা আছে। এই হোৰাত গাঁৱত বাসকৰা তিৰোতা সকলে কাঠখৰিকে ধৰি অন্যান্য বস্তু আদি ভৰাই কঢ়িয়াই নিয়ে।

নৃত্য, গীত-মাত ঃ- নেপালী সকলৰ নিজস্ব ঠাঁচৰ এটা সমূহীয়া নৃত্য-গীত আছে। এই ঘাই নৃত্য গীতটোৰ নাম 'ঝম্ৰগীত' নাই।

**নেপালী সকলৰ ধৰ্ম্মীয় আৰু অন্যান্য অনুষ্ঠান ঃ-** দশাঁই অথবা দুৰ্গা পুজাৰ সময়ত দশমীৰ দিনাৰ পৰা পূৰ্ণিমালৈকে নেপালীসকলে দৰ্শাই পূজা পালন কৰে। এইপূজাৰ সময়ত বিভিন্ন ঠাইৰ পৰা আত্মীয় স্বজনৰ সমাগম ঘটে। মানীজনে তেওঁৰ ওচৰলৈ অহা সকলক দৈ আৰু চাউল মিহলাই কপালত ফোঁট বা টিকা দি আশীৰ্বাদ দিয়াৰ লগতে টকা-পইচা আদিৰে পুৰস্কৃত কৰে। দেৱালীৰ ভাতৃ দ্বিত্বীয়াৰ দিনা বংশৰ ভাই-ককায়েকৰ ভিতৰত 'ভাই টিকা' দিয়াৰ নিয়ম। এই উৎসৱত ককায়েকে বাই-ভনীয়েকৰ পৰা 'ভাইটিকা' গ্ৰহণ কৰে। এই ভাই টিকা হ'ল চন্দন আৰু সেন্দুৰৰ ফোট। ভাই টিকা গ্ৰহণ কৰোঁতা সকলে ইয়াৰ পৰিবৰ্তে টকা-পইচা, সাজ-পোছাক আদি দিব লাগে। ভাই টিকা বায়েক-ভনীয়েকৰ বাহিৰে পেহীয়েকেও দিব পাৰে।

**মাঘ পূৰ্ণিমা পালন ঃ-** মাঘী পূৰ্ণিমাত নেপালী সকলেও অসমীয়া হিন্দু সকলৰ দৰে মেজি জ্বলায়। সেইদিনা পুৱাতে গা ধুই, আলু, পিঠা আদিও খায়। নেপালী সকলে নিজস্ব ভাষাত নাম কীৰ্ত্তনো গায়। নেপালী সকলৰ ভাষা মূলতে সংস্কৃত যেনেই লাগে। সৰহ ভাগ শব্দৰে সংস্কৃত শব্দৰ লগত সাদৃশ্য আছে। অৱশ্যে বৰ্ত্তমানে অন্যান্য ভাষাৰ শব্দও নেপালী ভাষাত প্ৰৱেশ নকৰা কৈ থকা নাই। নেপালী ভাষাৰ যোজনাৰ কেইটিমান নমুনা—

(ক) ছগোড়া ছ য় মেৰা, ছিনাগেড়া ছবৈ তেৰা।।

অৰ্থ ঃ- ধন হলে সকলোবোৰ মোৰ, ধন নহলে সকলোবোৰ তোৰ।

(খ) নাছনো জান্দেনা, আঙ্গন টেৰা।

অৰ্থ ঃ- নাচিব নাজানে চোতালখন বেঁকা।

(গ) যো গৰু শিং ছাইনা। কেই গৰুক নাম ঠিথে।"

অৰ্থ ঃ- যি গৰুৰ শিং নাই সেই গৰুৱে নিজকে জোঙা শিঙিয়া বুলি ভাবে।

নেপালী সকল অতী সাহীয়াল অথচ ভদ্ৰ আৰু নম্ৰ। এওঁলোকে যি দেশতে নাথাকক লাগে, সেই দেশ খনকে আপোন জ্ঞান কৰি সেই দেশৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে কাম কৰে।

নেপালী সকলে নিজৰ সমাজৰ মাজতো পৰস্পৰে পৰস্পৰক সহায় কৰিবলৈ সদায় সাজু হৈ থাকে। ইতিহাস চেতনাই প্ৰমাণ কৰিছে, নেপালী অসমৰ এক খিলঞ্জীয়া জাতি, এই বাবেই সমন্বয়ৰ ক্ষেত্ৰতো ইয়াৰ এক ইতিবাচক ভূমিকা গ্ৰহণ কৰিবলগীয়া আছে। ●

**কৰ্মই আমাক তিনিটা বৃহৎ অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা কৰে ক্লান্তি, কু-অভ্যাস আৰু অভাৱ**

—ভল্টেয়াৰ

সংগ্ৰাহক ঃ- মঃ ইলিয়াছ আলী স্নাতক ২য় বৰ্ষ।





# মৰম

মঃ নবী হুছেইন
উঃ মাঃ দ্বিতীয় বৰ্ষ (বাঃশাঃ), খাঃ মঃ

মৰম পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা য'ত লাগি থাকে সুবাস। এই স্বৰ্গীয় অনাবিল অনুভূতি এই মৰম য'ত থাকে সৃষ্টিৰ সঁফুৰা, আবেগ সনা মনোৰম সুকোমল এই মৰম, এক গভীৰ অবুজ আমেজ। ইমান মিঠা! কি সংজ্ঞা দিম মৰমৰ! ইযে সংজ্ঞাহীন। প্ৰতিজন মানুহৰ বাবে, প্ৰতিটো প্ৰাণীৰ বাবে প্ৰয়োজন অথচ ইয়াক বুজাৰ পৰা এনে কোনো ভাষা নাই; যিয়ে প্ৰকাশ কৰিব ইয়াৰ অৰ্থ উপলব্ধি। মাথোঁ তিনিটা আখৰৰ এটা শব্দ 'মৰম'। মানবীয়তা, ত্যাগ, আশ্ৰয়, বিশ্বাস, প্ৰেৰণা, উৎসাহ, সাহস, সকলোবোৰ জড়িত এই মৰমৰ লগত। ইমান গভীৰ। ইমান বিশাল! মৰমৰ মায়া- জালত সকলো বন্দী, মৰম হীন জীৱন কল্পনাতীত।

মৰমৰ পৰা বঞ্চিত ব্যক্তিৰ জীৱন আধৰুৱা। মৰম শব্দটিৰ উচ্চাৰণৰ লগে লগে এবাৰলৈও অভিভূত হোৱা নাই যাৰ হৃদয়ত এবাৰো মৰমৰ সু-কোমল অনুভূতিৰ জাগৰণ উঠা নাই, তেওঁৰ বাবে দানৱতকৈয়ো অতিশয় নিষ্ঠুৰতম শব্দ ব্যৱহাৰ কৰিব লাগিব।

তেওঁতকৈ নিকৃষ্ট প্ৰাণী পৃথিৱীত দ্বিতীয় জন নাই। মৰম বৰ পৱিত্ৰ। ইয়াৰ ওচৰত সকলোৱে নতশিৰ হবলগীয়া হয়। মৰমে হৃদয়ত ভালপোৱা জন্মায়। প্ৰথম চকু মেলিয়েই মৰমৰ যি সনাতনী স্পৰ্শ অনুভৱ কৰা যায়। গোটেই জীৱন উজাৰি দিলেও সেয়া শেষ হৈ নাযায়।

শৈশৱৰ মৰম সনা মুহূৰ্ত্তবোৰ সেয়ে প্ৰত্যেকৰে মানসপটত সজীৱ হৈ থাকে। মমতাৰ শীতল আশ্ৰয়ত জিৰণি লবলৈ প্ৰত্যেকৰে মনত তৃষ্ণা জাগে।

মৰমীয়াল শিশু এটিৰ কণমাণি হৃদয়ত সৰলতাই পিতৃ-মাতৃৰ উপৰিও পৰিয়ালৰ আটাইকে একেডাল মৰমৰ এনাজৰীৰে বান্ধি পেলায়। ঘৰৰ প্ৰতিজন সদস্যই মৰমৰে তাৰ যত্ন লয়। সকলোৰ ওচৰত সিহঁতে বিচাৰে এধানিমান মৰমৰ আশ্ৰয়। থুনুক থানাক সৰল মৰমসনা কথাৰে ঘৰলৈ কঢ়িয়াই আনে আনন্দ। পৰিয়ালৰ সকলোৰে পৰা পোৱা গভীৰ মৰমে শিশুৰ ভৱিষ্যত মহান কৰে। মাকৰ পৰা পোৱা চেনেহ-আদৰ, নিভাজ সৰল ভাল পোৱাৰ অনুভূতিয়ে জীৱনলৈ সফলতা মধুৰতা আনি দিয়ে। সেইবাবে বিশ্ব বিশ্ৰুত ব্যক্তি চিগমাগু ফ্ৰয়েদে কৈছিল ঃ

*"A man who has been the undisputed favourite of his mother all his life has the feeling of a conquerer and has such confidence of sucess that actual success is often induced by it"* অৰ্থাৎ নিজৰ মাতৃৰ পৰা গোটেই জীৱনজুৰি নিৰ্বিৰোধ স্নেহ লাভ কৰি অহা ব্যক্তি এজনে নিজকে এজন বিজেতাৰ দৰে অনুভৱ কৰে আৰু সফলতা লাভৰ এনে প্ৰত্যয় ভাৱে তেওঁৰ মনত ঠাই পায় যে ইয়েই স্বৰূপাৰ্থত তেওঁৰ প্ৰকৃত সফলতা লাভত প্ৰবৃত্ত কৰায়। মাতৃৰ মমতাই মৰমৰ হৃদয়স্পশী কৈ উপলব্ধি কৰিবলৈ শিকায়। মমতাই হৃদয়ত জাগৃত কৰে, প্ৰেম কিম্বা স্বদেশ প্ৰেমৰ।

সময় যোৱাৰ লগে লগে সোমাই পৰে মৰমৰ গভীৰতাত। ইয়াৰ আবেষ্টনীত এনেভাৱে বেষ্টিত হৈ পৰে যাৰ অবিহনে জীৱনৰ সকলো নিশেষ হোৱাৰ উপক্ৰম হয়।

বহুত কিবা কিবি থাকে মৰমৰ মাজত। জীৱন যুঁজত বাৰে বাৰে হেৰাই খোজা মানুহৰ বাবে মৰমেই হব পাৰে বাৰে বাৰে পলে-পলে অনুপ্ৰেৰণা আৰু উৎসাহৰ থলি। স্বাভাৱিক অনুভূতি বা সৌন্দৰ্য্যৰ বাবে কাৰোবাৰ প্ৰতি কেতিয়াবা ভাল লগা উপজে। জীৱনক গভীৰৰ পৰা গভীৰতালৈ নিয়া গভীৰ প্ৰেমৰ মাজত কোনো স্বাৰ্থ জড়িত হৈ নাথাকে। হৃদয়ৰ গভীৰ কোণৰ পৰা উপজা এনে মৰম বৰ দুৰ্লভ। মৰমে সদায় আকুলতাৰে মৰম বিচাৰি ফুৰে। একেলগে বহুতক মৰম দিব পাৰি। এনে পাৰাপাৰহীন মৰমৰ মাজতো হৃদয়ৰ তাগিদাও কম বেছি হয়। তীব্ৰভাৱে সংবেদনশীল হয় মন বিবেক। কাৰোবাৰ প্ৰতি আগ্ৰহ বাঢ়ি যোৱাৰ লগে লগে মৰমও বাঢ়ি যাব। সময়ত নিজে নিজে প্ৰকাশ পায়। এইদৰে অজানিতে কাৰোবাৰ প্ৰতি অন্তৰৰ গভীৰতম কোণৰ পৰা স্বতঃস্ফূৰ্ত ভাৱে নিগৰি ওলাই অহা অনাবিল মৰমৰ কোমল অনুভূতিৰে অন্য এক নাম প্ৰেম। কথাতকৈ মৌনতাই মানুহৰ মৰমক অধিক দৃঢ়তাৰে প্ৰকাশ কৰে। মৌনতাৰ অন্তৰালত থাকে দুখন হৃদয়ৰ আন্তৰিক কথা ভাষা আৰু ই এটা সময়ত গভীৰ শ্ৰদ্ধা ভক্তি আনি দিয়ে। বিশ্বাস শ্ৰদ্ধা সততা আন্তৰিকতা

জড়িত হৈ থকা আবেদনশীল গভীৰ মৰমেই প্ৰকৃত প্ৰেম। অনাবিল মৰমৰ অনুভূতি, বিশ্বাস জড়িত আন্তৰিকতা, সততা মিহলি শ্ৰদ্ধাই মানুহক দায়িত্বশীল, কৰ্তব্য পৰায়ন, আদৰ্শবান কৰি গঢ়ি তোলে। পাৰিবনে কোনোবাই মৰমৰ আবেদনক উপেক্ষা কৰিবলৈ? পাৰিবনে ক'ব বহুজনৰ মৰম পায়ো, বিশেষ জনৰ মৰম বিচাৰি উদ্বাউল হোৱাৰ কাৰণ? হয়তো উত্তৰ এটাই ওলাব মৰম জীৱনৰ সঞ্জীৱনী। ডেকাবুঢ়া সকলোৱে হৃদয়ৰ পৰা নিসৃত মৰমে আনৰ মৰম বিচাৰি যায়। সেইবাবে গায়কে গায়

" সাগৰৰ দৰে গভীৰ তুমি অনা মৰমকলৈ আছো জীয়াই।"

এই মৰম সুগভীৰ সাগৰৰ দৰে যিয়ে হতাশাৰ সময়ত শান্তনা দিয়ে। মৃত্যু মুখীক জীয়াই ৰাখে।

এগৰাকী মমতাময়ী মাতৃ আৰু স্নেহসনা হৃদয়ৰ পিতৃৰ বিনিময়ত কোনোবাই আনকিবা বিচাৰিবনে? মৰম হৃদয়ৰ আবেদন। ই মানুহক বিশ্বমুখী কৰে। উন্নতিৰ পথত আগুৱাই নিয়ে। তেওঁলোকৰ হৃদয়ত নিভাজ মৰমৰ মাজত বিশ্বজনীন আদৰ্শ প্ৰস্ফুটিত হয়। তেওঁলোকৰ চৰিত্ৰ স্বভাৱত ফুটি ওলায়। সেই একে দৰে টেৰিজাৰ হৃদয়ত এ সাগৰ মৰম মিশ্ৰিত হৈ আছিল। তেনে ব্যক্তিয়ে সদায় মৰমীয়াল আৰু মোহময়ী হৈ ধৰাদিয়ে আমাৰ চকুত। সেয়ে সকলোলৈ মোৰ মৰমৰ আবেদন। মৰমৰে আমিনো এখন মৰমীয়াল ধৰা নগঢ়ো কিয়? য'ত প্ৰতিটো ধূলি কণাতে মৰম মিহলি হৈ থাকিব! হাতত হিংসা প্ৰতিহিংসাৰ দাবানল তুলি লোৱাৰ আগতে এবাৰলৈ সেই মৰমৰ কথানো নাভাৱো কিয়? যাৰ মোহময়ী যাদু পৰশত তন্দ্ৰাচ্ছন্নহৈ পৰে শত্ৰুৰ মনবিবেক। এবাৰ ভাৱি চাওঁচোন যান্ত্ৰিক যুগত অলপ সহনশীল হৈ মৰমৰ বেহা পাতিবলৈ। যান্ত্ৰিকতাৰ প্ৰকোপত কোনেওঁ যে কাকো নুবুজে। মৰমৰ ওপৰত যেন অস্ত্ৰোপ্ৰচাৰ চলাব আধুনিক মানৱে।

পৰস্পৰৰ মাজত মৰম-প্ৰীতিৰ কোনো মূল্য নোহোৱা হৈছে। পাহৰি গৈছে সেই প্ৰেমৰ কথা যি প্ৰেম আছিল ডঃ ছেমুৱেল হেনিমেন আৰু মিডিমোৱাচিলি মেৰি মিলানি ডি হুৰ্বি ডেলিৰ মাজত।

যি প্ৰেম সৰ্বকাললৈ মানৱ কল্যাণৰ উৎস। সেই প্ৰেম মানৱতাৰ আজি অতি প্ৰয়োজনহৈ পৰিছে। নহ'লে যে মানুহ আৰু পশুৰ মাজত কোনো পাৰ্থক্য নাথাকিব। বিশ্বৰ প্ৰতিগৰাকী ব্যক্তিৰ হাড়ে-হিমজুৱে মৰম নিহিত হওঁক! আহক গংগা যমুনাৰ পৱিত্ৰ ধাৰাৰ দৰে পৱিত্ৰ মৰমৰ জাহ্নবীৰে হৃদয় পখালি পেলাওঁ! মানুহৰ জীৱন সংগ্ৰামৰ থলি। এইৰণ ক্ষেত্ৰত জীয়াই থাকিবলৈ মৰমৰ অতি প্ৰয়োজন। মৰমৰ শীতলতাত প্ৰশান্তিৰে আশ্ৰয় লৈ সেয়ে ডঃ হাজৰিকাৰ দৰে কওঁ ঃ

।। আকাশী গঙ্গা বিচৰা নাই  
নাই বিচৰা স্বৰ্ণ অলংকাৰ,  
নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত  
বিচাৰোঁ মৰমৰ মাত এযাৰ।।

"নিয়ন্ত্ৰিত বজাৰ ব্যৱস্থা"

ইয়াত পাৰ

১) উৎপাদিত বিক্ৰিযোগ্য দ্ৰব্যৰ গুণ গত মান নিৰ্নয়ন।

২) নিলামৰ যোগেদি মূল্য নিধাৰণ।

৩) মেট্ৰিক পদ্ধতিৰ সঠিক ওজন আৰু জোখ মাখ ব্যৱস্থা ইত্যাদি।

ৰাইজৰ আৰ্থ-সামাজিক উন্নয়ণ সুদৃঢ় কৰাই আমাৰ একমাত্ৰ লক্ষ্য।

খাৰুপেটীয়া নিয়ন্ত্ৰিত বজাৰ সমিতিৰ দ্বাৰা প্ৰচাৰিত





# অসমীয়া ভাষাত আৰবী-ফাৰ্চী শব্দৰ প্ৰৱেশ আৰু প্ৰয়োগ

এন, জামান, এম. এ. বি এড  
মূৰব্বী প্ৰবক্তা আৰবী বিভাগ, খাঃ মঃ।

ভাষা সংস্কৃতিৰ এটা অংগ। অসমখন নানা ভাষা বিচিত্ৰতাৰ দেশ। প্ৰাচীন কালৰে পৰা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল অৰ্থ্যাৎ ভৌগোলিক অসমত বিভিন্ন নৃ-গোষ্ঠীৰ মাজত প্ৰচলিত ভিন ভিন ভাষা উপভাষাই অপূৰ্ব সমন্বয় আৰু সমাহাৰৰ স্বাক্ষৰ বহন কৰি আহিছে। এই সমন্বয়ৰ ফলত কেন্দ্ৰীয় ভাষা অসমীয়াই বিচিত্ৰতা আৰু সাৰ্বজনীনতা লাভ কৰিছে। সময়ে সময়ে বিভিন্ন কাৰণত অসমীয়া ভাষাৰ ওপৰত অন্য ভাষাৰ প্ৰভাৱ পৰিছে। এনে প্ৰক্ৰিয়াৰ ফলত অসমীয়া শব্দ-ভাণ্ডাৰ চহকী হৈছে। কিন্তু এই নিবন্ধৰ বিষয়বস্তু " অসমীয়া ভাষাত আৰবী-ফাৰ্চী ভাষাৰ প্ৰৱেশ আৰু প্ৰয়োগ" হোৱা হেতুকে আমাৰ আলোচনা এই ক্ষেত্ৰতেই সীমাবদ্ধ থাকিব।

অসমীয়া ভাষাত আৰবী-ফাৰ্চী ভাষাৰ গুৰুত্বপূৰ্ণ অবদান এটা মন কৰিবলগীয়া বিষয়। ভাষা গবেষকসকলৰ মতে অসমীয়া ভাষাত প্ৰায় দুই হাজাৰতকৈও অধিক আৰবী ফাৰ্চী শব্দ সোমাই আছে। ইয়াৰ সম্ভাব্য মূল কাৰণসমূহ লক্ষ্য কৰিলে দেখা যায় ঃ (ক) মুছলমানসকলৰ জনসংখ্যা বৃদ্ধি (খ) উত্তৰ ভাৰতৰ পৰা অসমলৈ অহা পৰিব্ৰাজক, চুফী সাধক আদি (গ) অসমৰ ৰজা আৰু মুছলিম সম্ৰাট সকলৰ মাজত হোৱা যুদ্ধ আৰু কূটনৈতিক সম্বন্ধ (ঘ) অসমীয়া মুছলমান সকলৰ মাজত প্ৰচলিত জিকিৰ আৰু জাৰীৰ দৰে ধৰ্মীয় গীত (ঙ) আহোম ৰাজত্বৰ শেষৰ পিনে মুছলমান ৰজাসকলৰ লগত চলা সাংস্কৃতিক বিনিময় আদিয়েই উল্লেখযোগ্য। খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগৰে পৰা অসমলৈ মুছলমান লোক অহাৰ কথা বুৰঞ্জীৰ তথ্যৰ পৰা জানিব পৰা যায়। এই সময়ছোৱাৰ কবি হেমস্বৰস্বতীয়ে তেওঁৰ প্ৰহ্লাদ চৰিত গ্ৰন্থত "নাফৰ" শব্দৰ ব্যৱহাৰ আৰু চতুৰ্দশ শতিকাত মাধৱ-কন্দলিৰ ৰামায়ণত বাদাল, দোকান, বজাৰ, হাজাৰ আদি শব্দৰ ব্যৱহাৰ দেখা যায়। তদুপৰি মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে তেওঁলোকৰ বৰগীতত মুলুক, জিঞ্জিৰ, দেৱান, তালাপ, ফৰমান আদি শব্দ প্ৰয়োগ কৰিছে। কিন্তু আহোম-মোগলৰ ৰাজনৈতিক সম্বন্ধৰ পাছতহে উক্ত শব্দ প্ৰবাহ বৃদ্ধি পায়।

খৃষ্টীয় ষষ্ঠদশ শতিকালৈ অসমত মুছলমান জনসংখ্যা তেনেই কম আছিল কিন্তু ই লাহে লাহে বৃদ্ধি পাবলৈ ধৰে। ১৬৬২ চনত মিৰজুমলাই অসম আক্ৰমণ কৰাৰ সময়ত তেওঁৰ লগত অহা বুৰঞ্জীবিদ চিহাবুদ্দিন তালিছৰ মতে, অসমত তেওঁ লগপোৱা মুছলমানসকল অভ্যাস আচৰণৰ ক্ষেত্ৰত নামতহে মুছলমান হৈ আছিল, দৰাচলতে তেওঁলোক অসমীয়া হৈ গৈছিল আৰু অসমীয়া সকলক বাহিৰৰ মুছলমানতকৈ বেছি ভাল পাইছিল। আনহাতে থলুৱা লোকৰ লগত তেওঁলোকৰ সংসৰ্গ ফলত বহুতো আৰবী ফাৰ্চী শব্দ অসমীয়া ভাষাত সোমাই পৰে। ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে, বঙ্গত মোগলসকলে খ্ৰীষ্টীয় ষষ্ঠদশ শতিকাত আধিপত্য লাভ কৰাৰ পিছত বঙ্গৰ বহুতো ৰজাই গৌড় ৰজাৰ আদব-কায়দা নীতি-নিয়ম ৰাজদৰবাৰত প্ৰচলন কৰে কিন্তু কামৰূপৰ ৰজাসকল এই প্ৰভাৱৰ পৰা মুক্ত আছিল। এই সময়তে কোঁচ ৰজা বিশ্বসিংহ (১৫২৩-১৫৪৫) ই মোগল সৈন্য সকলৰ আৰ্হিৰে তেওঁৰ সৈন্যসকলক সু-সংগঠিত কৰে। এনেকি তেওঁৰ পুত্ৰ চিলাৰায়ক দেৱান উপাধি প্ৰদান কৰে। কোঁচ ৰজা বিশ্বসিংহৰ পূৰ্বে অসমত বসবাস কৰা ভূএগ উপাধিধাৰী কিছুমান ব্যক্তিয়ে খান আৰু. আন কিছুমান ব্যাক্তিয়ে চিকদাৰ উপাধি লোৱাৰ প্ৰমান বুৰঞ্জীত পোৱা যায়। ইয়াৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে মুছলমান প্ৰশাসনৰ কিছুমান পদ্ধতি অসমীয়া শাসকে প্ৰচলন কৰিছিল। খ্ৰীষ্টিয় চতুৰ্দশ শতিকাৰ প্ৰথমভাগত কামৰূপ জিলাৰ হাজোত পোৱা মক্কা দৰ্গাহ প্ৰতিষ্ঠাৰ লগে লগে কিছুমান আৰবী ফাৰ্চী শব্দৰ ব্যৱহাৰ হয় কিন্তু ই বহুল প্ৰচাৰ লাভ কৰা নাছিল। খ্ৰীষ্টীয় সপ্তম শতিকাৰ প্ৰথমাৰ্দ্ধত আহোম আৰু কোঁচসকলৰ মোগলৰ লগত হোৱা যুদ্ধ আৰু প্ৰত্যক্ষ সম্পৰ্কৰ ফলত আৰবী ফাৰ্চী শব্দৰ সোঁত দ্ৰুততৰ হয়। ইটাখুলী যুদ্ধত আহোমৰ হাতত মোগলৰ পৰাজয় হয়। কিন্তু কোঁচ আৰু আহোমৰ মাজত কূটনৈতিক সম্পৰ্ক, প্ৰতিনিধি প্ৰেৰণ, চিঠি পত্ৰৰ আদান প্ৰদান আদি চলি থকাৰ সময়তে দিল্লী আৰু ঢাকাৰ মাজত এনে সম্পৰ্ক অব্যাহত থাকে। এই সময়ছোৱাত কূটনৈতিক সম্বন্ধৰ বাবে ৰাজদৰবাৰত

ব্যৱহৃত আৰবী ফাৰ্চী সংস্কৃতিৰ কিছুমান শব্দ আহোম আৰু কোঁচ ৰাজদৰবাৰতো সোমাই পৰে। সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত কামৰূপৰ বুৰঞ্জীত এনেকুৱা ২৬ খন চিঠি দেখিবলৈ পোৱা যায়। উল্লেখিত ২৬ খন চিঠি দুটা ভাগত বিভক্ত কৰিব পাৰি ঃ-

১) আহোম ৰজা প্ৰতাপ সিংহ, জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ আৰু মোগলসকলৰ মাজৰ যোগাযোগ পত্ৰ।

২) কোঁচ ৰাজ কুমাৰ পূৰ্ণানন্দ আৰু সমসাময়িক আহোম ৰজা জয়ধ্বজ সিংহ আৰু চক্ৰধ্বজ সিংহৰ মাজৰ বিনিময় পত্ৰ। ইয়াৰে প্ৰথম ভাগত থকা ২০ খন চিঠিৰ ১৪ খন মোগলসকলে আহোমলৈ প্ৰেৰণ কৰা পত্ৰ আৰু ৬ খন হ'ল আহোমসকলে মোগললৈ প্ৰেৰণ কৰা পত্ৰ। আনহাতে আন পাঁচখন পত্ৰ আহোম আৰু কোঁচসকলৰ মাজত প্ৰেৰিত যোগাযোগৰ পত্ৰ। মোগলসকলে প্ৰেৰণ কৰা ২০ খন চিঠিত প্ৰায় ২১১ টা আৰবী ফাৰ্চী শব্দ আৰু আহোম সকলে পঠোৱা চিঠিত মুঠ ৪৯ টা শব্দ পোৱা যায়। দ্বিতীয় ভাগত মুঠ ৩৮ টা আৰবী-ফাৰ্চী শব্দ পোৱা যায় তদুপৰি আহোম কছাৰী, জয়ন্তীয়া আৰু খাছীসকলৰ মাজত প্ৰেৰিত পত্ৰসমূহত প্ৰায় ১৬ টা আৰবী ফাৰ্চী শব্দ পোৱা যায়। ইয়াৰ উপৰিও মোগল আহোম আৰু কোঁচসকলৰ মাজত সংঘটিত যুদ্ধৰ বিৱৰণ পোৱা যায়। বুৰঞ্জীত ব্যৱহৃত এই শব্দসমূহ যুদ্ধ, ৰাজহ, সংস্কৃতি, ব্যৱসায়, কলা, ধৰ্ম শিক্ষা, সাহিত্য আদিৰ লগত জড়িত। পীৰ চুফি সাধকসকলে ৰচনা কৰা জিকিৰ আৰু জাৰীবোৰ অসমীয়া লোক সাহিত্যৰ আপুৰুগীয়া সম্পদ। ইছলামী ভাৱধাৰাৰ লগত সংস্পৰ্শ থাকিলেও এই গীতবোৰক জনস্পৃহাৰ দিশৰ পৰা উলাই কৰিব নোৱাৰি। কিয়নো সেই সময়ত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সমন্বয়ৰে জিকিৰ ৰচয়িতাসকল গোটখাই পৰিছিল। গীতবোৰৰ সুৰ, ভাষা, ছন্দ আৰু উপমাত আৰু প্ৰকাশভংগীত অসমৰ মাটিৰ গোন্ধ লাগি আছে। মেদিনী চৌধুৰীয়ে এই প্ৰসংগত লিখিছে "আজান পীৰ আৰু তিনিগৰাকী পীৰৰ প্ৰচাৰ কৌশলত কোনো পদ্ধতিগত নতুনত্ব নাছিল কিন্তু এটা দিশত সেইসকলৰ প্ৰচাৰ আছিল একেবাৰে অভিনৱ। অসমীয়া ভাষাৰ প্ৰচাৰত সেইসকলে এক অভিনৱ দিশ উন্মোচিত কৰিছিল। চতুৰ্দশ শতিকাত প্ৰচলিত অসমীয়া ভাষাক শংকৰদেৱে প্ৰদান কৰিছিল উন্মুক্ত জীৱনৰ সান্নিধ্য। আজান পীৰে দিছিল তাৰ সৰলতাৰ মাধুৰ্য্য। ভাষাই অতীত পৰম্পৰা নেওছি ওলাই আহিছিল জনজীৱনৰ মুক্ত অংগনলৈ। জিকিৰবোৰেই তাৰ জীৱন্ত সাক্ষী"। কিছুমান জিকিৰৰ অৰ্থ জটিল যদিও সকলোবোৰ গীতৰে ভাষা সহজ আৰু সৰল। এই জিকিৰ সমূহৰ মাজেদি বহুতো আৰবী-ফাৰ্চী শব্দ অসমীয়া ভাষাত সোমাই অসমীয়া ৰূপ লৈছে। তদুপৰি উৰ্দু ভাষা আৰবী-ফাৰ্চী আৰু ভাৰতীয় মূলৰ পৰা সৃষ্টি, আনহাতে উৰ্দুৰ লগত, হিন্দী ভাষাৰ নিকট সম্পৰ্ক থকাৰ বাবে উৰ্দুৰ মাজেৰেও অসমীয়া ভাষা সংস্কৃতিত আজিও বহুতো আৰবী ফাৰ্চী শব্দৰ অনুপ্ৰৱেশ ঘটি আছে। অসমীয়া ভাষাত সদ্যব্যবহৃত কিছুমান আৰবী ফাৰ্চী শব্দ, খণ্ড বাক্য আৰু শব্দ তলত উল্লেখ কৰা হ'ল ঃ-

খণ্ডবাক্য ঃ- কাগজে-কলমে, গোলমাল, গোলা-বাৰুদ, তউবা-তউবা, গৰিয়াৰ গোঁহাই, গলধন-ধৰা, টোপ-হিলৈ, দস্তুৰ মত, ধন-দৌলত, নিকাহ-হাৰাম, তালাক-দিয়া, গৰবৰ, মান-ইজ্জত, হাট-বজাৰ, ৰুটি-পিঠা, হজ-কৰা, হাৰামৰ-নেগুৰ, জোৰ-জুলুম, জবৰদস্তি, জবান-বন্দী।

**শব্দ** ঃ- আক্কেল, আমিৰ, ইয়াদ, কবৰ, কিয়ামত, খাতিৰ, খবৰ, জাত, জাহিল, দৰগাহ, দৰবাৰ, নজৰ, নবাব, পয়দা, পয়গম্বৰ, নবী, ফৰমান, মনজিল, মালুম, ৰাযত, মুৰছিদ, হেকায়াত, চালাম, হকিকত, হাফিজ, হাকিম, হুকুম, হজুৰ, উকিল, জামিন, আদালত, মহল, দলিল, ৰছিদ, লস্কৰ, চুলতান, মেজাজ, কিলোগ্ৰাম, খাজানা, নকল, হিচাপ, মাছুল, কিতাপ, কলম, দোৱাত কামিজ, কাজী, চন্দুক, বন্দুক, মাফ, আদৱ, কানুন, আজাব, হালাল, হাৰাম, ৰাজী, খুচী, চখ, মজা, মছজিদ মাদ্ৰাছা, দোকান, বেমাৰ, দাৱাই, মেহনত নিচান লেফাফা, খালাছ, ৰায়, খালী, ওজৰ, হাৰা, তৰ্জমা, কাইদা, তালিম, ইলিম, মুছাফিৰ, বুনিয়াদ, মজুত ইত্যাদি। ●


সহায়লোৱা প্ৰসংগ পুথি ঃ

1) Arabic -English Dictionary - *Cowan*

2) Assam Muslim Relation and its cultural significance – Dr. Mohini Saikiya

3) অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত - হীৰেন গঁগৈ

4) অসমৰ সংস্কৃতি সমীক্ষা - ড নবীন শৰ্মা

5) প্ৰান্তিক জুলাই ২০০০

6) অসম সাহিত্য সভা পত্ৰিকা






# ENGLISH IN INDIA, ITS IMPORTANCE & FUTURE

**Md. Rukan Uddin Ahmed,** M.A.

**INTRODUCTION :**

Pandit Jawaharlal Nehru says : " English is our major window on modern world.' of all the languages in the world today English deserves to be regarded as a world language. During pre-Independence period, English was the first language in India. But in today's world it is the first language of the United Kingdom, USA., Australia, Canada and many other countries of the world. Infact, it is also used as a second language by many millions of Europeans, Africans Chinese, Indians, South Americans, and so forth.

If we look at the media we find that over 50% of world's newspapers, over 50% of world's scientific and technical periodicals and more than 60% of worlds Radio stations use English as the medium of communication.

**ENGLISH IN INDIA : PAST & PRESENT :**

The story of English in India, began in 1835. It is Lord Maceuley, the law member of the council of governor generals and president of the board of education, presented his celebrated minutes in favour of English education. He desired to produce ( through English education) a class of persons - Indian in blood and colour but English in taste & in intellect.

Later on, supporting Lord Mecauley's educational policy of the future, Lord William Bentink proclaimed, that the great object of the British Govt.. ought to be the promotion of European literature and science among the natives of India, and that all the funds appropriated for the purpose of education would be best employed on English Education alone.

Finally, Lord Hardinge's declaration is also noteworthy in this respect. Thus, English started gaining popularity and Indian vernaculars were pushed into the background.

**THE POSITION OF ENGLISH LANGUAGE BEFORE INDEPENDENCE :**

**English : The language of the ruling class :**

English was the language of the ruling class and Indians were obliged to learn the language of their masters.

**English : The queen of all Languages :**

Before Independence, English was the queen of all languages. It was the languages of administration - and of law courts. It was the " Linguafrance" of the educated sections of the society. It was also an easy means for getting government job.

**English the medium of Instruction :**

In the pre-independence educational set up, English was the medium of instruction in high schools and in Universities. Two types of schools - vernacular and Anglo-vernacular had started functioning in the wake of the introduction of English education. Vernacular schools imparted education through the medium of Indian languages.

**THE POSITION OF ENGLISH LANGUAGE AFTER INDEPENDENCE :**

The post- Independence period witnessed a sharp reaction against English. One of the most

difficult problems that the country had to face was to solve the controversy for and against the retention of English in India. The place of English language in the school and University curriculum become the major issue.

Soon after Independence, Maulana Abdul Kalam Azad took over the education portfolio in the interim Government. At a press conference he hinted at the New Policy of the Government.

**THE IMPORTANCE OF ENGLISH:**

English played an important role in the national life of the country. It still continues to influence the life and profession of majority of educated Indians in every walk of life. As far as our international heritage is concerned, English remains the most important live spark as a foreign language.

Under the changed circumstances the importance of English in India in general and in the curriculum in particular, may be considered from five major points of view:

1) English as an international language.
2) English as our major window on the world.
3) English as a link language.
4) English as a Library language.
5) English for communication.

**THE FUTURE OF ENGLISH IN INDIA :**

For us, Indians, English has a special place. It is not a foreign language, but a second language. It is noteworthy that pre Independence English enjoyed a very prominent position in Indian education and life. But after Independence there was rethinking to replace English.

Now-a-days, the increasing importance of English in the world should compel us to learn it for special or specific purposes for widening our intellectual horizon.

From the above discussion we are in a safe position to assure a bright prospect for English in India. Following points may be mentioned in this respect.

1) English has become the language of many Indians due to its very long association with Indian life.
2) English provides us opportunities for the study of English literature which is so vast and so rich.
3) It has helped to develop and refine many an Indian languages.
4) It serves as a common language of Indians.
5) It is a language of Trade and Industry in India.
6) Great leaders, scientists, authors, philosophers of all ages are mostly product of English language and English education system.
7) English is an international as well as a multipurpose language.

Thus, to sum up, it can be assured that future of English language is bright enough.


**REFERENCES :**

1) New Techniques of Teaching English as a foreign language - K. K. Bhatia.
2) Teaching of English.




খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী দ্বিতীয় সংখ্যা

# CHILD LABOUR IN INDIA : A brief discussion.


Deepak Kalita, M.A.
Lecturer, Kharupeia College


*When work is a pleasure, life is a joy*
*When work is a duty, life is slavery*

**Maxim Gorky**

Child labour is considered as one of the most important issues in modern days world. Children have been working in the houses and fields from the advent of the human civilization at an incredible low age. The modern industrialisation only exposed these budding and blooming flowers of our future generation to new challenges and fatal hazards. Any nation definitely can't show the slightest negligence towards the blooming flowers. If it does, it would be digging its own graves and cramping the future of coming generation to a large extent.

Recognising this importance of the child labour the government has taken various executive as well as legislative steps to protect them. However, in law much is to be desired. The employers take benefit of many loopholes in the laws and exploit children.

The term "child labour" not only applies to the children working in industries but also to the children working in all forms of non-industrial occupations which are injurious to their physical, mental, moral and social development. Given the nature of modern technology and abundance of unskilled labour in India, child labour is found in both the organised and unorganised sectors in the economy. But it is the unorganised sectors where children are found to be generally employed earning direct wages in cash or kind or as unpaid family labour. The conditions of work at the place of their employment are highly unsatisfactory. They are subject to explotation by making them work for long hours in absolutely unhealthy environment and these exploitation have far reaching consequences on the over all growth and development of the children. The general observation of the national labour commission is that though the employment of children is almost non existent in organised industry, it persists in varying degrees in the unorganised sectors such as, small plantation, restaurants and hotels, carpet weaving, stone breaking, brick industry, handicraft and road building etc. The labour bureau of the central ministry of labour conducted enquiry in child labour in the early fifties. In its publications 'Child labour in India' (1954), it is stated that in small industries and cottage industries, such as match manufacturers, bidi making, carpet weaving etc. employment of under age children either under certified or having fake age certificates continues.

It is saddening to note that India is the largest employer of child labour in the world and has earned a dubious distinction of exploiting the human resources. The children who have to earn a livelihood, live adult lives prematurity. The apprentices are also badly treated by their employers who can force them to do domestic work. Thus employers misuse their energy, skill and sweat on very low price.

## THE REASONS WHY CHILDREN WORK

Chronic poverty is the largest factor responsible for the prevalence and perpetuation of child labour. Poverty forces parents to send their children to seek employment. Disease and other contingencies may need extra money and the employment of children is resorted to as an

easily accessible method to bring in that money.

Another important cause is the rising rate of dropouts of school children of the poor families. Our education system perpetuates the domination of the privileged few over the entire society while the children of the poor continue to remain uneducated. It is commonly found that level of parents education and aspirations are closely associated with child labour. Children may also feel obliged to work because they are doing badly in school and because there is no alternative. If the parents are able to let the child go to school for only a few years, it is likely that he will encounter more difficulties during his years at school than a child from a better off family. However in many cases, the parents prefer to send the child out to work rather than to school, either because there is no school within a reasonable distance of the family home or because they can not meet the costs of sending the child to school or again because they can't see what use schooling would be to him.

Another direct cause of the child employment is the situation at home. There may be tension and uncertainty, provoked or increased by poverty, the father may have left home, the mother may be alone, the father or the mother or both may fall ill or become physically unfit or die. However the argument that, the children are obliged to work because of the disappearance of the breadwinner is often fallacious, because it is generally the head of the family himself who sees to it that children go out to work.

Again, when a rural family migrates to the town, the adults are straightway faced with a new and unknown environmental and labour situation. As a result of the instability and insecurity that this causes, the children are often set to work, so that the family may survive.

Lastly, employers find it easier to employ a child rather than an adult since children can be exploited and paid lower wages and in that case they can't fight for their rights.

In India, the driving force behind every case of child labour is, ofcourse, poverty; but the basic cause is usually a combination of some of the factors that have just been mentioned.

The national policy for children adopted by the Govt. in August 1971 describes the country's children as a supremely important asset. It enjoins on the state the responsibility for their nurture and solicitude. There is a National Children's Board to provide a focus and forum to ensure continuous planning, review and co-ordination of all the essential services for the children. A national children fund was constituted during the international year of the child 1979 to finance the activities of voluntary organisations for the welfare of children is considered as a landmark in the history of child welfare in India.

The labour ministry has indicated that, " despite the provisions restrictive labour laws the practice (child labour) continues unabated because exploitation of children is of financial advantage to employers and an economic compulsion to parents. The government accepts child labour as a harsh reality".

CONCLUSION :

It is revealed from the above discussion that imposing only prohibitory laws alone can't solve this problem unless the society gets the proper knowledge of the problem of child labour. Child labour is common extensively in the lower socio-economic groups because of the lack of appreciation on their part of the role that education plays in improving life and living conditions of the people. A properly guided educational policy ofcourse will help in minimising the intensity of the problem.






" ..... সংসাৰৰ চৌদিশে দেখা জীৱনৰ প্ৰতি মুহূৰ্ত্তত সান্নিধ্য লাভ কৰা আৰু বহু সময়ত দূৰৰ পৰা নি বা লক্ষ্য কৰিও পোৱা অভিজ্ঞতাৰ স্তুপেই গল্প লেখকৰ লিখাৰ সঁজুলি। সূক্ষ্ম পৰ্য্যবেক্ষণ, গহীন উপলব্ধি, সামাজিক দায়বদ্ধতা, মনস্তাত্ত্বিক আৰু প্ৰজ্ঞা-স্বল্পভাষিতাই কৃতী গল্পকাৰৰ লক্ষ্য ....... "



# বন্ধুত্বৰ প্ৰতিশ্ৰুতি

**মঃ হাছেন আলী**
স্নাতক ১ম বৰ্ষ (কলা)

আজি বহুদিন হ'ল ৰাকেশক লগ পোৱা নাই। লগ পাবৰ সময় নাই। ঠিক কোনো গুৰুত্ব পূৰ্ণ দৰকাৰো নাই। আচলতে সঁচা কথা কবলৈ হলে মোৰ মনটোৱে বন্ধু ৰাকেশক লগ পাবলৈ কেতিয়াবা উদ্‌বাউল হৈ পৰে। এৰা হাজাৰ হলেও বাল্য-অন্তৰংগ বন্ধু। ৰাকেশ আৰু মোৰ মাজত যি অন্তৰংগতা আছিল তাক দেখি বহুতেই ভাবিছিল আমি যেন বন্ধু নহওঁ, যমজ ভ্ৰাতৃহে। তাৰ আৰু মোৰ মাজত সেই তাহানি দিনতেই প্ৰতিজ্ঞা হৈছিল জীৱনৰ প্ৰতিটো মুহূৰ্ততে দুয়োৱে দুয়োজনৰ বুজা-বুজিৰ মাধ্যমত লম। আমাৰ বন্ধুত্বত খোদ ভগৱানেও ফাট মেলাব নোৱাৰিব! ৰাকেশৰ জীৱনৰ লক্ষ্য আছিল প্ৰতিৰক্ষা বিভাগত কাম কৰাৰ, তাৰ বাবে সি যৎপৰোনাস্তি চেষ্টাও কৰিছিল। কিন্তু কালৰ কূটিল গতি বুজাৰ সামৰ্থ্য নাই কাৰো। তাৰ প্ৰতিৰক্ষা বিভাগত চাকৰি নহল। সি ঘৰ এৰিলে। ৰাকেশ আজিকালি ভূটান সীমান্তৰ এক আওঁহতীয়া ঠাইত থাকে। সি বিয়া কাৰইছে, ৰুণাক। অভিজাত্য ঘৰৰ আলাসৰ লাডু ৰুণা।

কেইদিনমান আগতে ৰাকেশৰপৰা মোলৈ এখন চিঠি আহিছে। মোক থকাকৈ মাতি পঠিয়াইছে। ৰাকেশ আজিকালি বৰ ব্যস্ত মানুহ। এক ছেকেণ্ড সময়ো অলসভাবে এৰি দিবলৈ টান পায় সি। তাৰ হোটেলৰ ঠিকনাৰ লগতে ঘৰৰ ঠিকনাও দিছিল মোক। কেইদিনমানৰ পৰা মোক এটা কথাই বিবেক দংশন কৰি আছে ৰাকেশৰ ঘৰলৈ যাম নে নাযাম? যি বন্ধুৱে জীৱনে মৰণে একেলগে থকাৰ প্ৰতিশ্ৰুতি দিছিল সেই বন্ধুৱে আনকি বিয়ালৈয়ো মোক নামাতিলে। সময় নাপালে বোলে। নাই নাই এইবোৰ কথা ভাবি একো লাভ নাই। হাজাৰ হলেও সি মোৰ বাল্য বন্ধু। সি ভুল কৰিলেই যেনিবা তাক ক্ষমা কৰিব নোৱাৰিম নে?

হঠাৎ এদিন ওলালো। প্ৰায় বাৰঘণ্টা সময় বাছ যাত্ৰা কৰাৰ অন্তত নিৰ্দিষ্ট ঠাইখিনি পালো। তেতিয়া পছিম আকাশত পোহৰ আৰু আন্ধাৰৰ মাজত খেলা চলি আছিল। ঠাইখিনি বৰ দুৰ্গম, জঁয়াল। হয়তো ৰাতি হলেই কোন অপদেৱতাই কাক আলিংগন কৰে তাৰ কোনো ঠিক নাই। ৰাকেশে সেয়ে মোক সন্ধিয়া হোৱাৰ আগতে যাতে পাওঁ তাৰ বাবে বাৰে বাৰে সকীয়াই দিছিল। কিন্তু মোৰেই দুভাৰ্গ্য নে কি আহোঁতে যথেষ্ট পলম হল।

ঃ অ দা, ইয়াত যে ৰাকেশ চলিহাৰ হোটেল এখন আছে আপুনি চিনি পায় নেকি? আদহীয়া পানদোকানীটোৰ পৰা চিগাৰেট এটা লৈ দীঘলীয়া হোপা এটা মাৰি সুধিলো।

ঃ হয় চিনি পাওঁ। পিছে এতিয়াতো যতেষ্ট ৰাতি হল। সাহস থাকিলে সোনকালেই ওলাব পাৰিব।

পানদোকানীটোৱে ৰাস্তা দেখুৱাই দিলে। শ্ৰান্ত-ক্লান্ত দেহা মন। দীঘলীয়া বাছযাত্ৰাৰ বাবে ভোক আৰু টোপনিয়েও হেঁচি ধৰিছে। কি কৰিম, নিৰুপায়। যাবই লাগিব অন্তত ৰাকেশৰ হোটেল পৰ্য্যন্ত। বাট পোনালো। ৰাস্তাটো একাঁ-বেকাঁ খলা-বমা। চাৰিওপিনে ডাঠ হাবি। লুংলুঙীয়া হাবিতলীয়া ৰাস্তা। নিজৰ ছাঁ-টোকেই দেখি ভয় লাগে। বনৰীয়া চৰাইৰ কিঁচিৰ মিচিৰ কোৰ্হাল। যেন সিহঁতেও মোক এই ৰাতিখন হাবিৰ মাজত কামনা কৰা নাছিল। হঠাৎ মই লক্ষ্য কৰিলো পিচপিনৰপা এজন মানুহে মোক অনুসৰণ কৰি আছে। মই যথেষ্ট শংকিত, উত্তেজিত হৈ পৰিলো। মোৰ শৰীৰৰ নোম থিয় হৈ ডাল ডাল হৈ পৰিল। তাৰ পিছত পিচপিনে আৰু চোৱা নাই। দৌৰিলো, মাথো দৌৰিলো। আধাঘণ্টা মান যেনি-তেনি দৌৰাৰ পিছত হোটেল এখন পালো। আটকধুনীয়া হোটেল। এনে জঁয়াল- বিভিষীকাময় ঠাইতো যে এনে এক আধুনিক সভ্যতাৰ সমস্ত সুবিধা থকা হোটেল থাকিব পাৰে কামনাকে কৰিবপৰা নাছিলো। হোটেলৰ বাহিৰে-ভিতৰে গ্ৰাহকৰ ভিতৰ। এৰা এয়েই একমাত্ৰ এই আপদীয়া ঠাইখনৰ আশাৰ থলী।

ঃ এয়া ৰাকেশ চলিহাৰ হোটেল নেকি? মেনেজাৰৰ চকীত বহি থকা মানুহজনক সুধিলো।

ঃ হয়। পিছে কিবা দৰকাৰ?

ঃ মানে মই তেওঁৰ বন্ধু। ঃ ৰাকেশৰ ঘৰ বা কিমান দূৰত?

ঃ ইয়াৰ পৰা দুইকিলমিটাৰ।

ঃ আজি ৰাতিটোৰ বাবে হোটেলত ৰূম এটি পামনে? মই সুধিলো।

ঃ নাই মিষ্টাৰ। আমাক বেয়া নাপাব আমাৰ ইয়াত বৰ্তমান খালী ৰূম নাই। আপুনি চলিহাৰ ঘৰলৈ যাওকগৈ।

হোটেলৰ পৰা নিৰুদ্বেগচিত্তে ওলাই আহিলো। দেহ-মনত অশান্ত জোঁৱাৰ। দুইকিলমিটাৰ বাট খোজকাঢ়ি এটি আটক ধুনীয়া আসাম টাইপৰ ঘৰ পালো। ঘৰৰ বাহিৰে-ভিতৰে বিজুলী বাতিৰ চিকমিক্‌নী।

ঃ ৰাকেশ চলিহাক পোৱা যাবনে? গেটত থকা প্ৰহৰীজনক সুধিলো।

ঃ অসম্ভৱ ইমান ৰাতি । চক্‌খাই উঠে।

ঃ তেওঁৰ বন্ধু বুলি কলেই হল। মই কলো।

ঃ ঠিক আছে কৈ চাওঁ বাৰু।

প্ৰহৰীজন ঘৰৰ ভিতৰলৈ আগবঢ়ি গ'ল। মইয়ো দুখোজমান আগবাঢ়িলো। ৰাকেশ নৱ-পৰিণীতাৰ সতে মধুৰ আলাপত ব্যস্ত।

ঃ বাবু আপোনাৰ বন্ধু এজন আহিছে। প্ৰহৰীজনে মাতো-নেমাতো কৈ মাত লগালে।

ঃ কোন বন্ধুহে ইমান ৰাতি ছেত্ৰী? যা কৈ দেগৈ বাবু ঘৰত নাই। ৰাকেশৰ ঘৈণীয়েকে উত্তেজিত হৈ ক'লে।

ঃ পিছে ৰুনা। কোননো আহিল অলপ চাই আহো নেকি? ৰাকেশ বাবুয়ে কয়।

ঃ কিহে পাইছে আপোনাক ইমান ৰাতি উঠিবলৈ, বাহিৰত কিমান ঠাণ্ডা আপুনি নাজানে নেকি? কোনোবা মানুহ আহিছে যদি কালিয়েই লগ কৰিব পাৰিব। ৰুনাই কৈ উঠে।

ঃ পিছে ৰুনা যদি...... ।

ঃ যাওঁক , যাওঁক মই একো নকওঁ, আপোনাৰ কোন বন্ধু আহিছে আদৰি আনকগৈ। ৰুণাই যথেষ্ট উত্তেজিত হৈ কয়।

ঃ বেয়া নাপাবা সোনটো। তোমাক অকলে থৈ মই যাম বুলি তোমাৰ বিশ্বাস হয় জানো। ৰাকেশ বাবুয়ে সেমেনা-সেমেনি কৰে।

নাই মই আৰু থিয় হৈ থাকিব নোৱাৰো। এইবোৰ কথা শুনাৰ ধৈৰ্য্য আৰু নাই মোৰ। অলপ পিছতে হয়তো মই জ্ঞানশূন্য হৈ পৰিম। এয়াই মোৰ বন্ধু-ৰাকেশ নেকি। যাৰ প্ৰতিটো আচৰণ আজি সলনি হৈছে। কলৈ গল ৰাকেশৰ মানৱতা, প্ৰতিশ্ৰুতি, দায়িত্বজ্ঞান। ৰাতি পুৱাবলৈ বোধহয় আৰু বেছি সময় নাই। মই উভতনি যাত্ৰা আৰম্ভ কৰিলো। কলৈ যাম হয়তো নিজেই নাজানো। লক্ষ্যহীন যাত্ৰা।।

*With best Compliments*

NEW STUDENTS STORE

JAMUNA MARKET, KHARUPETIA CHARALI, DARRANG, ASSAM

ALL NEWS PAPER AGENTS.
ALL KINDS OF SCHOOL/ COLLEGE BOOKS, SPORTS GOODS, STATIONARIES GOODS AND GIFT ITEMS ARE AVAILABLE HERE.





# দুটি চুটি গল্প

মঃ আব্দুৰ ৰেজ্জাক
স্নাতক ৩য় বৰ্ষ (কলা)

## সেই ছোৱালী জনী ঃ

সিদিনা ছোৱালী জনী দেখাৰ পৰা মোৰ মনৰ মাজত তাইৰ হাহোঁ-হাঁহো মুখখন জিলিকি উঠে। বহু চেষ্টা কৰিও পাহৰিব পৰা নাই। বৰঞ্চ.....

মাজনী সেই ধুনীয়া মুখৰ ছোৱালীজনীয়েই। তাই প্ৰেম নগৰী হাইস্কুলৰ নৱম মান শ্ৰেণীৰ ছাত্ৰী। স্কুলখন ঘৰৰ ওচৰত থকা বাবেই সদায় খোজকাঢ়ি স্কুললৈ অহা যোৱা কৰে। তাইৰ মিচিকিয়া হাঁহিটো মোৰ বৰ ভাল লাগে।



বি. এ. Part I পৰীক্ষা পালেহিয়েই। কিবা দেখোন এই কেইদিনৰ পৰা কিতাপত মন নবহা হৈছে। অনিচ্ছাকৃত ভাবেও কিতাপৰ পাত কেইটিমান লুটিয়ালোঁ। বাটত মনিয়ে দিয়া চিঠিখন Major ৰ কিতাপৰ তলৰ পৰা উলিয়াই চকুৰ আগত মেলি ধৰিলো।

মৰমৰ ৰাজু দা' আশা কৰো তোমাৰ ভাল। তুমি আজি কালি আমাৰ ঘৰলৈ নহা হৈছা আৰু ......... (মাজৰখিনি বাদ দি শেষৰ খিনি পঢ়িলো)।

ইতি

তোমাৰ মাজনী।

আনন্দত মনটো নাচি উঠিল। সচাকৈয়ে মাজনী মোৰ। তিনি-চাৰিবাৰ মান চিঠিখন উৰাই-ঘুৰাই পঢ়ি আকৌ কিতাপৰ মাজত সুমুৱাই থ'লো। ৰাতি এঘাৰ মান বাজিলেই। আনন্দত যেন টোপনি নধৰা হৈছে। এতিয়াও টিউচনৰ চাৰে দিয়া নোটখিনি লিখি শেষ কৰিব পৰা নাই। ৰাতিও বহু হ'ল। পৰীক্ষালৈয়ো আৰু ১৫ দিন মান বাকী। মূৰৰ শিতানত জ্বলি থকা চাকিটো ফু মাৰি নুমুৱাই অৱশেষত লাহেকৈ বিছনাত বাগৰ দিলো।

মই এতিয়া এটা প্ৰশ্নৰ উত্তৰ কৰিব পৰা নাই। ইতিমধ্যে মাজনীৰ চিঠিৰ আনন্দ উপভোগ কৰোতেই পৰীক্ষাৰ বাকীথকা ১৫ দিনো গুচি গল। কালিৰ পৰা পৰীক্ষা। বুকুত সাহস গোটাই জেপৰ পৰা নকল এখন উলিয়াই তপিনাৰ তলত সুমুৱাই ললো। মোৰ সৰ্বশৰীৰ দুৰু দুৰুকৈ কঁপিব ধৰিছে। বুকুৰ টিপ ঢাপ ক্ৰমান্বয়ে বঢ়িছে। পৰীক্ষাৰ গাৰ্ডজন সিটো মূৰলৈ যোৱাৰ চেগত নকলখন তপিনাৰ তলৰ পৰা উলিয়াই বহীৰ মাজত ললো। হাত ভৰিবোৰ আগতকৈয়ো বেছি কঁপিছে জীৱনত কেতিয়াও নকল কৰা নাই। এয়াই প্ৰথম কৰাৰ বাবে লাহে লাহে বহীখন দাঙি দুটা মান শব্দ লিখিছোহে মাত্ৰ পিছফালৰ পৰা কাৰোবাৰ ব্ৰজকণ্ঠ শুনিবলৈ পালো।

"হেৰা নকল কৰিছা, Stand up মোৰ বুকুৰে ধান বনাদি বানিব ধৰিলে। মই ভয়ে ভয়ে থিয় হলো।

" বহীখন দিয়া"। মোৰযেন মাতবন্ধ হৈ গল আৰু নকল সহ বহীখন চাৰৰ ফালে আগবঢ়াইই দিলো।

"ওঁ মোৰ পিছে পিছে আহা।" মই চাৰৰ পিছে পিছে গৈ অফিচ কোঠা পালোগৈ। বহীখনত কিবা কিবি লিখি আন এজন চাৰে মোক কলে— "কোন কলেজৰ পৰা আহিছা?"

"মোৱামাৰী জুনিয়ৰ মহাবিদ্যালয়ৰ পৰা", ভয়ে ভয়ে মই কলো " তুমি এতিয়া যাব পাৰা, তোমাক পৰীক্ষা গৃহৰ পৰা বহিস্কাৰ কৰাহৈছে।" লাজ,ভয় আৰু আপমানত মই চাৰৰ ভৰিত দীঘল দি পৰি কলো, "এই বাৰৰ কাৰণে মোক ক্ষমা কৰক চাৰ।"

জীৱনত এই কাম আৰু কেতিয়াও নকৰো।

ৰাতিপুৱা মাই গাত ধৰি জগাই দিয়াত থতমত খাই সাৰপাই গলো। সপোন নে দিঠক মই ধৰিব পৰা নাই এই মুহূৰ্ত্তত।

### বাছত হাছিনাৰ সৈতে ঃ

আনদিনাৰ দৰে আজিও কলেজলৈ ৯ বজাত অহাবাছখনৰ বাবে ওলাই আহিলো। পলাশ ৰঙৰ শাড়ী আৰু ব্লাউজটো পিন্ধি দেহৰ ভাঁজে ভাঁজে দিয়া শাড়ীৰ জাপ বোৰ ধৰি আগতেই উঠা হাছিনা মোৰ ওচৰত আহি থিয় হলহি। বাছত উঠিয়েই চাৰি চকুৰ মিলনেই প্ৰথমে মিচিকিয়াই হাঁহিলো। কলেজলৈ যাবৰ বাবে ঠাই খনৰ পৰা মাত্ৰ এখনহে বাছ চলে। সেয়েহে যাত্ৰীৰ অসংখ্য ভিৰ হয়। তথাপিও যাত্ৰীৰ ঠেলা হেঁচাৰ মাজতো মই অশান্তি বোধকৰা নাছিলো। কাৰণ ৰাস্তাৰ ওখোৰা মোখোৰা ঠাই বোৰত হোৱা বাছৰ জোকাৰনিত হাছিনা মোৰ গাত ঢলি পৰিব বিচৰা কাণ্ডটোত মই সদায় ৰোমাঞ্চহে অনুভৱ কৰোঁ। ইয়াৰ উপৰি কথাৰ চলেৰে হাছিনাই মোৰ প্ৰিঠিত মৰা চিকুকটো আৰু চকুৰ টিপত মই মোৰ যৌৱনপ্ৰাপ্ত হিয়াত অনুভৱ কৰোঁ এক মধুৰ শিহঁৰণ।

কিন্তু আজি দেখোন হাছিনাক বৰ গহীন গহীন লাগিছে। তথাপিও মই বাছত উঠিয়েই মিচিকিয়া হাঁহি এটা মাৰি তেওঁৰ কাষত থিয় হৈ ৰলো। মই আচৰিত হৈ গৈছো। হাছিনাই মোৰ প্ৰতি প্ৰদৰ্শন কৰা অন্য মনস্ক তা দেখি। সেয়ে মই তাইক ভালৰি বোলাবৰ বাবে বাছৰ পৰা নামিবলৈ দুই ফাৰ্লং মান থাকোঁতে বাছৰ এটা মৃদু জকাৰনিতে তাইৰ গাত ঢলি পৰিব খোজাৰ দৰে কৰি লাহেকৈ কান্ধৰ ওপৰত থকা শাৰীৰ ভাজটোতে ধৰি চিকুট এটা মাৰি দিলো। লগে লগে তেওঁৰ ওচৰতে থকা আধা বয়সীয়া ডেকা এজনে মোৰ হাত খনত থাপমাৰি ধৰি কলে, "ননচেঞ্চ কৰবাৰ। গাড়ীৰ ভিতৰত দেখুৱাব লগীয়া ভদ্ৰতা খিনিও নাজান। ইডিঅট কৰবাৰ।"

লগে লগে মানুহজনীৰ কোলাত থকা-তিনিবছৰীয়া শিশুটোৱে হাছিনাৰ ফালে মামা মামা বুলি হাত মেলি আহিল। মোৰ মুৰটো ঘুৰাই গল। সেই মুহূৰ্ততে গম পালো তিনি বছৰ আগতে বাছত হলি গলি কৰি অহা যোৱা কৰা মোৰ প্ৰিয়তমা বুলি ভাবি থকা হাছিনা যে বিবাহিতা। উত্তেজনাত মোৰ সৰ্বশৰীৰ ঘামি উঠিল। লগে লগে কলেজ ষ্টপেজটোত বাছখন ৰৈ যোৱাত মই হুৰমুৰকৈ তললৈ মুৰ কৰি নামি আহিলো। বাছখনে এসোপা ক'লা ধোঁৱা উৰুৱাই পূৰ্ণ গতিত একা বেকা ৰাস্তাটোৰে আগুৱাই গুছি গল। মই ষ্টপেজটোতে বহু পৰলৈ গুছিযোৱা বাছখনৰ পিনে ৰ লাগি চাই থাকিলো।।



অসুৰৰ শক্তি আয়ত্ব কৰাটো উত্তম কিন্তু সেই শক্তি অসুৰৰ দৰে ব্যৱহাৰ কৰাটো হব আসুৰিকতা

"ছেক্সপীয়েৰ"

সংগ্ৰাহক ঃ- আবুল হুছেইন স্নাতক ১ম বৰ্ষ।





# প্ৰেমনে, প্ৰতাৰণা??

এম, জেহিৰুল ইছলাম
স্নাতক ৩য় বৰ্ষ

এয়া কি শুনিছে জোনে।। সি যেন নিজৰ কাণকেই বিশ্বাস কৰিব পৰা নাই। শুনাত তাৰ ভুলহোৱা নাইতো??? সিতো কোনো ভুল কৰা নাছিল। তেন্তে দুখীয়া হৈ জন্ম লভাই কি পাপ নেকি??? নানা প্ৰশ্নই আজি তাৰ মন মজিয়াত কৰিছেহি নিষ্ঠুৰভাৱে আঘাত।

জীৱনৰ উনৈশটা বসন্তত ভৰি দিয়েই যিজনী ছোৱালীক জোনে হৃদয় দলিছাত আলফুলে সংগোপনে এদিন স্থান দিছিল, যিজনী ছোৱালীক সি নিজৰ প্ৰাণতকৈও ভাল পাইছিল সেই ৰূপাই আজি তাক তাৰ প্ৰকৃত প্ৰেমৰ প্ৰতিদান দিলে এনেকৈ??

মনোজ চলিহাৰ একমাত্ৰ আৰু সৰু ছোৱালী ৰূপা। মিঠা বৰণীয়া, ক্ষীণাঙ্গী, দেখিবলৈ ধুনীয়া ৰূপাৰ গাত বিৰাজ কৰিছিল এক আভিজাত্যৰ চাপ, যৌৱনৰ উত্তাল সাগৰত ভৰি দিয়া সেই ৰাংঢালী ৰূপা সহজ-সৰল। জোনৰ প্ৰেমত পৰিছিল আজিৰ পৰা প্ৰায় দুই বছৰ আগেয়েই, এদিন কলেজৰ এটি মিঠা সন্ধিক্ষনত। ক্লাছৰুমত সোমায়েই হঠাতে এদিন জোনৰ নয়ন জুৰি স্তব্ধ হৈ ৰৈছিল ক্ষন্তেকৰ বাবে এখনি সুন্দৰী মুখত। জোনৰ নয়ন জুৰিয়ে যেন বিচাৰিছিল ৰূপাৰ দুচকুত সাগৰৰ এচামুচ নীলা। মুহূৰ্ত্তত দুটি মিঠা শিহৰণ বৈ গৈছিল দুয়োৰে দেহৰ অঙ্গে অঙ্গে দুয়োৰে অজ্ঞাতেই। লাহে লাহে সিহঁতৰ মাজৰ বন্ধুত্বৰ সীমাৰেখাডাল ক্ৰমান্বয়ে বেছি ঘনিষ্ঠতাৰ ফালে আগুৱাই গ'ল দুয়োৰে অজ্ঞাতেই। সুৰুযৰ স্নিগ্ধ কিৰণে দুয়োৰে ৰিক্ত মনত আনি দিছিল এক সজীৱতা আৰু দুয়োৰে অব্যক্ত প্ৰেম পৰিস্ফুটভাৱে বিকশিত হল। ৰূপাৰ সান্নিধ্য নহ'লে এখন্তেকো থাকিব নোৱাৰা হ'ল জোন। একেই অৱস্থা ৰূপাৰো। দুয়োৰে মাজত মৰমৰ গাঢ় প্ৰলেপ বোলাই সময়বোৰ ক্ৰমে পাৰ হৈ যাব ধৰিলে। ৰূপা যে তাৰ জীয়াই থকাৰ সম্বল; প্ৰেৰণাৰ উৎস। সদায় সিহঁত দুয়ো লগ হয়, পাতে মনৰ বহু কথা, তথাপিও যেন দুয়ো অসমৰ্থ হৈ ৰয় শব্দৰ শেতেলীৰ পৰা শব্দ বিচাৰি উলিয়াবলৈ।

কলেজ বন্ধত এদিন দুয়ো পাৰ্কলৈ ফুৰিবলৈ গৈছিল। এটি নিৰবিলি গধুলি জোনৰ কোলাত মুৰ থৈ আবেগেৰে ৰূপাই সুধিলে—

ঃ জোন দা, আপুনি মোক সচাকৈয়ে ভালপায়নে?

ঃ তোমাক ভাল নাপালেও তোমাৰ মনটোক মই অতি ভালপাওঁ ৰূপা, জোনে কলে।

ঃ জোন দা, সঁচা প্ৰেম বাৰু কেনেকুৱা? ৰূপাই সুধিলে।

ঃ ৰূপা, সঁচা প্ৰেমৰ দৃঢ়জ্ঞান মোৰ নাই। তথাপি সুধিছা যেতিয়া মোৰ সম্যক জ্ঞানৰ পৰা কওঁ শুনা,এজন ডেকা আৰু গাভৰু একেলগে বহি চাহখালে, একেলগে চিনেমা চালেই সঁচা প্ৰেম নহয়।

ডাণ্টে, বিয়েট্ৰিছ, জ়ংকি-পানৈ, মমতাজ-ছাহজাহান আদি সঁচা প্ৰেমৰ উদাহৰণ।

ঃ জোন দা, আপুনি মোক জীৱনৰ লগৰী কৰি লব পাৰিবনে?

ঃ ৰূপা, দেউতাৰাই জানো মোৰদৰে এজন বেকাৰ ল'ৰালৈ তোমাক বিয়া দিব? এতিয়ালৈকে ডিগ্ৰীটো সম্পূৰ্ণ নহ'ল। কোনো চাকৰি-বাকৰি নাই, এনে এজন নিচলালৈ জানো তোমাক.....? জোনদা, তেনেকৈ নকব, মোৰ বৰ বেয়া লাগে মই সহৎ কৰিব নোৱাৰোঁ।

ঃ ৰূপা, সঁচাকৈ মই তোমাক বৰ ভালপাওঁ। যদি ঈশ্বৰৰ সহায় থাকে তেন্তে আমাৰ এই বন্ধন কেতিয়াও বিছিন্ন নহয় আৰু যদি হয় তেন্তে ভাবিম ঈশ্বৰে আমাক সহায় নকৰিলে। আৰু তেতিয়া...... আৰু তেতিয়া মই এই পৃথিৱীৰ পৰা বিদায় লম।

ঃ তেনেকৈ নকব জোনদা, ঈশ্বৰে আমাক সহায় কৰিবই। জোনদা, আপোনাৰ বাহু যুগলৰ ছাঁত আশ্ৰয় লবৰ

বাবে অকণমান ঠাই দিবনে?

ঃ ৰূপা, সকলো তোমাৰ বাবেই। কোৱা ৰূপা তুমি মোক অপেক্ষা কৰিবা? জোনে সুধিলে।

তেতিয়া ৰূপাই সূৰ্য্য, নক্ষত্ৰ, গ্ৰহ, পানী, মাটি আদি সকলোক সাক্ষী ৰাখি আজীৱন নেৰো বুলি প্ৰতিজ্ঞাবদ্ধ হ'ল আৰু আলোচনাৰ অন্তত ঘৰমুৱা হ'ল।

এসময়ত জোন আৰু ৰূপাৰ প্ৰেমৰ কথা দুয়োখন ঘৰৰ মানুহে জানিব পাৰিলে। ৰূপাৰ দেউতাক, ভায়েক ককায়েক সকলো গুজৰি-গুমৰি উঠিল আৰু ৰূপাক শাৰীৰিক ভাৱে শাস্তি দিয়াৰ পিছতো সেইখিনিতে ক্ষান্ত নেথাকিল। তাইক কলেজলৈ যোৱাও বন্ধ কৰি দিলে আৰু ঘৰৰ পৰা অতি সোনকালে লৰা এজন চাই বিয়া দিয়াৰ কথা চিন্তা কৰিলে। ৰূপাই কথা বিষম দেখি জোনলৈ চিঠিৰে জনালে—

মৰমৰ জোনদা,

পোনতে আপোনালৈ মোৰ মৰমবোৰ পঠালো। মোৰ আশা ঘৃণা নকৰি গ্ৰহণ কৰিব। এটা বিশেষ কাৰণত আপোনালৈ লিখিলো, আপুনি চাগৈ আচৰিত হব। অহা এপ্ৰিল মাহৰ ২২ তাৰিখে মোৰ বিয়া। লৰা জনৰ ঘৰ পুৱ মঙ্গলদৈত, এখন ভেন্সাৰ কলেজৰ কেৰাণী, নাম কাশীনাথ। সেয়ে আশা আমাৰ প্ৰতিশ্ৰুতিৰ মৰ্য্যাদা আপুনি ৰক্ষা কৰি, আপুনি মোৰ শুভাকাংক্ষী হ'ব। জোনদা, বিধিৰ লিখন কোনে জানে? ঈশ্বৰৰেই ইচ্ছা, আপোনাক মনে-প্ৰাণে ভালপাইয়ো আপোনাৰ জীৱনৰ সংগী হবলৈ নাপালো। ঘৰৰ পৰা জোৰ-জুলুমকৈ বিয়া পাতিলে। মোৰ আপত্তিক দাদাহঁতে গুৰুত্বই নিদিলে। মা-দেউতাৰ মৰমত ডাঙৰ-দীঘল হলো যেতিয়া মইয়ো দেউতাৰ অবাধ্য হব নোৱাৰিলোঁ।

আশা কৰো সেইদিনা বিয়াত উপস্থিত থাকি মোক আৰ্শীবাদ দিবহি। ইতি

আপোনাৰ ৰূ......পা

জোনে চিঠিখন পঢ়ি চাই বিশ্বাস কৰিবই পৰা নাছিল। বহুবাৰ পঢ়ি চাই দেখিলে ৰূপাৰেই হাতৰ আখৰ সেয়া। সি মনতে ভাবিব ধৰিলে—"ইমান বিশ্বাসঘাতকতা কৰিলে ৰূপাই।" নাই নাই তাৰ নিজৰে ভুল। কিহে পাইছিল ইমান আত্মাভিমানী পৰিয়ালৰ ছোৱালীক ভালপাবলৈ।" তাৰ উশাহ-নিশাহ বন্ধ হৈ যাবৰ উপক্ৰম হৈছিল। সি ধৈৰ্য্য ধৰি বল। আৰু বেছি সময় ৰৈ নেথাকি নতুন ব্লেডখন হাততলৈ বাওঁহাতৰ মাজৰ আঙুলীটোৰ পেটত লেপি দিলে। আৰু চিয়াহী বিহীন কলমটোৰে ৰূপালৈ তেজেৰে লিখিবলৈ ধৰিলে—

মৰমৰ ৰূপা,

পোনতে তোমালৈ মোৰ অনাবিল মৰম যাচিলোঁ। মোৰ বৰ্ত্তমান ভাল। বৰ সুখী হৈছো তোমাৰ চিঠিখন পাই ৰূপা। যৌৱনৰ প্ৰাকমুহূৰ্তত তোমাক ভাল পাইছিলো, নিৰিবিলি গধূলী দুয়ো প্ৰতিজ্ঞাবদ্ধ হৈছিলো। কিন্তু তুমি সকলোকে নেওচি আগবাঢ়িলা। তুমি ঠিকেই কৰিছা ৰূপা।..... তুমি ঠিকেই কৰিছা।। তুমি তোমাৰ উপযুক্ত মানুহ বিচাৰি পাইছা। মোৰেই ভুল। তোমাৰ আগত আজি মই ভুল স্বীকাৰ কৰিছো। তুমি ধনী মানুহৰ ছোৱালী। তোমাক পাবলৈ আশা কৰাটো মোৰ পাপ। পৰ্বতৰ টিঙত কাছৰ কণী বিচাৰিলে জানো পায়? তুমি তোমাৰ পথ বিচাৰি লৈছা। ৰূপা, তুমি যেতিয়া এই চিঠিখন পাবা তেতিয়া ভাবিবা মই আৰু এই পৃথিৱীত নাই। গুচি যাম অজান দূৰলৈ। যত মানুহৰ ভেদা-ভেদ নাই। শেষত তোমাৰ দাম্পত্য জীৱন সুখী হোৱাৰ কামনাৰে—

তোমাৰ, জো........ন।

পিছত ৰূপাই চিঠিখন চাই দেখিলে তেজৰ আখৰ। লগে লগে চিএঞৰি দিলে। তাই মাথোঁ এবাৰেই চিএঞৰিলে। জোনদা, ৰব মইয়ো আপোনাৰ পিছে পিছে গৈ আছো।। পিছমুহূৰ্ততে ৰূপা মাটিত ধাচকৰে পৰি গ'ল। লাহে লাহে তাইৰ দেহটো জথৰ হৈ আহিল।■





খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী দ্বিতীয় সংখ্যা



# এটি নতুন দিনৰ সন্ধানত

**আজিম আহমেদ আনছাৰী**
সাংস্কৃতিক ও ছাত্ৰ জিৰনি কোঠা সম্পাদক

অতীতৰ বুকুত এটি বছৰে বাগৰ সলাইছে। পৃথিৱীলৈও বসন্ত ঋতু অহাৰ দৰে আনিৰ্বাণৰ জীৱনলৈও আনন্দ-স্ফূৰ্ত্তি কৰাৰ দিন আহিছিল। অনিৰ্বাণ হাইস্কুলৰ ডেওনা পাৰ হৈ কলেজীয়া জীৱনত ভৰি দিছিল। কোনে জানো কৈছিল কলেজীয়া জীৱন, জীৱনৰ আটাইত কৈ মধুৰতম ক্ষণ, জীৱনক নতুন কৈ উপভোগ কৰাৰ প্ৰকৃত সময়। সি ভাবিছিল প্ৰকৃত ভাৱে ভালপালে জীৱনৰ প্ৰতিটো ক্ষণেই মধুৰ আনন্দদায়ক। তথাপিও জানো মনৰ মাজত বিভিন্ন সমস্যা লৈ কোনো এটি কামত সঠিক সফলতা লাভ কৰিব পাৰি। কিছু দিনৰ ভিতৰতেই অনিৰ্বাণৰ আনন্দ-স্ফূৰ্টি বোৰ সেয হৈ বতাহৰ লগত বিলীন হৈ গৈছিল। অনিৰ্বাণৰ জীৱনৰ আটাইতকৈ আনন্দ-স্ফূৰ্তি কৰাৰ সেই সময়তেই তেওঁৰ জীৱনলৈ নামি আহিছিল ঘোৰ দুৰ্যোগ। অনিৰ্বাণৰ দেউতাক মাত্ৰ কেইটিমান দিনৰ ভিতৰতে কেনছাৰ ৰোগত ভোগি মৃত্যুক আকোৱালি লৈছিল। দেউতাকৰ মৃত্যুত অনিৰ্বাণে চাৰিওফালে মাথো অন্ধকাৰ দেখা পাইছিল। অনিৰ্বাণ ঘৰখনৰ ডাঙৰ ল'ৰা হোৱাৰ বাবে তেওঁৰ ওপৰতে ঘৰখনৰ সকলো দায়িত্ব পৰিছিল। নানা দুখ-কষ্টৰ মাজেৰে অনিৰ্বাণহঁতৰ দিনবোৰ পাৰ হৈছিল। সাংসাৰিক দায়িত্ব মূৰত লৈয়ো অনিৰ্বাণে ভাই, ভনী দুটাক লিখা-পঢ়া কৰোৱাৰ লগতে নিজেও সুখ্যাতিৰে হাইয়াৰ ছেকণ্ডাৰী পাছ কৰি বি. এ. ক্লাছত নাম ভৰ্ত্তি কৰিছিল।

অনিৰ্বাণৰ ওপৰত ঘৰখনৰ গধুৰ দায়িত্ব পৰিলেও সি মনৰ মাজত ভালপোৱাৰ এক অবুজ শিহৰণ কঢ়িয়াই লৈ ফুৰিছিল। ভাল পোৱাৰ মাজেৰে সি জীৱনৰ দুখ-বেদনাবোৰ পাহৰি থাকিব বিচাৰিছিল। বিভা অনিৰ্বাণৰ হায়াৰছেকণ্ডাৰী প্ৰথম বৰ্ষৰ পৰাই ক্লাছ মেট। অনিৰ্বাণ আৰু বিভাহঁতৰ ঘৰৰ মাজত দূৰত্ব এক কিলোমিটাৰ মান হোৱাৰ বাবে দুয়োৰে মাজত আগৰে পৰাই চিনাকী। অনিৰ্বাণে বিভাক প্ৰথম লগ পোৱাৰ পৰাই বুকুৰ কোনোবা এটা অংশত বিভাৰ প্ৰতিচ্ছবি কঢ়িয়াই লৈ ফুৰিছে। অনিৰ্বাণে ভাবিছিল সময় সুযোগ-সুবিধা পালেই সি বিভাক আপোন কৰি লোৱাৰ পথত খোজ দিব। অনিৰ্বাণ আৰু বিভাৰ মাজত এক নিৰবচ্ছিন্ন বন্ধুত্ব। সিহঁত দুয়োটা লাহে লাহে বেছি অন্তৰঙ্গ হৈ পৰিছিল। দুয়ো দুয়োৰে মনৰ কথা আদান প্ৰদান কৰিছিল। ছেগ বুজি অনিৰ্বাণেও বিভাৰ প্ৰতি অভিমান কৰি আহিছে। অনিৰ্বাণে নিজৰ ভালপোৱাৰ অনুভূতিবোৰ বিভাৰ আগত প্ৰকাশ কৰাৰ সাহস পোৱা নাছিল। একমাত্ৰ ঘৰখনৰ পৰিচালনাৰ চিন্তাতেই তেওঁ বেছি দূৰ আগুৱাব পৰা নাছিল। অনিৰ্বাণৰ অন্তৰঙ্গ বন্ধু ৰাজৰ লগত সি বিভাক বহু দিনৰ পৰা ভাল পাই অহাৰ কথাবোৰ আলোচনা কৰিছিল। ৰাজেও অনিৰ্বাণক বুজাইছিল।

এদিনাখন মেজৰ ক্লাছটো কৰি আহি অনিৰ্বাণে কলেজৰ বাৰান্দাত এটি খুটাত আউজি থিয় হৈ আছিল। অলপ পিছতে বিভাও আহি তাৰ ওচৰত থিয় হৈ সুধিলে—

ঃ এই অনিৰ্বাণ ইয়াত অকলে অকলে থিয় হৈ কি কৰি আছানো?

বিভাৰ মাতত হে অনিৰ্বাণৰ তন্ময়তা ভাঙিছিল। দুয়োৰে মাজত কথা-বতৰা চলি থকা সময়তে বিভাই কথা প্ৰসঙ্গত সুধিলে—

ঃ তুমি পঢ়ি-শুনি কি হ'বা বুলি ভাবিছা, মানে তোমাৰ জীৱনৰ লক্ষ্য কি?

বিভাৰ এনে এটি প্ৰশ্নৰ বাবে অনিৰ্বাণ সাঁজু নাছিল। সি কিছু বিব্ৰত হৈ মনে মনে ভাবিছিল তাৰ দৰে দুখীয়া ঘৰৰ লৰাবনো ভৱিষ্যতে কি হব? কলেজৰ শিক্ষক হবলৈ এম, এ পঢ়াৰ বাবে তাৰ টকা-পইছা আছে জানো? কি উত্তৰ দিব সি বিভাক!

ঃ কি হ'ল উত্তৰ নাই নেকি? তাই আকৌ সুধিছিল। বিভাৰ মাততহে তাৰ তন্দ্ৰা ভাঙি যায়।

ঃ অ', কি কৰিম আৰু বিজনেছ। শব্দটো ওলাও-নোলাও কৈ ওলাই আহিছিল অনিৰ্বাণৰ মুখেদি।

ঃ তাৰ মানে তুমি স্ব-নিৰ্ভৰশীল হব বিচাৰিছা। এটা মৃদু হাঁহি বাগৰি গৈছিল বিভাৰ ওঁঠেদি।

অনিৰ্বাণে বিভাক সোধো-নোসোধো কৈ সুধি পেলাইছিল—

ঃ তোমাৰ জীৱনৰ লক্ষ্য নক'লা দেখোন?

ঃ এডভোকেট, তাই সামান্যতমো সংকোচ নকৰাকৈ কৈছিল।

কথাৰ প্ৰসঙ্গ আগ নবঢ়াই বিভা অনিৰ্বণৰ ওচৰৰ পৰা খোজ লৈছিল ঘৰলৈ।

অনিৰ্বাণৰ অন্তৰখনে বিভাৰ সান্যিধ্য লাভৰ বাবে আকুল হৈ পৰিছিল। কিন্তু সি কৰিব কি? সি ভাৱিছিল বিভাৰ ওচৰত তাৰ অন্তৰৰ সকলো কথাই কৈ দিব। আকৌ সি থমকি গৈছিল, যদি বিভাই তাৰ ঘৰখনৰ অৱস্থাৰ বাবে তাৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। অনিৰ্বাণৰ মনত শত-সহস্ৰ প্ৰশ্নই দোলা দি গৈছিল। বিভাই জানিছিল অনিৰ্বাণ যে, দুখীয়া ঘৰৰ ল'ৰা।

অনিৰ্বাণ আজি কোনটো সন্ধিক্ষণত উপস্থিত হৈছে নিজেই ঠিক ধৰিব পৰা নাই। সমগ্ৰ পৃথিৱীৰ দুখে ভাগৰে তাক আহি আমনি কৰিছেহি।

হৃদয়ৰ মাজত একুৰা জুই লৈ জীয়াই থকা কিমান অসহ্যকৰ তাক হয়তো সকলোৱে নাজানে। অনিৰ্বাণে কেতিয়াবা ভাবি ভাবি পাৰা-পাৰ হেৰুৱাই পেলায়। অনিৰ্বাণে ভাবি নাপায় কোনটো ভুলৰ বাবে সি বুকুৰ মাজত এবুকু বেদনা কঢ়িয়াই লৈ ফুৰিছে। অনিৰ্বাণৰ এটি তপত হুমনিয়াহ ওলাই আহে। সি আৱিস্কাৰ কৰি পেলায় তাৰ এটা বস্তুৰে অভাৱ, ধন-সম্পদ, ঐশ্বৰ্য্য-বিভূতি। সেয়েই তাৰ ভুল। এক অক্ষমনীয় অপৰাধ।

অনিৰ্বাণহঁতৰ টেষ্ট পৰীক্ষা চলি আছে. আজি অনিৰ্বাণ পৰীক্ষাৰ শেষত বিভাক লগ ধৰি মনৰ সকলো কথাই ব্যক্ত কৰাৰ সিদ্ধান্ত লৈ বিভাক লগ ধৰিলে।

ঃ বিভা তোমাক কথা এটা কম। বেয়া পোৱা যদি...

ঃ বেয়া পাবলৈনো কিটো আছে। মইও তোমাক কথা এটি কম। বিভাই কলে।

ঃ কোৱা তেন্তে তোমাৰ কথাকে শুনো আগতে. অনিৰ্বাণে কলে।

অনিৰ্বাণ ভাবিলে এই সময়ত বিভাক এইবোৰ কথা কোৱাটো ঠিক নহব। প্ৰেমে সদায় নিৰৱতা বিচাৰে।

ঃ কি হল তোমাৰ কথাটো নক'লা যে? বিভাই কৌতুহলী দৃষ্টিৰে চালে অনিৰ্বাণলৈ।

ঃ অঁহ! পাহৰিছিলোৱেই। পিছে বিভা এতিয়া নকওঁ। কওঁতে যথেষ্ট সময় লাগিব। তোমালোকৰ ঘৰতে গৈ কম।

ঃ ঠিক আছে তেন্তে, তুমি চাৰি বজাত আমাৰ ঘৰলৈ আহিবা, মই তেতিয়া ফ্ৰি থাকিম। বিভাই অনিৰ্বাণক কথাষাৰ কৈ বিদায় ল'লে।

অনিৰ্বাণো কথাৰ প্ৰসংগ আগনবঢ়াই ঘৰলৈ খোজ দিলে আৰু মনতে ভাৱিলে এনে এজনী ছোৱালীৰে তাৰ দৰকাৰ। অনিৰ্বাণ উন্মাদ হৈ পৰে বিভাৰ সান্যিধ্য লভিবলৈ।

বিয়লি চাৰি বজাত অনিৰ্বাণ বিভাহঁতৰ ঘৰত উপস্থিত হ'ল গৈ। কলিং বেলটো টিপি-টিপি অধৈৰ্য্য হৈ পৰিল অনিৰ্বাণ। বিভাহঁতৰ ঘৰৰ কোনো ব্যক্তিৰে মুখ দৰ্শন কৰিব নোৱাৰি ওভতি আহিবলৈ খোজ ললে অনিৰ্বাণ।

ঃ কাক বিচাৰিছে? বিভাহঁতৰ ঘৰৰ কাম কৰা ছোৱালীজনী বাহিৰলৈ ওলাই আহি সুধিলে।

ঃ বিভাক। অনিৰ্বাণে উত্তৰ দিলে।

ঃ তাই অলপ আগতে মোমায়েকৰ ঘৰলৈ গৈছে। কথাষাৰ কৈয়ে কাম কৰা ছোৱালী জনী ভিতৰলৈ সোমাই যায়।

অনিৰ্বাণে বিষাদ ভৰা অন্তৰ লৈ ঘৰলৈ ওভতিবলৈ খোজ লওঁতেই বিভাহঁতৰ ঘৰৰ ভিতৰৰ পৰা এক অট্টহাস্য ভাঁহি আহি অনিৰ্বাণৰ কাণত আঘাত কৰিলেহি। অনিৰ্বাণৰ বুজি পাবলৈ বাকী নাথাকিল যে, ঘৰৰ ভিতৰত বিভাহঁতে কথা পাতি আছে। অনিৰ্বাণৰ অন্তৰখন দুখ-বেদনাৰে ভৰি পৰিল। অনিৰ্বাণৰ বন্ধু ৰাজে কোৱা কথা কেইষাৰ তাৰ আজি মনত পৰিল। সি কৈছিল—

ঃ অনিৰ্বাণ তই দুখীয়া ঘৰৰ লৰা। দুখীয়াৰ গাত সদায় দৰিদ্ৰতাৰ এক অস্বস্তিকৰ গোন্ধ লাগি থাকে। তোৰ জীৱন দৰ্শনৰ লগত বিভাহঁতৰ একেবাৰে মিল নাই। বিভাই তোক কেতিয়াও বুজিবলৈ চেষ্টা নকৰে।

ৰাজে ঠিকেই কৈছিল, কিন্তু অনিৰ্বাণেহে বুজাত বহু পলম হৈ গ'ল। মানৱতাহীন মানুহবোৰৰ প্ৰতি অনিৰ্বাণৰ প্ৰচণ্ড ঘৃণা উপজিল। ধন-সম্পদ নাথাকিলেও মানৱতা লৈ জীয়াই থাকিব লাগিব অনিৰ্বাণহঁতৰ দৰে মানুহবোৰে। এটি নতুন জীৱন আৰম্ভ কৰাৰ হেপাহত অনিৰ্বাণৰ মন-প্ৰাণ পুলকিত হৈ উঠিল। মনৰ দৃঢ়তাত অনিৰ্বাণ খৰখেদাকৈ ওভতনি বাটত খোজ পেলালে। মন আকাশত তেতিয়া তাৰ দোক-মোকালিৰ এক উদুলি-মুদুলি।।





# বিতৃষ্ণাৰে ভৰা এটি মন

মঃ ছাহাবুদ্দিন আহমেদ, (প্ৰাক্তন ছাত্ৰ)
খাৰুপেটীয়া মহাবিদ্যালয়

মহাবিদ্যালয়ৰ বি, এ, পাছ কৰি সঞ্জীৱে স্থানীয় চহৰতে অফিচৰ ষ্টেচনাৰী ছাপ্লাইৰ দুই এটা সৰু সুৰা কাম কৰি আছিল। লগৰ বন্ধু বৰ্গই তাক দিহা টো দিছিল। কাৰণ চাকৰিৰ বজাৰখন এতিয়া খুবেই মহঙা। গতিকে চাকৰি বিচাৰি হাবাথুৰি খোৱাতকৈ স্বনিয়োজিত হোৱাই শ্ৰেয়।

এদিন আবেলি পৰত সঞ্জীৱে বিছনাত শুই আছিল যদিও দিনত শোৱা অভ্যাস তাৰ নাছিল। তাতে তিনি বজাত সি নতুন গ্ৰুপ এটাৰ টিউশ্বন আৰম্ভ কৰাৰ কথা আছিল। সি বিছনাৰ কাষতে থকা টেপটোলৈ চাইছিল, কেছেট্ এখন আগৰে পৰাই বাজি আছিল। বিচনাৰ পৰা উঠি গৈ কেছেটৰ বাকচ খুচৰি নতুন কেছেট আনিবৰ মন নাই বাবে সেইখন কেছেটৰে গান শুনাত মগ্ন হ'ল। যদিও কেছেট খন পুৰনি তাকেই শুনি থাকিবলৈ তাৰ বেয়া লগা নাছিল।

টক্ ....টক্.... কৈ দুৱাৰত টোকৰ পৰাত সঞ্জীৱৰ মগ্ন ধ্যানত যতি পৰিল। সি লাহেকৈ উঠি গৈ দুৱাৰখন খুলি দিছিল।

আৰে! ৰাতুল! তই দেখোন ? কৰ পৰা আহিলি! খা-খবৰ কেনেকুৱা? বহু দিনৰ মূৰত বন্ধু ৰাতুলক দেখি সি একে উশাহতে প্ৰশ্নকেইটা কৰিছিল। তোৰ প্ৰশ্নৰ উত্তৰ মই থিয় হৈ দিব নোৱাৰিম। ৰাতুলে কৈছিল।

ঃ অ' বেয়া নাপাবি। মই পাহৰিয়ে গৈছিলো। বহ.... বহ.... । সঞ্জীৱে কৈছিল।

ঃ এতিয়া শুন তোৰ প্ৰশ্নৰ উত্তৰ। মই ঘৰৰ পৰা আহিলো। খবৰ ভাল। আৰু মোৰ বিয়ালৈ তোক মাতিবলৈ আহিলো। ৰাতুলে কৈছিল।

ঃ তোৰ বিয়া - কেতিয়ালৈ ? আচৰিতহৈ সঞ্জীৱে সুধিছিল।

ঃ অহা ১ জানুৱাৰিত। — ৰাতুলে কৈছিল।

ঃ একদম গৰম খবৰ! পিছে ন-কইনাৰ নাম ধাম মনত আছেনে? — সঞ্জীৱে সুধিছিল।

ঃ নাম মঞ্জু ৰানী। ঘৰ বেলতলাত। কথা প্ৰসংগত তোৰ কথা কৈছিল। মঞ্জুৱে কলে, তোক হেনো তাই চিনি পায়। মহাবিদ্যালয়ত তহঁত একেটা বেটছৰে ষ্টুডেন্ট আছিলি। তোৰ নিচিনা কৈ তাই আকৌ মৰা মানুহৰ কিতাপ পঢ়া ছাত্ৰী নাছিল।

ঃ হব ভাই। বেচি লেকচাৰ মাৰিব নালাগে। তই অকণ মান বহ! চাহ দুকাপ কৰি আনো। সঞ্জীৱৰ কথা শেষ হবলৈ নৌপাওঁতেই ৰাতুলে কৈছিল তোৰ যদি খাবৰ ইচ্ছা আছে তেন্তে খা, মোৰ খাবলৈ মন নাই। তোৰ ঘৈণীয়েৰ অহাৰ পিছত খাম। অকলে চাহেই নহয়, মাংস ভাতো খাম।

ঃ মোৰ ঘৈণী আহিব তেতিয়া মাংস ভাত খাবি থ-থ। তই মঞ্জুক লৈ আহি মোৰ ইয়াত ভাত খাবি কোনো কথা নাই। এতিয়াৰ পৰাই সাজু হৈ থাক— সঞ্জীৱে কৈছিল।

ঃ কিয় তই বিয়া নাপাত নেকি? নে কোনোবাই বিট্ৰে কৰিলে? ৰাতুলে অলপ কেৰাহিকৈ সুধিছিল?

ঃ ক ক'লি! কোনোবাই যেন তাৰ কলিজাত চোকা ছুৰী এখনহে সুমুৱাই দিছিল। সঞ্জীৱে হাহোঁ নাহাহোঁকৈ উত্তৰ দিছিল মোক বিট্ৰে কৰিবলৈ কোন আহিব?

(২)

বহু দিনৰ মূৰত প্ৰিয়ংকাৰ কথা মনত পৰাৰ বাবে অতীতৰ স্মৃতিচাৰণ কৰাত সঞ্জীৱৰ চকুয়েদি চকুলো বাগৰছিল। সঞ্জীৱৰ যেতিয়া ২১/২২ বছৰ, সেই সময় ছোৱাত সি লগ পাইছিল প্ৰিয়ংকাক। প্ৰিয়ংকা আছিল আঢ্যবন্ত ঘৰৰ ছোৱালী। আচৰিত ধৰণে প্ৰিয়ংকাৰ চাল-চলনত প্ৰকাশ পাইছিল সুন্দৰ ৰুচিবোধ। তাইৰ মাৰ্জিত আচৰণে সকলোকে মুহিব পাৰিছিল। প্ৰিয়ংকা আছিল শিক্ষা বিভাগৰ ছাত্ৰী। মহাবিদ্যালয়ত পঢ়ি থাকোতে প্ৰিয়ংকায়ে প্ৰথমে সঞ্জীৱক প্ৰেম নিবেদন কৰিছিল। সঞ্জীৱে প্ৰথমে প্ৰিয়ংকাৰ কথাত গুৰুত্ব দিয়া নাছিল। সঞ্জীৱে প্ৰিয়ংকাক বহু ধৰণৰ বুজনি দিছিল যে সি ধনীৰ দুলাল নহয়। প্ৰিয়ংকাক ভালদৰে ৰখাৰ সামৰ্থ্য তাৰ নাই। পিছে প্ৰিয়ংকাও আছিল জেদি। সঞ্জীৱৰ সকলো প্ৰচেষ্টা অথলে গৈছিল। প্ৰিয়ংকাৰ মৰম আৰু চেনেহৰ সাগৰৰ মাজত ডুবি থাকোঁতে সঞ্জীৱে পাহৰি পেলাইছিল তাৰ সমস্ত জীৱনৰ দুখ আৰু যন্ত্ৰনা। জীৱন টোৰ নতুন দিশ বিচাৰি পোৱা যেন লাগিছিল তাৰ। প্ৰিয়ংকাক লৈ সঞ্জীৱে অনন্ত আশা আৰু কতযে কল্পনা কৰিছিল। পিছে সঞ্জীৱৰ সেই আশা আৰু কল্পনা ভাঙি চুৰ মাৰ হৈ যাবলৈ বেছি সময় লগা নাছিল। বি. এ পৰীক্ষা দিয়াৰ পাছতে প্ৰিয়ংকাৰ বিয়া হৈছিল নামজ্বলা এজন ব্যৱসায়ীৰ লগত। প্ৰিয়ংকাৰ ওপৰতেই কেৱল নহয় সমগ্ৰ নাৰী জাতিৰ ওপৰতে প্ৰচণ্ড ঘৃণা উপজিছিল সঞ্জীৱৰ।

(৩)

লাহে লাহে গধূলি নামি আহিল। আবেলিৰ কথা খিনিয়ে সঞ্জীৱক বৰ আমনি কৰিছিল। সি আজি অকলশৰে থাকিবলৈ বিচাৰে। কাৰণ সি আজি বৰ ক্লান্ত। যোৱা দুটা বছৰ ধৰি খেলি থকা খেল খনত সি সম্পূৰ্ণ ৰূপে পৰাজিত! বিধ্বস্ত। চিগাৰেট এডালৰ বৰ প্ৰয়োজন অনুভৱ কৰিছে সি। লাহে লাহে সঞ্জীৱে ৰাস্তাৰ ফালে খোজ ললে। পাৰ্কৰ ক্ষীণ লাইটৰ পোহৰত দেখিলে অ'ত ত'ত প্ৰেমালাপত মগ্ন ডেকা-গাভৰু। প্ৰেম! হুহ! তাৰ যে এই শব্দটোৰ প্ৰতিয়েই বিতৃষ্ণা। কিহৰ বাবে এই প্ৰেম? প্ৰেম মানেই বা কি? তাৰ চিঞৰ চিঞৰি কবলৈ মন যায়, নল'বা প্ৰেমৰ নাম প্ৰেম, মোৰ বাবে এক ভয়াবহ অভিজ্ঞতা। প্ৰেম ভাল পোৱাৰ প্ৰতি সঞ্জীৱৰ অলপো বিশ্বাস নোহোৱা হ'ল। এই পৃথিৱীত যেন হৃদয়ৰ কোনো মুল্য নাই। মৰম নামৰ শব্দটিৰ যেন অপমৃত্যু ঘটিছে। সকলোবোৰ কেৱল একো একোটা নিৰ্জীৱ শব্দ, যেন কেৱল হৰা জিকাৰ এক জুৱা খেল। প্ৰেমে সঞ্জীৱৰ জীৱনৰ দুটা বছৰৰ সোণালী সময় ধ্বংস কৰি দিলে, ধ্বংস কৰিলে প্ৰেমৰ মূল্য নুবুজা প্ৰিয়ংকাই। নিৰিবিলি গধূলি সময়ত উঠি অহা খংটো সঞ্জীৱে বহু কষ্টৰে দমন কৰি লাহে লাহে দোকানৰ সন্মুখ পালেগৈ। চিগাৰেট এটা জ্বলাই সি ভাবৰ নিজা পৃথিৱীত বুৰ গ'ল।



সঞ্জীৱে যেন দেখি আছে — বিয়াৰ পিছত আজি ৰাতুল আৰু মঞ্জু ৰাণীৰ যুগ্ম জীৱনৰ আৰম্ভণী। আজি ফুলশয্যা নিশা। দুটা ভিন্ন দেহ আৰু দুখন ভিন্ন হৃদয় দুয়োৰে অমল স্পৰ্শত অভিন্ন হোৱাৰ আজি হব প্ৰথম প্ৰাৰ্থনা। দুয়ো দুয়োকে পাই সিহঁতৰ মুখ দুখন যেন উজ্বলি উঠিছে। পূৰ্ণ প্ৰত্যয়ত উদ্ভাসি উঠিছে দুটা জীৱন। শেষ হব ধৰা চিগাৰেটৰ জুইৰ তাপ হঠাৎ আঙুলিত লগাত সঞ্জীৱৰ তন্ময়তা ভাঙে। এই দৰে যে বহুসময় বহি আছিল সি এতিয়াহে ভাবি চালে। সি ঘৰলৈ যাবলৈ খোজ পেলাইছে। দীঘল হুমুনিয়াহ এটাই তাক আশ্বস্ত কৰি গ'ল। সি ৰাতুলৰ বিয়াত কি উছৰ্গা দিব ভাবি চাইছে। উলাহত মনটো ভৰি গৈছে তাৰ। সি অনুভৱ কৰিলে তাৰ হৃদয় আৰু প্ৰেমৰ যেন অপমৃত্যু ঘটা নাই এতিয়াও। ●

আনক সমালোচনা কৰাৰ আগতে নিজক সমালোচনা কৰা। নিজে পৱিত্ৰ হলেহে আনৰ বিষয়ে মন্তব্য দিব পাৰিবা

— ছক্ৰেটিছ

সংগ্ৰাহক ঃ- ছাইদুৰ ৰহমান স্নাতক ১ম বৰ্ষ।





# UNHEARD MELODIES

**Parimal Kumar Datta**
M. A. (Double), M.Ed., Lecturer.
Department of Sanskrit
Kharupetia College, Kharupetia

("Kalidasa" the brightest luminary in the firmament of Sanskrit Literature observed perfect reticence about his identity." So his personal history is shrouded in obscurity. This story may unfold a chapter of his life. I am specially indebted to S. Banerje, R. Bose and my father for this article)

" **Heard melodies are sweet, but those unheard are sweeter, therefore, ye soft pipes, play on"**

**–John Keats.**

*"Get Out! Get out!"*

*The princess turned sharply.*

*"You, villain! You, cheat!" cried out the princess.*

*"I hate you. I hate you," she shrieked.*

*"Why?" said he innocently.*

*"You deceived me. You are a liar," charged she.*

*"Don't charge me. Don't blame me. I am your husband," he reminded.*

*"Husband! An uncultured, rustic woodcutter can never become my husband. Forget me," She said angrily.*

*"I married you only three hours ago. How can I forget you?" asked he gloomily.*

*"I can't accept you as my husband. My father is the King of Kuntala. I am far better educated than you. Moreover you are a thief." explained she.*

*"But what is my fault?" asked he eagerly.*

*"You are a cheat. You are a thief. You are not the prince of Saurastra. You are also an idiot". the King joined.*

*"Oh! Father!" She jumped up.*

*"Father! I am ruined. He is illiterate. Illiterate! I hate an illiterate person." She rocked her head disdainfully.*

*"Don't do it. I will punish him. He will be thrown out of the palace before sun-rise," the king assured her.*

*What should he do now ? Haimashri would be alone if he was banished. How could she pass her days without her husband? Her second marriage was not possible. Should he be sent into exile? It was the only solution. Then the King turned towards*

*Kalidasa.*

*"You will be sent into exile. Get yourself ready.Leave this palace immediately. Never try to come here," the King ordered and warned.*

*Kalidasa was speechless. He stood still half-dreaming. He remembered what had happened and why he had come here and how.........*

*Today he was cutting a branch of a tree with a sharp axe. He was sitting at the fore-part of the branch. He would certainly fall down as soon as the cutting of the branch was over.*

*At that time Makarvarma, prince of Saurastra, appeared there. He was going to the capital of Kuntala to attend the Swayambara Sabha ( a Ceremony of choosing ones husband) of Haimashri> Haimashri was the princess of Kuntala.*

*He tied his royal horse to that tree. He kept his dress and crown on the back of his horse. Then he went to a lake to bathe. He was sure that the wood-cutter would not steal his dress and crown becasuse he was the foolest person that he ever met.*

*Kalidasa was surprised to see such royal garments and the crown. He bent down and picked up these one by one. He put on these. Then the branch of the tree fell down on the horse with Kalidasa. He caught hold of the horse fast. It galloped away and reached the Golden Palace of Kuntala. The gaurds at the gate stopped the horse and dismounted Kalidasa.*

*"Wel come! Welcome! Prince of Saurastra! This Golden Palace of Kuntala has becoem sacred by the touch of your PADA DWANDWA", ( Pada = leg, Dwandwa= Two). The courtiers who were waiting to receive the guests welcomed him.*

*"Dwandwa? What is the meaning of Dwandwa?" asked Kalidasa ignorantly.*

*They thought that the prince was making fun.*

*"You are not only a great scholar and mighly soldier but also a humorous person. Don'you know that the meaning of DWANDWA is two? said the Prime Minister amusedly.*

*"Please listen to me. You are mistaken in thinking me the Prince of Saurasthra. I am not the prince of Saurastra. I am ....." he was interrupted.*

*"Heh... heh... heh! We knwit. The royal symbolengraved in your crown reveals your identity," said the Prime Minister.*

*Kalidasa failed to introduce himself. Then they reached the chamber of the princess. Haimashri was sitting with her maiden friends. She saw Kalidasa.*

*"How handsome this prince is! He is like Cupid. Will this young prince be able to answer the questions aske by me?" She thought anxiously.*

*Fifty kings from all over the country failed to win her> She felt special attraction for this prince. She fell in love at first sight.*

*Kalidasa was charmed by the intoxicating beauty of Hamashri. But he was more charmed by the splendour of the stained window glasses and the magnificent interior decorations of the room. He never visited a royal mansion. He only heard of the stories of kings, queens, princes and princesses.*





*"How fortunate I am! I am here! I am in the chamber of the princess! How can I express my feelings? I have no language to express my feelings. I am illiterate. I wish I were educated!" repented he bitterly.*

*"Between whom does a DWANDWA occur?" She threw the first question anxiously.*

*The question broke his meditation.*

*"DWANDWA? DWANDWA means two. DWANDWA two. DWANDWA - Two", he repeated. He learnt the meaning of this word from the Prime Minister a few minutes ago.*

*"Splendid! You are right. What a scholar you are!"*

*"How can you say that his answer is correct?" asked her maiden friends.*

*"The Meaning of DWANDWA is also a quarrel' generally a quarrel happens between two persons. the prince has said DWANDWA means two. So his answer is absolutely correct as a quarrel takes place between two persons. What a genius he is!" she wondered.*

*Surprised by this method of answering , all the ministers praised him loudly. Her maiden friends dashed her naughtily. Kalidasa only smiled.*

*"Do you know that I am an impossible booby? You don't know. So you are priaising me. Wonders! Only wonders!" he thought.*

*Then his eyes went through an open window and fell on two warrors. They were practising fencing outside. A warrior threw his sword speedily upon the other worrior. Death was Sure. Kalidasa was terrified at the sight of it. He covered his eyes and groaned, "Ah! Ah!"*

*Just at the right moment the princess asked the second question.*

*"Which is the most powerful thing in the world?"*

*He groaned again, "Ah! Ah!". He was still horrfied.*

*"Excellent!" she shouted in great excitement.*

*"How?" inquired the maiden friends. They were surprised to mark changes in her behaviour.*

*"He is much afraid. So he groans. It means that 'Fear' is the most powerful thing in the world. Everyone is a subject to 'Fear" so 'Fear' is the most powerful thing in the world, isn't it?" she eyed them triumphantly.*

*All the persons in the room were dumbfounded with astonishment.*

*Kalidasa only smiled. Then he lended his eyes on a pair of parrots. They were kept in a gloden cage in a corner of the room.*

*"Hush! Hush!" he yelled out.*

*The last and third question came from Haimashri.*

*"Which is the sweetest thing in the world?"*

*The parrots were kissing each other. It was a fascinated sight.*

*"See! See! How fascinating!" he pointed to the cage.*

*"Bravo! Bravo!" She jumped from her seat. All the cords of self restraint of*

*Haimashri loosened. She vented her love for the Prince by means of her horripilated cheeks.*

*"Why are you applauding him?" questioned the astonished maiden friends.*

*" What are the parrots doing? They are kissing each other. It is the way of the expression of their Love. and Love is the sweetest thing in the world," expanded she.*

*The princess stepped towards Kalidasa.*

*" You are great. You are my hero. I am yours" so saying she put garlands on him.*

*Her maiden friends clapped their hands. The ministers raised slogans " Long live Makarvarma! Long live the prince of Saurastra!"*

*" Come to the Great Hall with all for the Swayambar Sabha. Announce the news of their mariage. Invite all the subjects to witness their marriage. Do these now". ordered the Prime Minister to the Deputy Prime Minister.*

*" I am going to meet the King and report him", the Prime Minister said and left the room.*

*Readers, let us go to the other part of the palace. The King of Kuntala and the prince of Saurastra were discussing a serious matter. The king came to knwo the real identity of his newly married son-in-law from Makirvarma. He assured the prince of justice.*

*The king came out of the Counselling chamber. He was advancing towards the private chamber of Haimashri to make and enquiry into the matter. He also wanted to know if Haimashri could know the real identity of her husband.*

*" Does Haimashri know that her husband is not the real prince of Saurastra? It if is revealed, then .....?" he could not think more.*

*He hurriedly reached the chamber of Haimashri. There he found her crying bitterly and scolding her husband.*

*Readers, you have already known what the king did them.*

*Now let us see what Kalidasa was doing.*

*He heard the order of the King. He had nothing to say. circumstances compelled him to mary the princess. But she rejected him. So he was stunned with grief and shock.*

*"How can I stay here? My wife hates me! woman changes so quickly! How selfish they are! How Can I Show my spotted face to others? What will people say? How can I live now?" he broke down.*

*The King looked at him belligerently. Haimashri scowled at him.*

*Then Kalidasa rose, fixed his eyes on her face and thought.*

*" How beautiful she is! How cruel she is!"*


*Slowly he came out of her chamber like a defeated hero muttering,*

*" I hate you. I hate......"* ■





# কবিতা




“ কবিতা বোবা বেদনাৰ বিমূৰ্ত্ত প্ৰকাশ।........

...... কবি কল্পনাই ইতিহাস পঢ়দিয়া প্ৰথাগত ভাষাৰ মাজেদিয়েই

আদিতম উৎসলৈ প্ৰত্যাবৰ্ত্তন কৰে, — অকল সেয়ে নহয়,

সি যেন অবচেতনত সোমাই আদি অন্তৰ সন্ধানো কৰে....... ।”



## ।। সবাতোকৈ আপোন মোৰ ভাষা জননী ।।

আব্দুৰ ৰহমান (বিশ্বাস)
উপ -সভাপতি
ছাত্ৰ একতা সভা

*চিৰ চেনেহী মোৰ ভাষা জননী,*
*এয়া মোৰ অসমীয়া ভাষা;*
*তোমাৰ মাজতেই লুকাই আছে,*
*কতনো বিৰহীৰ নিৰাশাৰ আশা;*
*এয়া মোৰ জননী অসমীৰ ভাষা ।।*

*যদিহে নকৰো তোমাৰ যতন*
*নিশ্চয় ।*
*অসমীয়াৰ হব যে পতন*
*তোমাৰ ওপৰত নিৰ্ভৰ কৰিছে*
*ভাষা জননীৰ ভৱিষ্যত জীৱন*
*সেয়ে হোৱা অসমীয়া সদা-সচেতন ।।*
*কদাপি নহয় ।*
*যেন ভাষা জননীৰ মৰণ ।*
*ঘাত প্ৰতিঘাতৰ মাজত আহি*
*মেলিছা তোমাৰ বহুতো পাহি*
*কৰিব বিচাৰোঁ চিৰ যুগমী*
*তুমি যে মোৰে ভাষা জননী ।।*


*হিন্দু, মুছলিম, জৈন, খ্ৰীষ্টান*
*কৰিব বিচাৰে তোমাক মহান*
*তোমাৰ মানেৰে আমি সন্মান ।।*

## তুমি

ছহিদুল ইছলাম
প্ৰাক্তন ছাত্ৰ

সৌ সিদিনা তুমি
আহিছিলা লৰি
চিৰন্তণ ৰূপ ধৰি
আছিলা তুমি আত্ম বিশ্বাসী
আঁতৰাইছিলা তুমি কু-সংস্কৃতি
নাছিল কতো স্বাৰ্থৰ স্থিতি।
জ্ঞান ভাণ্ডাৰ খুলি তুমি
আমাক শুনাইছিলা
তোমাৰ মুখৰ অমৃত বাণী
সৃষ্টি কৰিব খুজিছিলা প্ৰতিশ্ৰুতিৰ সমাজ
নাছিল ভেদভাৱ
নাছিল কতো দুৰ্নীতি।
আন্ধাৰক নেওচি তুমি
নিছিলা জয় কৰি
তোমাৰ প্ৰেম শিখাৰ জ্যোতি
দিছিলা সৌ মাণৱক
তিক্ততাৰ সুখ সমৃদ্ধি
নিষ্ঠাৰে জীৱন গঢ়ি।

# আত্ম পৰিচয়



শ্ৰী বাপধন বৰুৱা
স্নাতক ৩য় বৰ্ষ।

অংকন মোৰ আবেগৰে
অংকন মোৰ প্ৰভাতৰে
অংকনেৰেই মোৰ পৰিচয়।

অংকন বহু আশাৰে
অংকন যে হেপাহৰে
অংকণৰেই মোৰ পৰিচয়।।

কেতিয়াবা তুমি চাব খোজা যদি
অংকণতেই মোক পাবা
আৰু পাবা
সাগৰৰ নীলা ঢৌৰ তৰংগত
নদীৰ পানীৰ সোঁতত
পূৱতিৰ মিঠা ৰ'দালীত
সোণোৱালী শস্যৰ মাজত
খালী চকুৰে যি দেখো
তাকেই ৰং তুলিকাৰে
য'ত পবিত্ৰ আত্মাৰে
আত্ম প্ৰকাশ কৰো
তাৰ মাজতেই মোক পাবা।
তুমি মোৰ হ'বানে অংকনৰ সম্ভাৰ
প্ৰেৰণা হ'বানে মনৰ
লগৰী হ'বানে জীৱনৰ।।

# মানৱ

মঃ আমিণুৰ ৰহমান, এম, এ
(শিক্ষা বিভাগ) প্ৰাক্তন ছাত্ৰ

জনমলভে পৃথিৱীত জীৱে
অস্তিত্ব ৰক্ষাৰ বাবে
মনুষ্যজাতি শ্ৰেষ্ঠ প্ৰাণী
এয়া জানে সৰ্ব্বজনে।
চিনিব নোৱাৰি মানুহক তথাপি
এই খন জীৱ জগতত
নাই প্ৰভেদ মানুহ- জন্তুৰ
আপোন পৰৰ লগত।
সৌটো চোৱা বান্দৰ খকুৱা
ফুৰিছে লৰি চাপৰি
ধৰিব নোৱাৰে নিবৰ দৰ্শকে
কি যে তাৰ ছলাহি ফাঁকি।
আচল মানৱে জীৱন গঢ়ে
সৎ উৰ্পাজন কৰি
বিচলিত নহয় সিহঁত কদাপি
যায় যদিও মৰি।





# আইৰ আহ্বান

মঃ জিয়াৰুল হক
স্নাতক ২য় বৰ্ষ

মৃত আইয়ে চিয়ঁৰিছে
শ্মশান আৰু কবৰৰ পৰা
হে মোৰ সন্তানসকল, ঘুৰি আহা
অন্ধকাৰ জগতৰ পৰা
তোমালোকে বিচাৰি আছা যিটো
মন কৰিলেই পায় জানো সিটো?
সশস্ত্ৰ সংগ্ৰাম কৰিলেই
শুদ্ধ হব জানো তোমালোকৰ পথটো?
তোমালোকৰ দেশৰ লাচিত বীৰ
দেশ ৰক্ষাৰ বাবে বিদেশীৰ সৈতে কৰিছিল সংগ্ৰাম ঘোৰ
তোমালোকে বাৰু নিজৰ মাজতে
কৰিছা কিয় ইমান গণ্ডগোল ?
সমগ্ৰ পৃথিৱীয়ে কয়
অহিংসাৰে হেনো সকলো কৰিব পাৰি জয়
তেন্তে, মিছাতে কিয় খেলিছো তেজেৰে খেলা
নকৰি অকনো ভয়।
সময় আছে এতিয়াওঁ
পোহৰহীনতাৰ পৰা পোহৰলৈ ঘুৰি অহাৰ
অহিংসাৰ পথ বাছি লোৱা
তেতিয়াহে দেখিবা কতো দুৰ্নিতী নোহোৱা
সেয়ে প্ৰাৰ্থনা কৰিছো
ঘুৰি অহা মূল সুঁতিলৈ
বাস্তৱ চিন্তা ধাৰা তথা
অহিংসাৰ মন্ত্ৰৰে
সমগ্ৰ পৃথিৱীকে জয় কৰিবলৈ।।



# প্ৰাচীৰ

মঃ জামাল উদ্দিন
স্নাতক ১ম বৰ্ষ

মোৰ নিচেই কাষত তুমি
কিন্তু তথাপিও বহুত দূৰৈত
মাজত বিশাল প্ৰাচীৰ এখন
সীমা ৰেখা টানি
তোমাৰ চকুত সীমাহীন বেদনাৰ জোঁৱাৰ
হৃদয়ত আগ্নেয়গিৰিৰ বিস্ফোৰণ,
প্ৰতিটো নিঃশ্বাসত তোমাৰ
বিচ্ছেদ দাৰুণ হাহাকাৰ
মই যে নিৰুপায়
মোৰ বিবেকৰ আঘাতত
মই নিজেই আজি সোমাই পৰিছো
অটল গহ্বৰত
মোৰ কান্দিবৰ মন যায়
তথাপি নোৱাৰো কান্দিবলৈ
চকু পানীবোৰ গোট মাৰি
শিল হৈ গৈছে কাহানিবাই।।

# কান্দোন

মঃ ছামচুদ্দিন আলি আহমেদ
প্ৰাক্তন ছাত্ৰ

এদিন ভাটিবেলি কৰুণ উচুপনিৰ সুৰ
ভাহি আহিল ৰিব ৰিব মলয়াৰ দৰে
এটা নহয় দুটা সুৰ নিশ্চিত হলো
হিয়াৰ সাগৰত উঠিল থৌকি -বাথৌ
কি ক'ম বুলি নোলাল মুখৰ মাত,
বহাতে জড়তা হৈ চাই ৰ'লো
সাহস, বল নাইকীয়া হ'ল গাত।
এখোজ দুখোজ কৰি আগবাঢ়িলো
দেখিলো আউল বাউল উদং চুলি,. নিধাৰে বৈছে
দুয়োৰে নয়নৰ পানী,
ৰাখিব নোৱাৰিলো নিজৰ দুটিও
উগুল-থুগুল মাতেৰে দিলো বুজনি।
কাকুতি মিনতি কৰো কান্দোন এৰা বুলি,
মাথোন এবাৰ মাথোন.....ক্ষমা কৰি দিয়া চকু মেলি।

# চেতনা

মহঃ আমজাদ আলী (স্নাতক ৩য় বৰ্ষ ।)
আলোচনী সম্পাদক

মোৰ হৃদয় স্পন্দনত
স্মৃতিয়ে সোঁৱৰায়
অতীতৰ নিৰ্জন নিসংগতা
গধূলিৰ সূৰ্য্যৰ কিৰণে
বিকশিত কৰি তোলে
মোৰ হৃদয়ৰ উচ্ছল সজীৱতা,
মনে মোৰ কল্পনা কৰে
সীমাহীন মাতৃত্বৰ চেতনাবোধ
বলিষ্ঠ সন্তানবোৰৰ দৰে।।
কিন্তু আগুৱাব নোৱাৰো
দুৰ্নীতি ভ্ৰষ্টাচাৰী
এই চাম কাপুৰুষৰ বাবে।

# ভাৰতৰ সৌন্দৰ্য্য

মঃ ছাহ জামাল উদ্দিন আহমেদ
স্নাতক ২য় বৰ্ষ (কলা)

ভাৰত মাতৃ অতিকৈ শুৱনি
অতি মনোমোহা তুমি,
তুমিয়েই হৈছা নানা ভাষাৰ
জাতিৰ মিলনভূমি।
তুমিয়েই হৈছা একতাৰে
সু-সমৃদ্ধ দেশ,
আৰু যে আছে তোমাৰ কত
মনোমোহা বেশ।
নানা জাতিৰ নানা সংস্কৃতি
আছে তোমাৰ তাত,
তোমাৰ বুকুতেই আছে নানা তৰহৰ
চৰাই-ছিৰিকটিৰ মাত।
বাৰে বৰণীয়া গছ বনেৰে
ভৰি আছে এই ভাৰতভূমি,
ইয়াতেই আছে বীৰ বীৰংগনাৰ
অপূৰ্ব কাহিনী,
তোমাৰ বুকুতেই আছে গংগাৰ দৰে
পবিত্ৰ নদীৰ জল
সুগন্ধি ফুলেৰে তোমাৰ চৌদিশ
কৰে মল-মল
সৌন্দৰ্যৰে সজোৱা তোমাৰ
অতি মনোৰম বেশ
আমি সকলোৰে একেশ্বৰে কওঁ
ভাৰত আমাৰ দেশ।
ভাৰত আমাৰ দেশ।।







# কবি শিয়ালৰ পদ্য

এম, মোস্তাফিজুৰ ৰহমান (পিন্টু)
স্নাতক ৩য় বৰ্ষ ।

তন্দ্ৰালস দুচকুত
হাঁহৰেই ছবি,
লুভীয়া জিহ্বাৰ মোৰ
সোৱাদৰ 'হবি'।
বিস্তীৰ্ণ অৰণ্য মধ্যে
মুকলি প্ৰাংগণ,
শৃংগালৰ সঁচে আমি
কৰোঁ বিচৰণ।
অপৰাহ্নত কৰোঁ
গৰাল গমন,
সেয়াই আমাৰ বাবে
তীৰ্থ ভ্ৰমণ।
আজন্ম শত্ৰু আমাৰ
কুকুৰৰ জাত,
আমাক দুৰ্বল দেখি
দিয়ে বৰ মাত।
বীৰত্ব নিজৰ গৃহে
মাথোঁ দেখুৱায়,
ব্যাঘ্ৰ সিংহ দেখি পিছে
লৰৰি পলায়।
বংশ বৃদ্ধি হাঁহ আৰু
মুৰগীৰ হক,
কুকুৰৰ জাত যত
অধঃপাতে যক।।



# পিয়াসী আলো

মঃ হানিফ আলি
উ. মা. ২য় বৰ্ষ ।

ছাত্ৰ-একতা সভাৰ আমি নজোৱান
সমাজ কল্যাণৰ কৰি যাম কাম
এই জ্ঞান মন্দিৰত জ্ঞানৰ সাধনাৰে
আমাৰ মহাবিদ্যালয়ৰ জিলিকাম নাম।।
আমাৰ আছে অসীম শকতি
অনুজ আৰু অগ্ৰজৰ মৰম ভকতিৰে
আনিম অচিৰেই আমাৰ মুকুতি
উদগাৰি আমাৰ সুপুতি।।
জাতি আৰু জনজাতি সমন্বৰে
গাই যাম মিলনৰ গান
ৰুধিম ৰুধিমেই বিভেদ কামীক
গাই যাম শান্তিৰ গান।।

# আইৰ স্মৃতিত


মঃ নজৰুল ইচলাম
উ. মা. ১ম বৰ্ষ ।

জনম দিলা কিয় তুমি মৰমৰ আই
এন্ধাৰ বাটত থৈ ?
কিয় তুমি বিদায় লৈ
পৃথিৱীৰ দুখ যন্ত্ৰণা জাপি দিলা হায় !
সহিব নোৱাৰো মই পৃথিৱীৰ দুখ যাতনা,
তুমি এৰি গুচি গ'লা
বনচাৰী মোক কৰিলা।
এয়া নেকি আছিল আই তোমাৰ কামনা ?
দিনে নিশাই কৰিছোঁ আই তোমাৰ সাধনা।
পাহৰিব নোৱাৰো আই তোমাৰ মৰম
অকালতে হ'ল আই তোমাৰ মৰণ,
পুজিব নোৱাৰিলোঁ মই তোমাৰ চৰণ।
তোমাৰ চেনেহ আই কৰিছো স্মৰণ,
কোনেনো দিবহি আই তোমাৰ মৰম ?

# মনে বিচাৰে

মোঃ নৌসাদ আলী
স্নাতক ২য় বৰ্ষ।

আমাৰ Director A. R. Rahman.
গান শুনে Daily ভালেমান
ৰাখে সদায় Music ত কাণ
বয়সত হ'লে অকণমান
ৰেণুই সুধিলে মাইকেল জেকচন কোন?
তেওঁৰ মুখৰ আগত থাকে সদায় Microphone.
দীঘলীয়াকৈ দিয়ে গানৰ সুৰ
শুনিবলৈ হ'লে বৰ সুমধুৰ
আছে প্ৰভুদেৱা উদিত নাৰায়ন
দেখিবলৈ হ'লে বৰ ধৰ্মপৰায়ন
আধুনিক যুগৰ অভিজিত
তেওঁ কয় A. R. Rahman ৰ দৰে
সংগীত হোৱা উচিত।
ডাইলগত সকলোকে লাগে
নানা পাটেকাৰক
কিন্তু জমনীত লাগে
জনী লিভাৰক
সকলোৱে ভাল পায় Super star ক
কিন্তু মই ভাল পাওঁ A. R. Rahman ক।



# এনাজৰী

মঃ ইনছাফ আলী
স্নাতক ৩য় বৰ্ষ।

আমি মিলাই হাত গঢ়িম একতা
সত্য, প্ৰেম আৰু কৰুণা
পাতোঁ আহা মৰমেৰে হাট
শেষ হওঁক দুঃখৰ বাট।
শেষ হওঁক দুঃখৰ বাট।।
স্বদেশৰ মাটি স্বদেশৰ পানী
স্বদেশৰ বুকুৰ কুটুম,
একেই বায়ু একে আকাশ
একেই আইৰ বুকুৰে উম,
মন মিলাই হাত মিলাই
পাতো আহাঁ মৰমেৰে হাট।
শেষ হওঁক দুঃখৰে বাট।।
বুদ্ধ, গান্ধীৰ জন্মৰ দেশত
অহিংসা পৰম ধৰ্ম
হাতে হাতে হাত মিলাই
গঢ়িম আমাৰে শিল্প
মেলি দিয়া আকাশলৈ
সাহসৰ দুখনি হাত
শেষ হওঁক দুঃখৰে বাট।।
মৰমৰ এনাজৰীৰ মেৰিয়াই পাক
ইজনে সিজনৰ দুঃখৰে লওঁ ভাগ
সুখৰ দুঃখৰ সমভাগী হৈ
বুলো আমি জীৱনৰে বাট
মন মিলাই, হাত মিলাই
পাতো আহা মৰমৰে হাট
শেষ হওঁক দুঃখৰে বাট।।





# জাতীয় শ্বহীদ অগ্নিবক্তা, আব্দুল ওৱাহাব তালুকদাৰৰ স্মৃতিত

কবিতাৰ শৰাই

সংগ্ৰাহক ঃ এম, নুৰুল ইছলাম
প্ৰাক্তন সাঃ সম্পাদক
ছাত্ৰ একতা সভা খাৰুপেটীয়া মহাবিদ্যালয়

তালুকদাৰ তোমাৰ মৃত্যু অপৰাজেয়
হত্যাকাৰীৰ কেৱল কাপুৰুষালী।
তোমাৰ অকাল মৃত্যুয়ে আমাক
প্ৰেৰণা যোগাব হ'বলৈ শক্তিশালী।।
শ্বহীদ তোমাৰ প্ৰতিটোপাল তেজেই
জাতি মুক্তিৰ হব পন।
দেশ মাতৃয়ে নেপাহৰে কদাপী
ধিয়াব তোমাক প্ৰতিমূন।।
হে সংগ্ৰামী নেতা তুমি চিৰদিন
সংগ্ৰাম কৰিলা জাতিৰ হকেই।
অশান্ত জীৱনক আকোৱালী লৈ
মৃত্যুক সাৱটি ললা অভাৱৰ সতেই।।

সৰগৰ পৰাই চাবা তুমি
তোমাৰ প্ৰিয় জনগণক
বিদেহী আত্মাৰ আশীৰ্বাদে যেন
সুকলমে চলায় তোমাৰ সতীৰ্থক।
হে স্বাৰ্থত্যাগী বীৰ তোমাৰ আদৰ্শ
জগতত জিলিকি ৰওঁক।
অশান্ত জীৱন অদৃশ্য স্থানত
চিৰ শান্তি লভক।।

# প্ৰেমৰ স্মৃতি

মঃ ছফিকুল ইছলাম, বি. এ.
কাৰ্য্যালয় সহায়ক, খাঃমঃ

তোমাৰ সান্নিধ্য পালো যিদিনা
ভালপোৱা জাগে মোৰ সিদিনা
হৃদয়ত ক'ত কল্পনাৰ অভিলাশ
ব্যস্তৰত কৰিবলৈ প্ৰয়াস!

তুমি দিয়া প্ৰতিশ্ৰুতি বোৰ----
মোৰ হিয়াত এতিয়াও অংকীত আছে
কেতিয়াবা ভাব হয় দেখুৱাওঁ বুলি,
কিন্তু স্তব্দ হৈ যায় হৃদয় খনি!!

কল্পনাবোৰ ধূলিসাত হ'ল!
স্মৃতিৰ চৰম সীমা যেতিয়া---
মতলিয়াৰ দৰে হৈ যায়...
কিবা নোপোৱাৰ বেদঁনাত!!!

হায়! এয়ে নেকি দুনিয়াৰ নীতি
কোনোবাই আনন্দত আৰু...
কোনাবাই ওৰেটো নিশাই
ছটফটাই দুচকু তিয়াই!!!

## We all together : in the New Days

Mr. Jeebendra Mohan Devsarma
M.A. B.L.I.Sc.
Librarian, Kharupetia College.

*I want to be a new born*
*On the effectionate lap of good days......*
*I am searching my missing childhood*
*Whre, my grandmother would tell the*
*new stories about-----*
*Love, instead of collission &*
*Cherished ill-will, and about*
*inviting a heartful music against the*
*rattling noise, moreover,*
*about a New Era, where no religion*
*will dominate humanism, which is above all.... and*
*Where no man will die of hunger!*
*Where no further blood-shed will be seen.*
*Oh, destiny !*
*Keep us safe from the breathless loneliness*
*Bring an uplift from all dismays;*
*I am eagerly waithing for the*
*Perplexed moment,*
*Curiously waiting when the buds of*
*Love and helpfulness will bloom in our heart.....*
*We all together will make this world a shrine*
*Let it be the Prelude of*
*Peaceful atmosphere*
*Let us embrace the promises of a New Morning*
*We've grasped at our hands together.*

## "Mirror of the Mind"

Mrs. Mala Chakraborti, MA. B.Ed.
Lecturer Dept of English.
Kharupetia College

The friend, whom I liked best,
She is Just a Shadow of my face.
My face is reflceted in her eyes,
Likewise her face is seen in my eyes,
She was with a Kind heart,
Who is now no more in this world,
No longer breathing the earthy air,
And speaking like a man.
It is a dreadful thought for me,
That faces the living human being.
I am weeping over her loss,
Which is ever fresh for me.
Our mutual love can neither decrease,
nor decline, nor come to an end,
She is immortal here-in my love,
And united into one line
Which is very pure and fine,
Just a mirror of the mind.

## TRUST IN GOD.


Md. Mizanur Rahman
Game Secy. (Indore)

Trust in God
Soul and mind.
See the universe
He is the creator of all.
Might is right
It's in vain,
Prode, pelf and power
Nothing remain.
You'll die, so will every one
Nobody will help you after death.
If thou be Kind,
Always trust in God.




খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী দ্বিতীয় সংখ্যা

## আলোচনী সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা ক্ৰমে ঃ- প্ৰৱক্তা মঃ হবিবুৰ ৰহমান, প্ৰৱক্তা শ্ৰী পৰিমল কুমাৰ দত্ত, মঃ জালাল উদ্দিন আহমেদ (ভাৰপ্ৰাপ্ত অধ্যক্ষ), প্ৰৱক্তা শ্ৰীদীপক কলিতা, তত্ত্বাৱধায়ক প্ৰৱক্তা মঃ নৰুল ইছলাম, গ্ৰন্থাগাৰিক শ্ৰী জীৱেন্দ্ৰ মোহন দেৱশৰ্মা, প্ৰৱক্তা শ্ৰী কণজ্যোতি প্ৰসাদ দত্ত, [redacted]।
থিয় হৈ বাওঁ ফালৰ পৰা ক্ৰমে ঃ- মঃ আবুবক্কৰ ছিদ্দিক, মঃ আব্দুৰ ৰহমান বিশ্বাস, মঃ মিজানুৰ ৰহমান, আজিম আহমেদ আনছাৰী, মিঃ ফাৰাহানা জিন্নাত হাচিনা হক, মঃ ছফিকুল ইছলাম, মঃ আমজাদ আলী (আলোচনী সম্পাদক), মঃ আনোৱাৰ হুছেন, মঃ ছফিকুল ইছলাম।
অনুপস্থিত ঃ- প্ৰৱক্তা নূৰুজ্জামান, মঃ মইনুল হক।

## ২০০০-২০০১ চনৰ ছাত্ৰ একতা সভাৰ সদস্য সকল




**বহি বাওঁফালৰ পৰা ক্ৰমে ঃ-** মঃ আমজাদ আলী (আলোচনী সম্পাদক), মঃ আব্দুৰ ৰহমান বিশ্বাস (উপসভাপতি), মঃ জালালউদ্দিন আহমেদ (সভাপতি, ভাৰপ্ৰাপ্ত অধ্যক্ষ), মঃ ছফিকুল ইছলাম (সাধাৰণ সম্পাদক), মঃ আনোৱাৰ হুছেইন (সমাজ সেৱা সম্পাদক)

থিয়হৈ বাওঁ ফালৰ পৰা ক্ৰমে (প্ৰথমশাৰী) ঃ- মঃ আবুবক্কৰ ছিদ্দিক (প্ৰাচীৰ পত্ৰিকা সম্পাদক), মঃ মিজানুৰ ৰহমান (খেল অন্ত ঃ বিভাগ সম্পাদক), মঃ আজিম আহমেদ আনছাৰী (সাংস্কৃতিক আৰু ছাত্ৰ জিৰনী কোঠা সম্পাদক), মিচ্ ফাৰহান জিন্নাত হাছিনা হক (ছাত্ৰী জিৰনী কোঠা সম্পাদিকা), মঃ ছফিকুল ইছলাম (খেল বহিঃ বিভাগৰ সম্পাদক), মঃ ৰফিকুল ইছলাম (তৰ্ক আৰু আলোচনা সম্পাদক), অনুপস্থিত ঃ- মঃ ৰুহুল আমিন (সহঃ সাধাৰণ সম্পাদক)



## খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰৱক্তাবৃন্দ



বহি বাওঁফালৰ পৰা ক্ৰমে ঃ- মঃ হবিবুৰ ৰহমান, মঃ নাজিৰ হুছেইন সৰকাৰ, শ্ৰীপৰিমল কুমাৰ দত্ত, মঃ জালাল উদ্দিন আহমেদ (ভাৰপ্ৰাপ্ত অধ্যক্ষ), মঃ আব্দুৰ ৰহমান, মঃ আব্দুল কৰিম, মঃ নুৰুল ইছলাম, শ্ৰীদীপক কলিতা, মঃ আব্দুৰ ৰহিম, শ্ৰীমতী কনকলতা শইকীয়া।


থিয়হৈ বাওঁ ফালৰ পৰা ক্ৰমে (প্ৰথমশাৰী) ঃ- শ্ৰীমতী প্ৰণতি দত্ত, শ্ৰীমতী অপৰাজিতা দেৱী, শ্ৰীমতী মালা চক্ৰবৰ্তী, শ্ৰীমতী মৌচুমী কলিতা, মিচেছ মিচিৰা পাৰবিন, মিচেছ জাহিদা সুলতানা, মিচেছ আচমান আৰা বেগম, মঃ মোস্তাফা কামাল, মঃ আবুবক্কৰ চিদ্দিক, শ্ৰী জ্যোতিষ চহৰীয়া, মঃ আঃ হান্নান, মঃ আঃ আজিজ।

থিয় হৈ দ্বিতীয় শাৰী ঃ-মঃ আলম আনছাৰী, শ্ৰী জীবেন্দ্ৰ মোহন দেৱ শৰ্মা, শ্ৰী ৰূপজ্যোতি প্ৰসাদ দত্ত, মঃ ইমৰান আলী।

থিয় হৈ তৃতীয় শাৰী ঃ-মঃ জাবেৰ আহমেদ, মঃ আফজাল হুছেইন, মঃ আমজাদ হুছেইন মজুমদাৰ, মঃ জিয়াউলহক, মঃ জাকিৰ হুছেইন চৌধুৰী, মঃ মহিৰুল হক, মঃ ৰুকন উদ্দিন আহমেদ, মঃ লুতফুৰ ৰহমান, মঃ আবুল বাসাৰ।

অনুপস্থিত ঃ- মঃ মিজানুৰ ৰহমান, মহঃ নুৰজামান, মহঃ জাকিৰ হুছেইন আহমেদ, শ্ৰী সুবল চন্দ্ৰ সাহা, মিচ্ সবিতা দেৱী।

## খাৰুপেটীয়া মহাবিদ্যালয়ৰ কৰ্ম্মচাৰী বৃন্দ



**বহি বাওঁফালৰ পৰা ক্ৰমে ঃ-** মঃ খন্দকাৰ দিলোৱাৰ হুছেন, মঃ শ্বহিদ উল্লাহ, মঃ আবুতালেব, মঃ ছোৰহাব আলী, মঃ ইছলামুদ্দিন আহমেদ, মঃ আবুবক্কৰ ছিদ্দিক, মঃ ছফিকুল ইছলাম, মঃ শ্বহীদ আলী, মিচেছ মালেকা খাতুন।
**থিয়হৈ বাওঁ ফালৰ পৰা ক্ৰমে (প্ৰথমশাৰী) ঃ-** মঃ আব্দুল খালেক, মঃ অবিৰ আলী, মঃ আব্দুচ্ছামাদ, মঃ কিনাল আলী, মঃ লালমিয়া, মঃ সাহা আলম।
**অনুপস্থিত ঃ-** মঃ ছামিজুৰ ৰহমান।



# আমাৰ গৌৰৱ



মঃ জিয়াৰুল হক
উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষা
২০০০ চনত ১ ম বিভাগত উত্তীৰ্ণ।




মঃ জিয়াউৰ ৰহমান
উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষা
২০০১ চনত ১ ম বিভাগত উত্তীৰ্ণ।



দোস্ত মহম্মদ ছাফি
উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষা
২০০১ চনত ১ ম বিভাগত উত্তীৰ্ণ।
তথা শ্ৰেষ্ঠ সাহিত্যিক


# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণী



**মঃ নফিউৰ ৰহমান**
২০০০ বৰ্ষৰ শ্ৰেষ্ঠ খেলুৱৈ,
স্নাতক ৩ য় বৰ্ষ।



**মঃ মনছুৰুল হক**
২০০০ বৰ্ষৰ শ্ৰেষ্ঠ গায়ক
স্নাতক ১ ম বৰ্ষ।



**আব্দুৰ ৰহমান (বিশ্বাস)**
স্নাতক ২য় বৰ্ষ
১ম স্থান সাতুৰ প্ৰতিযোগীতা ২০০০ বৰ্ষ



**মঃ আনোৱাৰ হুছেইন,**
মেন অব দা মেচ, মেন অব দা ছিৰিজ,
ক্ৰিকেট, ২০০০ বৰ্ষ স্নাতক ২য় বৰ্ষ।



**মঃ আব্দুৰ ৰেজ্জাক**
২০০০ বৰ্ষৰ ১ম স্থান বেডমিন্টন
স্নাতক ২য় বৰ্ষ।





# উপ সভাপতিৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণীতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। এই বীৰ শ্বহীদ সকলৰ আত্ম বলিদানে আমাৰ নতুন ছামক উৎসাহিত কৰক আৰু মানুহ হিচাপে জীয়াই থকাৰ সংগ্ৰামত নিজকে নিয়োজিত কৰক। এই কামনাৰে মই মোৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ইতিহাস খুব বেছি পুৰণি নহলেও তাৎপৰ্য্যপূৰ্ণ। যিসকল মহান ব্যক্তিৰ কঠোৰ পৰিশ্ৰম আৰু অৰদানৰ ফল স্বৰূপে এই মহাবিদ্যালয় খন ঠন ধৰি উঠিছিল, সেই সকলৰ ভিতৰত বহুতো লোক আজি ইহ সংসাৰত নাই কিন্তু যি সকল জীৱিত তেওঁলোক আজি হয়তো অৱহেলিত। এইয়া নিয়তীৰ পৰিহাস। মহাবিদ্যালয়খনৰ আলোচনীৰ মাধ্যমেৰে তেখেত সকললৈ প্ৰনাম যাছিলো। মৃত সকলৰ আত্মাই চিৰ শান্তি লভক আৰু যি সকল জীয়াই আছে তেখেত সকলে শান্তি সমৃদ্ধিৰ লগতে লাভ কৰক দীৰ্ঘায়ু জীৱন।

**মোৰ স্মৰণীয় প্ৰথম দিনটো ঃ** মোৰ বাবে ১/৬/২০০১ তাৰিখটো এটা স্মৰণীয় দিন। এই তাৰিখটোতে সৰ্ব্বসন্মতি ক্ৰমে ছাত্ৰ একতা সভাৰ উপ সভাপতিৰ পদত মোক মনোনীত কৰা হৈছিল। আৰু মোৰ হাতত অৰ্পন কৰা হৈছিল এক গুৰু দায়িত্ব। এই ক্ষেত্ৰত আলোচনী সম্পাদক মঃ আমজাদ আলী আৰু প্ৰাচীৰ পত্ৰিকা সম্পাদক মঃ আবুবক্কৰ ছিদ্দীকৰ লগতে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া সকললৈ যাঁছিলো মোৰ আন্তৰিক শুভেচ্ছা ও অভিনন্দন।

দৰং জিলাৰ নবীন মহাবিদ্যালয় সমূহৰ ভিতৰত আমাৰখনো এখন বুলিব পাৰি। আমাৰ মহবিদ্যালয়ত বিৰাজ কৰিছে অসংখ্য অভাৱ সকলো অভাৱ একে বাৰে পূৰণ কৰাটোও অসম্ভৱ। তথাপি মই ছাত্ৰ একতা সভাৰ হৈ ছাত্ৰ ছাত্ৰী সকলৰ বাবে উল্লেখযোগ্য ন্যায্য দাবী সমূহ পূৰণ কৰাৰ বাবে যতপৰোনাস্তি চেষ্টা কৰিছো। অৰ্থৰ অভাৱতেই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই আমাৰ সমস্যা সমূহ পূৰণ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱাটো স্বাভাৱিক। তথাপিও মই মোৰ কৰ্তব্য পালনত মুঠেই অৱহেলা কৰা নাই।

**কৰ্মৰাজিত মোৰ অৰিহনা ঃ-** মোৰ কাৰ্য্যকালৰ কৰ্ম খতিয়ান তলত দিয়া ধৰণৰ

১৯৮১ চনত প্ৰতিষ্টিত হোৱা খাৰুপেটীয় মহাবিদ্যালয়ত এখনি স্থায়ী শ্বহীদ বেদী নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হয়।

খাৰুপেটীয়া মহাবিদ্যালয়ে ২০ বছৰীয়া দেওঁনা পাৰ হলেও ছাত্ৰ একতা সভাৰ কোনো লিখিত সংবিধান নাছিল। এই ক্ষেত্ৰত মই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি শিক্ষাগুৰু সকলৰ সক্ৰিয় প্ৰচেষ্টাৰ ফলত নিয়ম -নীতিৰ মাধ্যমেৰে সভাৰ কাৰ্য্যপন্থা গ্ৰহণৰ বাবে সংবিধানৰ খচৰা প্ৰস্তুত কৰি উলিওৱা হয়।

ছাত্ৰ একতা সভাৰ নিত্য প্ৰয়োজনীয় বস্তুৰ ভিতৰত, টেবুল এখন, গডৰেজ আলমিৰা এটা, চকী দুখন, ঘড়ী এটা, খোৱা পানীৰ ফিল্টাৰ এটা, এটা টিনৰ ডাঙৰ বাকচ আদি কিনিবলৈ সক্ষম হওঁ।

মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ কিছু প্ৰয়োজনীয় সামগ্ৰী কিনিবলৈ সক্ষম হওঁ।

মহাবিদ্যালয়ৰ চৌহদ এখনি ফুলৰ বাগিছা নিৰ্মাণ কৰা হয়। এই কাম অহা ছাত্ৰ একতা সভাৰ দিনত সম্পূৰ্ণ হব বুলি আশাৰে বাট চালো।

মহাবিদ্যালয়ৰ দৰিদ্ৰ পূঁজিৰ পৰা প্ৰায় ৩০ জন দুখীয়া ছাত্ৰ-ছাত্ৰীক সামান্য পৰিমাণৰ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হয়।

মহাবিদ্যালয়ত ছাত্ৰ সকলৰ বাবে সুকীয়া জিৰণী কোঠা নাই। সেয়ে মোৰ বলিষ্ট পদক্ষেপত নবাগত আদৰণিৰ সভাৰ দিনা মাননীয় শ্ৰীযুত মাধৱ ৰাজবংশী সাংসদ মহোদয়ক আমন্ত্ৰণ কৰি অনা হয় আৰু বিভিন্ন অভাৱ অভিযোগ সন্নিবিষ্ট এখ ন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। তাৰ ফলস্বৰূপে মাননীয় সাংসদ মহোদয়ে ছাত্ৰ জিৰণী কোঠা নিৰ্মানাৰ্থে ২(দুই) লাখ টকা আৰ্থিক অনুদান হিচাপে দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

আমাৰ কাৰ্য্যকালত ৰেগিঙৰ নামত মহাবিদ্যালয়ৰ নতুন ছাত্ৰ-ছাত্ৰীৰ ওপৰত যি হাৰা শাস্তি চলে তাক কঠোৰ ভাৱে নিষিদ্ধ কৰা হয়।

মহাবিদ্যালয়ৰ ভিতৰ চৰাত ঘৃণনীয় ৰাজনীতিয়ে যাতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে আমাৰ দিনৰ ছাত্ৰ একতা সভাই চোঁকা দৃষ্টি ৰাখিছিল।

ইয়াৰ ওপৰিও আমি ছাত্ৰ একাত সভাৰ ফালৰ পৰা এই অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত প্ৰতিনিধিত্ব কৰে।

আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰৰ দৰে গণৰাজ্য দিৱস, ফাতেহা ই দোৱাজ দাহম, সৰস্বতী পূজা, স্বাধীনতা দিৱস আদি উলহ-মালহৰে পালন কৰা হয়।

**মহাবিদ্যালয়ৰ অভাৱ অভিযোগবোৰ ঃ-**

বৰ্তমান মহাবিদ্যালয়ত বহুতো অভাৱ অভিযোগ বিৰাজ কৰি আছে। তাৰ ভিতৰত যিবোৰ সোনকালে কৰিবলগীয়া তাৰ ভিতৰত আছে মহাবিদ্যালয়ৰ বিদ্যুৎ যোগানৰ ব্যৱস্তা, মহাবিদ্যালয়ৰ বিল্ডিঙৰ বেৰ আৰু মজিয়া পকী কৰা কাম, মহাবিদ্যালয়ৰ পকীবেৰেৰে চাৰিসীমা দিয়া, মহাবিদ্যালয়ৰ টোৰণ, ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্য্যলয়, স্থায়ী অধ্যক্ষ, ছাত্ৰা বাস আৰু ছাত্ৰী নিবাস, মহাবিদ্যালয়ৰ পুথিভঁৰালত কিতাপৰ

যোগান ধৰা, মেজৰ শ্ৰেণীৰ বাবে সুকীয়া শ্ৰেণী কোঠা নিৰ্মাণ, স্থায়ী পুথিভঁৰাল গৃহ নিৰ্মাণৰ ব্যৱস্থা ইত্যাদিয়েই প্ৰধান।

**শ্ৰদ্ধা নিবেদন ও কৃতজ্ঞতা স্বীকাৰ ঃ-** মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ জালাল উদ্দিন আহমেদ মহোদয় প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষা গুৰুলৈ মই গভীৰ শ্ৰদ্ধা নিবেদিছো আৰু কৃতজ্ঞতা যাঁছিলো। মোক প্ৰত্যেকটো কামত দিহা পৰামৰ্শ দিয়াৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহহোদয় প্ৰমুখ্যে শিক্ষা গুৰুসকলৰ ওচৰত মই চিৰ ঋণী। লগতে সকলো মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক মঃ খন্দকাৰ দিলোৱাৰ হুছেইন প্ৰমুখ্যে আবু বক্কৰ ছিদ্দিক আৰু মঃ শ্বহীদ আলীৰ লগতে সকলো কৰ্মচাৰীক মই কৃতজ্ঞতাৰে সুৱৰিছোঁ।

আমাৰ সকলো ক্ষেত্ৰত দিহা পৰামৰ্শ দিয়াৰ বাবে মঃ নুৰুল হক তালুকদাৰ, প্ৰাঃ সাঃ সম্পাদক, মঃ নুৰুল ইছলাম (প্ৰাঃ সাঃ সম্পাদক), মঃ মোজাম্মিল হক (প্ৰাক্তন ছাত্ৰ) তথা সকলো কামত সহায় সহযোগিতা কৰাৰ বাবে ছাত্ৰ একতা সভাৰ সকলো বিষয় ববীয়াৰ লগতে মঃ নজৰুল ইছলাম, মঃ নবী হুছেইন, মঃ আঃ হামিদ(উকিল) মঃ ৰহিম বাদশা, মিছ নুৰু নেহাৰ পাৰবিন, নজমুল হুদা, নেকিবুৰ, ছাইৰুদ্দিন, আঃ ৰহিম , খয়বৰ ৰহমান, আশাদ আলী, জিয়াউৰ ৰহমান, আনোৱাৰ শ্বাহাদাদ, খলিফা, ৰেজাউল, ইছলাম খলিফা, জামাল আহমেদ, আবুল হুছেইন, মৃস্তাফিজুৰ ৰহমান( পিন্টু) মস্তুফা জামান আব্বাছী আদি বন্ধু বৰ্গৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰীক শুভেচ্ছা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মই ক্ষোভ প্ৰকাশ কৰিছো যে আমাৰ মহাবিদ্যালয়ৰ এগৰাকী প্ৰতিষ্ঠাপক তথা প্ৰাক্তন কৰ্মচাৰী জাতীয় শ্বহীদ মঃ আঃ ওৱাহাৱ তালুকদাৰৰ দ্বিতীয় বাৰ্ষিক মৃত্যু দিৱস স্থানীয় ৰাইজ তথা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই উৎযাপন নকৰাত মৰহুমৰ প্ৰতি এক অন্যায় কৰিছে। আগন্তুক প্ৰতিবছৰে ৩০ চেপ্তেম্বৰৰ দিনটো যাতে মহাবিদ্যালয়ে আন্তৰিকতাৰে সোঁৱৰে তাৰ বাবে মই আগন্তুক ছাত্ৰ একতা সভা তথা মহাবিদ্যালয়ৰ কতৃপক্ষলৈ বিনম্ৰ অনুৰোধ জনালো। অৱশেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰ লগতে আমাৰ প্ৰকাশ হব লগীয়া দ্বিতীয় সংখ্যাৰ চেনেহৰ আলোচনীখনী প্ৰকাশৰ বাবে উদ্যোগী সকলৰ হাতত লোৱা প্ৰচেষ্ঠাক উদ্‌গনী যোগাই মই মোৰ লিখনীৰ জৰিয়তে সকলোৰে পৰা বিদায় মাগি ইতি ৰেখা টানিলো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

"জয় আই অসম"

**মঃ আব্দুৰ ৰহমান**, উপ-সভাপতি
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০০-২০০১ চন।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সাধাৰণ সম্পাদকৰ কলমৰ আৰম্ভণীতেই পৰম কৰুণাময় সৃষ্টি কৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক কাৰ্য্যকালৰ চমু প্ৰতিবেদনৰ পাতনি মেলিলো। খাৰুপেটীয়া মহাবিদ্যালয়ৰ নাম মনলৈ অহাৰ লগে লগে আমাৰ হিয়া আনন্দত নাচি উঠে। আমি অনুভৱ কৰো এক অনামী গৌৰৱ, কিন্তু আমাৰ এই গৌৰৱ, এই আনন্দ ইয়াৰ অন্তৰালত অৱদান কাৰ? কাৰ তেজৰ ঘামৰ বিনিময়ত আমি এইদৰে গৌৰবান্বিত হব পাৰিছো? প্ৰশ্নটোৰ উত্তৰ পাবলৈ হলে আমি স্মৰণ কৰিব লাগিব কিছুমান মহান ব্যক্তিক যি সকলে নিজৰ স্বাৰ্থক নেওচি অশেষ কষ্ট, অসীম ত্যাগ আৰু নিস্বাৰ্থ ভাবে পৰিশ্ৰম কৰি আমাৰ জ্ঞানৰ নিদৰ্শন গৌৰৱৰ প্ৰতীক এই অনুষ্ঠানটি প্ৰতিষ্ঠা কৰি থৈ গৈছে, সেই সকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

আমাৰ "খাৰুপেটীয়া মহাবিদ্যালয়"খন খাৰুপেটীয়া ও ইয়াৰ চৌদিশে থকা বিভিন্ন অঞ্চলৰ বাবে এক স্নিগ্ধ পূৰ্ণিমাৰ জোনাক স্বৰূপ। এন্ধাৰ নিশাৰ এক জিলমিল প্ৰদীপ সদৃশ। এন্ধাৰ আঁতৰাই নিশাৰ জোনাকে ধৰাপৃষ্ঠক আলোকিত কৰাৰ দৰে আমাৰ এই খাৰুপেটীয়া মহাবিদ্যালয় খনে গোটেই খাৰুপেটীয়া অঞ্চলৰ মানুহ তথা ছাত্ৰ-ছাত্ৰী সকলক প্ৰজ্বলিত কৰি তুলিছে। আমি ভাবিলেই আচৰিত হওঁযে এসময়ত সাধাৰণ এটা ঘৰেৰে আৰম্ভ কৰা এই মহাবিদ্যালয়খন আজি দৰং জিলাৰ এক উল্লেখনীয় মহাবিদ্যালয়লৈ পৰিণত হৈছে। এয়া আমাৰ সকলোৰে বাবে এক গৌৰৱৰ বতৰা।

**সম্পাদক হিচাপে মোৰ শুভাৰম্ভৰ দিনটো ঃ-** বিগত ২০-১১-২০০০ ইং তাৰিখে মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্ব্বাচিত হওঁ। এই দিনটো মোৰ বাবে সঁচাকৈয়ে এক শুভ ও গৌৰৱৰ দিন। এই দিনটোত তীব্ৰ প্ৰতিদ্বন্দিতাৰ মাজত মই অনুভৱ কৰিছিলো অনেক অনিশ্চয়তা, অনেক সংশয়। তথাপিও চৰম প্ৰতিদ্বন্দিতাৰ মাজেৰে মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত নিৰ্ব্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা ও অভিনন্দন যাঁচিছো।

মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ পদত নিৰ্ব্বাচিত হোৱাৰ পিছত ৭-১২-২০০০ ইং তাৰিখে মহাবিদ্যালয়ৰ পৰম্পৰা আৰু





সাংবিধানিক নিয়ম অনুযায়ী শপত গ্ৰহণ কৰি নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভাই ২০০০-২০০১ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ ভবিষ্যৎ অগ্ৰগতি কৰিবলৈ সংকল্পবদ্ধ হওঁ।

**মোৰ কালছোৱাৰ কাৰ্য্যাৱলীৰ বিৱৰণ ঃ-** মহাবিদ্যালয়ৰ সাঃ সম্পাদকৰ পদত অধিষ্ঠিত হৈ থকা সময়ছোৱাত মই যিবোৰ কাম কৰিছিলো সেইবোৰৰ বিষয়ে তলত চমুকৈ আলোচনা কৰিলো।

নং ১ ঃ- যোৱা ৮-১-২০০১ ইং তাৰিখৰ পৰা ১২-১-২০০১ ইং তাৰিখলৈ আমি ছাত্ৰ একতা সভাই ৫ দিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশ গ্ৰহণ কৰে আৰু বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন খেল-ধেমালীৰ লগতে গীত-মাত, কবিতা আবৃত্তি, কুইজ প্ৰতিযোগিতা আৰু বিভিন্ন খেল আদিত অংশ গ্ৰহণ কৰে। মহাবিদ্যালয় সপ্তাহৰ অন্তত মুকলি সভাত বিজয়ী ছাত্ৰ-ছাত্ৰী সমূহক নানা পুৰস্কাৰেৰে পুৰস্কৃত কৰি তেওঁলোকলৈ উৎসাহ তথা প্ৰেৰণা জগোৱা হয়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ জালালউদ্দিন আহমেদ মহোদয়ে।

উক্ত সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মঙ্গলদৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মূৰব্বী অধ্যাপক শ্ৰীযুত হৰিশ চন্দ্ৰ ডেকা দেৱ। আমন্ত্ৰিত অতিথি হিচাপে ছাত্ৰ-ছাত্ৰীৰ সমুখত তেওঁ ব্যক্তিত্বপূৰ্ণ সাৰগৰ্ভ ভাষণ ৰাখে। ছাত্ৰ-ছাত্ৰী বোৰেও তেওঁৰ কথাবোৰ অমৃত বাণী হিচাপে মনোযোগেৰে গ্ৰহণ কৰে।

মুকলি সভাৰ যৱনিকাত আমন্ত্ৰিত সাংস্কৃতিক দল খাৰুপেটীয়াৰ মিতালি সংঘই বিভিন্ন সুমধুৰ গীতমাত পৰিৱেশন কৰি এক সংগীত ঝংকাৰৰ সৃষ্টি কৰে আৰু সমূহ ছাত্ৰ-ছাত্ৰী ও দৰ্শক বৃন্দক এক অনাবিল আনন্দৰ খোৰাক যোগায়।

নং ২ ঃ- অন্যান্য বছৰত চলি অহাৰ দৰে মোৰ কাৰ্য্যকালতো ২৯-১-২০০১ ইং তাৰিখে স্বৰস্বতী পূজা উদ্‌যাপন কৰা হয়। তাৰ উপৰি ৬-১০-২০০১ ইং তাৰিখে "ফাতেহা-ই-দোৱাজ দাহম" উদ্‌যাপন কৰা হয়। আমন্ত্ৰিত অতিথি হিচাপে ফাতেহা-ই-দোৱাজ দাহমত উপস্থিত থাকে গুৱাহাটি বিশ্ববিদ্যালয়ৰ আৰবী বিভাগৰ ৰিডাৰ মাননীয় ড০ ৰূপচান্দ আলী মহাশয়, মঙ্গলদৈ মহাবিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী অধ্যাপক মাননীয় জামাল উদ্দিন মহোদয় বালাবাড়ী হাই মাদ্ৰাছাৰ প্ৰাক্তন আৰবী শিক্ষক মাননীয় মোফতি মহম্মদ আব্দুছ ছামাদ মহোদয় আৰু খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰবী শিক্ষক মৌলনা মহম্মদ তালেব উদ্দিন মহোদয়। এই সকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

নং ৩ ঃ- ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত যোৱা ১৮-৮-২০০১ ইং তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই নৱাগত আদৰণি সভাত মোৰেই সক্ৰিয় প্ৰচেষ্টাত উক্ত সভাত মঙ্গলদৈ লোক সভা সমষ্টিৰ সাংসদ মাননীয় শ্ৰীযুত মাধব ৰাজবংশীদেৱক আমন্ত্ৰিত কৰা হয়। এই সভাত তেখেতক মহাবিদ্যালয়ৰ নানা সমস্যা বৰ্ণিত, এক স্মাৰক পত্ৰ প্ৰেৰণ কৰো। উক্ত বিষয়ত মহোদয়ে ছাত্ৰী জিৰনি কোঠা নিৰ্ম্মাণৰ বাবে ২ (দুই) লাখ টকা অহা মাৰ্চ (২০০২) মাহত অনুমোদন দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

নং ৪ ঃ- এইখিনিতে মই গৰ্ব কৰি কৱ পাৰো যে মোৰ প্ৰচেষ্টাত ৰেগিঙৰ নামত কোনো ছাত্ৰ-ছাত্ৰীকে অশালীন ব্যৱহাৰ পৰা মুক্ত ৰাখিবলৈ সক্ষম হৈছিলো।

নং ৫ ঃ- মোৰ কাৰ্য্যকালতেই ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ অত্যাৱশ্যকীয় চকী দুখন, খোৱা পানীৰ ফিল্টাৰ এটা, টেবুল এখন, ষ্টিল আলমিৰা এটা, দেৱাল ঘড়ী এটা আৰু টিনৰ ডাঙৰ বাকচ এটা অনা হয়। তাৰ উপৰিও আৰু বিভিন্ন প্ৰয়োজনীয় বস্তুৰ যোগান ধৰা হয়।

নং ৬ ঃ- মোৰ দিনতেই খাৰুপেটীয়া মহাবিদ্যালয়ৰ আধৰুৱা শ্বহীদ বেদীৰ কাম আৰম্ভ কৰা হয় আৰু আমাৰ কাৰ্য্যকালতেই এই কাম সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

নং ৭ ঃ- মোৰ দিনতেই তথা ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত দ্বিতীয় সংখ্যা আলোচনী প্ৰকাশ পায় তাৰ উপৰিও ছাত্ৰ একতা সভাৰ সংবিধান ৰচনা কৰা হয়।

নং ৮ ঃ- মোৰ কাৰ্য্যকালতেই মহাবিদ্যালয়ৰ চৌহদত এখনি ফুলনি সজোৱা হয়।

নং ৯ ঃ- অইন অইন বছৰৰ দৰে এই বছৰো দুখীয়া ছাত্ৰ-ছাত্ৰী সকলক মহাবিদ্যালয়ৰ দুখীয়া পুঁজিৰ টকা বিতৰণ কৰা হয়।

নং ১০ ঃ- মহাবিদ্যালয়ৰ পুথিভঁড়ালৰ জড়িয়তে মুখ্য বিষয়ৰ ছাত্ৰ-ছাত্ৰী সমুহক কিতাপ দিয়াৰ ব্যৱস্থা কৰাৰ বাবে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ ওচৰত অনুৰোধ জনোৱা হয়।

নং ১১ ঃ- মোৰ দিনতেই আকাশ বাণী গুৱাহাটি কেন্দ্ৰৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত "আজি পুৱা ক্লাৱ নদীৰ মুখ", খাৰুপেটীয়াৰ সৌজন্যত মহাবিদ্যালয়ৰ চৌহদত এখনি ফুলনি দান হিচাপে নিৰ্মাণ কৰি দিয়াৰ বাবে "আজি পুৱা ক্লাৱ নদীৰ মুখ" খাৰুপেটীয়া, সভাপতি ইছাহক আলী তথা সম্পাদক আজিম আহমেদ আনছাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজ কৰাৰ উপৰিও নিম্নলিখিত বিভিন্ন সমস্যা সমূহ সমাধান কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা পৰিচালনা সমিতিৰ কাৰ্য্যকৰী বৈঠকত পৰিচালনা সমিতিৰ মাননীয়া সভানেত্ৰী ছৈয়দা আনোৱাৰা টাইমুৰ মহোদয়ালৈ

এখন স্মাৰক পত্ৰ দাখিল কৰো।

**উক্ত সমস্যা সমূহ হ'ল ঃ-** মহাবিদ্যালয়ৰ বিজুলী যোগানৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ বেৰ আৰু মজিয়া পকী কৰা, ছাত্ৰ বাসৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ৰ তোৰণ (গেট) নিৰ্মাণ কৰা, মহাবিদ্যালয়ৰ অৰ্দ্ধনিৰ্মিত কোঠা সমূহ সম্পূৰ্ণকৈ নিৰ্ম্মাণ কৰা, ব্যায়ামাগাৰৰ ব্যৱস্থা কৰা, অধ্যয়ন কোঠা সম্বলিত পুথিভঁৰালৰ স্থায়ী ভৱন নিৰ্মাণৰ ব্যৱস্থা কৰা।

**অনুৰোধ ঃ-** উপৰুক্ত সমস্যা সমাধান কৰিবলৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, পৰিচালনা সমিতি তথা আগন্তক ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈ অনুৰোধ জনালো।

**শ্ৰদ্ধা ও কৃতজ্ঞতাৰে ঃ-** জয় জয়তে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমুহ প্ৰৱক্তালৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। মোক সাধাৰণ সম্পাদক পদত নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰীলৈ সহস্ৰ ধন্যবাদ যাচিছোঁ। বিগত নিৰ্বাচনৰ সময়ত মোৰ সোঁহাত স্বৰূপে সহায় কৰা দাদা/ বন্ধু বৰ্গলৈ বিশেষকৈ প্ৰাক্তন সা সম্পাদক মঃ আশ্ৰাফুল ইচলাম, ফাইজুল ইচলাম, ছহিদুল ইচলাম, প্ৰাক্তন সমাজ সেৱা সম্পাদক কেছৰ আলী, তৈয়ব আলী, আব্দুল মজিত নবাব ছিৰাজদৌলা, জাহেদ আলী, আব্দুল কালাম আদাজ শ্বেখ ফৰিদ, আব্দুল হান্নান, ইনামুল হক মৃদুল, মনোজ, তিলক মণ্ডল, প্ৰনব সাহা, ছমিৰ, সত্যজিৎ দাস, ছোনো, সাহজামাল আনছাৰি, বাহাৰুল ইচলাম, ছুলতান আহমেদ, কুতুবুদ্দিন আহমেদ, নছিমদ্দিন আহমেদ, নোশাদ আলী, শ্বহিদ আলী, মহিবুল ইচলাম এই সকল দাদা-বন্ধু বৰ্গলৈ মই চিৰ ঋণী তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**মন্তব্য ঃ-** আমাৰ সকলোৰে বাবে এটা সুখৰ বিষয় যে সাম্প্ৰতিক সমাজত শিক্ষিত লৰা-ছোৱালীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। সকলোৰে জ্ঞানৰ পৰিসৰ বৃদ্ধি হৈছে কিন্তু দুখৰ বিষয় এই যে শিক্ষাৰ তুলনাত আমাৰ নৈতিকতা আৰু আধ্যাত্মিকতাৰ বিকাশ হোৱা নাই। হাজাৰ বিজাৰে শিক্ষিত লোক থাকিলেও নৈতিকতা, আধ্যাত্মিকতা আদিৰ অবিহনে এখন সমাজ ভদ্ৰ বা সুসভ্য বুলি পৰিচয় দিব নোৱাৰে। গতিকে নবোদিত যুবক-যুবতী সকলে নৈতিকতা আৰু আধ্যাত্মিকতাৰ প্ৰতি গুৰুত্ব দিয়া উচিত। এই খিনিতে আৰু এটা পৰিতাপৰ বিষয় যে আমাৰ দেশৰ ডেকা-গাভৰু সকলে আধুনিকতাৰ নামত নিজা কলা-কৃষ্টি, সংস্কৃতি আদিক বিসৰ্জন দি পশ্চিমীয়া দেশৰ সংস্কৃতিৰ প্ৰতি ধাৱবান হৈছে যাৰ ফলত আমাৰ স্বকীয় পৰম্পৰা, আদৰ্শ, মূল্যবোধ আদিৰ বিলুপ্তি হৈছে। এই কথাটোৱে আমাক অন্ধ-অনুশৰণকাৰী বুলি প্ৰমাণিত কৰিছে। প্ৰকৃতাৰ্থত কোনো গভীৰ বিবেচনা নকৰাকৈ আমি নিজকে বিদেশৰ সংস্কৃতিৰ ওচৰত বিক্ৰী কৰি দিছো। কিন্তু শিক্ষিত লোক হিচাপে আমি নিজৰ সত্বাটোকে তেনেদৰে বিক্ৰী কৰা উচিত নহয়। আমি সকলোৱে নিজৰ যুক্তি বিবেচনাৰে আন সংস্কৃতিৰ প্ৰতি অনুৰক্ত হব লাগে। তেনেহলে আমাৰ নিজা জন্মভূমিৰ মূল্যবোধ ঐক্য আৰু জাতীয় পৰম্পৰা অক্ষুণ্ণ হৈ থাকিব।

আমি সকলোৱে শিক্ষা লৈছো। আমাৰ সকলোৰে শিক্ষাৰ উদ্দেশ্য হৈছে চাকৰি মুখী। কিন্তু বিখ্যাত শিক্ষা বিদ ও দাৰ্শনিক Harbert Spenchar কৈছিল যে " শিক্ষাই ব্যক্তিৰ উন্নত ধৰণৰ নৈতিক চৰিত্ৰ গঠন আৰু ব্যক্তিত্বৰ বিকাশ সাধন কৰে।" তেওঁৰ ভাষাত মইও কব খোজো যে শিক্ষাৰ দ্বাৰাই আমাৰ সকলোৰে নৈতিক চৰিত্ৰ গঠন আৰু ব্যক্তিত্বৰ বিকাশ সাধন হওঁক।

মন্তব্যৰ পৰিশেষত মই আৰু এটা কথা উল্লেখ কৰিব খোজো যে আমাৰ মহাবিদ্যালয় খন পূৰ্ব্বে সংখ্যালঘু সকলৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আছিল যদিও বৰ্তমান এই অনুষ্ঠানলৈ সকলো ধৰ্ম সম্প্ৰাদায়ৰ সহায় সহযোগ কৰাত ই এখন সামূহিক জাতীয় অনুষ্ঠানলৈ পৰিণত হৈছে। ই আমাৰ সকলোৰে বাবে এক গৌৰৱ তথা ধৰ্ম নিৰপেক্ষতাৰ নিদৰ্শন।

**সামৰণি ঃ-** মোৰ বিগত কাৰ্য্যকালত আমাৰ এই মহান অনুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়ৰ বাবে কিমানখিনি সফলতা আনিব পাৰিছো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। মই যদি কিবা অলপ উন্নতি সাধিব পাৰিছো সেয়া মোৰ সৌভাগ্য বুলি ধৰি লৈছো আৰু কৰিব নোৱাৰা খিনিৰ বাবে আপোনালোকৰ পৰা ক্ষমা বিচাৰিছো। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষক কৰ্মচাৰি তথা ছাত্ৰ-ছাত্ৰীয়ে জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিবিশেষে সকলোৱে যাতে ঐক্যতাৰে মিলিজুলি এই মহান অনুষ্ঠানটিৰ ভবিষ্যৎ উন্নতি ও প্ৰগতি সম্পৰ্কে চেষ্টা চলায় তালৈ মোৰ অনুৰোধ থাকিল।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা মহান ব্যক্তি সকল, সমূহ প্ৰৱক্তা বৃন্দ, ছাত্ৰ-ছাত্ৰী তথা দাদা-বন্ধু বৰ্গলৈ শ্ৰদ্ধা ও অভিনন্দন যাচিছোঁ লগতে ২০০০ নৱ বৰ্ষৰ ওলগ জনাই মোৰ কাৰ্য্যকালৰ মাজত আজানিত ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি ও শুভ কামনাৰে মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

"জয় আই অসম"

**মঃ ছফিকুল ইচলাম**
সাঃ সম্পাদক
ছাত্ৰ একতা সভা খাৰুপেটীয়া মহাবিদ্যালয়
২০০০-২০০১ চন







# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। খাৰুপেটীয়া মহাবিদ্যালয়ৰ সহ সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ আন্তৰিক শ্ৰদ্ধা ও অভিনন্দন জ্ঞাপন কৰিলো।

ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মোৰ কাৰ্য্যকালৰ ভিতৰত কিমানখিনি কৰ্তব্য কৰিব পাৰিছো সেয়া ছাত্ৰ-ছাত্ৰীৰ বিচাৰ্য্যৰ বিষয়। আমি কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। মহা বিদ্যালয়ৰ সপ্তাহ আৰু সৰস্বতী পুজাৰ কাৰ্য্যসুচী সমূহ অতি নিয়মিয়াকৈ পালন কৰা হয়। যি সকল প্ৰতিযোগীয়ে খাৰুপেটীয়া মহাবিদ্যালয়ত প্ৰতিযোগিতাত জয়ী হৈছিল, সেই সকললৈ পুৰস্কাৰ আৰু প্ৰমাণ পত্ৰৰে সন্মান জনোৱা হয়, আৰু যি সকল প্ৰতিযোগীৰ পৰাজয় হৈছিল তেওঁলোকক বিজয়ৰ আশা ৰাখি যিকোনো প্ৰতিযোগীতত অংশ গ্ৰহণ কৰাৰ উৎসাহ দিয়া হয়।

শেষত মোৰ কাৰ্য্যালয়ত প্ৰতি মুহূৰ্তত সৎ পৰামৰ্শ আৰু সহায়-সহযোগ আগ বঢ়োৱা সন্মানীয় ভাৰপ্ৰাপ্ত অধক্ষ মঃ জালালউদ্দিন আহমেদ মহাশয় আৰু পৰম পূজনীয় শিক্ষা গুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে আমাৰ ছাত্ৰ একতা সভাৰ সদস্য তথা সদস্যা সকলক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০১-২০০২ চনৰ সহঃ সাধাৰণ সম্পাদক হিচাপে প্ৰতিবেদন লিখাত কিবা ভুল ভ্ৰান্তি হলে তাৰ বাবে ক্ষমা বিচাৰি ভবিষ্যতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ ঐক্য, শান্তি আৰু প্ৰগতিৰ কামনা কৰি এই প্ৰতিবেদনৰ অন্তিম ৰেখা টানিলো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

"জয় আই অসম"

**মঃ ৰুহুল আমিন**
সহঃ সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা, খাঃ মঃ



# ছাত্ৰী জিৰনি কোঠা সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মোক সৰ্ব্ব সন্মতি ক্ৰমে ছাত্ৰী জিৰনি কোঠা সম্পাদিকা হিচাবে মনোনীত কৰাৰ বাবে মই ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববিয়ালৈ আন্তৰিক অভিনন্দন জনাইছোঁ।

উল্লেখযোগ্য যে, যোৱা ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত মিচ্ উম্মে কুলচুম শ্বেখ ছাত্ৰী জিৰনি কোঠা সম্পাদিকা হিচাবে মনোনীত হৈছিল যদিও তেওঁৰ অনিয়মীয়া উপস্থিতি আৰু কৰ্তব্য পালনত অৱহেলাৰ বাবে তেওঁক উক্ত পদৰ পৰা অব্যাহতি দি মোক যোৱা ১৫/৮/২০০১ তাৰিখে ছাত্ৰী জিৰনি কোঠা সম্পাদিকা হিচাবে নিযুক্তি দিয়া হয়।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰী জিৰনি কোঠা এটি আছে যদিও তাত ছাত্ৰী সকলৰ ব্যৱহাৰৰ বাবে পৰ্য্যাপ্ত পৰিমানৰ সা-সুবিধা নথকাৰ বাবে ছাত্ৰী সকল বহু অসুবিধাৰ সন্মুখীন হবলগা হৈছে। মই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে ছাত্ৰী জিৰনী কোঠাটি ছাফা কৰাও আৰু কিছুমান লাগতিয়াল সামগ্ৰী ক্ৰয় কৰি বৰ্ত্তমানে চাত্ৰী জিৰনি কোঠাটি কিছু পৰিমানে হলেও ব্যৱহাৰোপযোগী কৰি তোলা হৈছে। ছাত্ৰী জিৰনি কোঠাৰ ছাত্ৰী সকলৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি মই এটি পানী ফিল্টাৰ, এখন ড্ৰেছিং আইনা, চকী-মেজ আদিৰ ব্যৱস্থা কৰি দিয়াৰ বাবে মই ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ ওচৰত ইতিমধ্যে আবেদন জনাইছোঁ।

সদৌশেষত মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিহা-পৰামৰ্শ আদি আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ জালালউদ্দিন আহমেদ ছাৰক মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। মোক বিভিন্ন কামত বিশেষ সহায়-সহযোগ আগবঢ়োৱা সাংস্কৃতিক ও ছাত্ৰ জিৰনি কোঠা সম্পাদক আজিম আহমেদ আনছাৰী দাদা, প্ৰাচীৰ পত্ৰিকা সম্পাদক আবু বক্কৰ ছিদ্দিক দাদা আৰু বান্ধৱী নাজমা, জাহানাৰা, ৰঞ্জিতা বেগম, আদিলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি প্ৰতিবেদন সামৰিছোঁ।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

**মিচ্ ফাৰাহানা জিন্নাত হাছিনা হক**
সম্পাদিকা ছাত্ৰী জিৰনি কোঠা বিভাগ।
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা



# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

এখন সমাজ এটা জাতিৰ প্ৰতীক। এই প্ৰতীক ৰূপী সমাজাৰ এক বিশেষ অঙ্গ হ'ল ছাত্ৰ সমাজ। শিক্ষানুষ্ঠানৰ ছাত্ৰ সকলৰ দ্বাৰা গঠিত সমাজ সেৱা বিভাগৰ গুৰু দায়িত্বপালন কৰাটো এক জটিল কাম। অসংখ্য অভাৱৰ মাজেৰে আগুৱাই অহা খাৰুপেটিয়া মহাবিদ্যালয়ৰ ক্ষেত্ৰত এই দায়িত্ব পালন কৰাটো আৰু এক জটিল প্ৰত্যাহ্বান। চলিত শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনত মই এই বিভাগৰ সম্পাদকৰ বাব পোৱাটোৰ ক্ষেত্ৰত যিসকল শিক্ষা গুৰু আৰু সহপাঠী ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ ঐকান্তিক অৰিহণা পাইছো তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ। আৰু তেওঁলোকলৈ মোৰ এই লিখনিৰ মাধ্যমে হিয়াভৰা শুভেচ্ছা ও ধন্যবাদ জনালোঁ।

অভাৱগ্ৰস্ত প্ৰতিষ্ঠানখনৰ সমাজ সেৱা বিভাগৰ প্ৰায় সকলো দিশেই গুৰুত্বপূৰ্ণ। যিহেতু সমাজ সেৱা বিভাগৰ মাধ্যমে প্ৰতিষ্ঠানখনৰ ভিতৰচ'ৰাৰ লগতে বাহ্যিক উন্নতিও সাধন কৰা যায়। উদাহৰণস্বৰূপে মোৰ কাৰ্য্যকালৰ ভিতৰত অধ্যাপক সকলৰ সাধাৰণ কোঠালীৰ আগত থকা ঠাই ডৰাত কৰা ফুলনিখনিয়ে মহাবিদ্যালয়খনিৰ কিঞ্চিত পৰিমাণে হলেও শোভাবৰ্ধন কৰিছে। আনহাতে মোৰ কাৰ্য্যকালতো ছাত্ৰ ছাত্ৰীসকলৰ মাজত সুলভ মূল্যৰ কেৰাচিন তেল বিতৰণ ব্যৱস্থা অব্যাহত থাকে।

মহাবিদ্যালয়খনৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱাৰ বাবে বহুতো প্ৰয়োজনীয় আচনী কাৰ্য্যত পৰিণত কৰিব পৰা নগ'ল। মহাবিদ্যালয়খনৰ যথেষ্ট মাটি আছে যদিও অৰ্থৰ অভাৱত সিবোৰত প্ৰয়োজনীয় ফুলনি, ফলমূলৰ গছ-গছনি ৰোৱাৰ লগতে সামাজিক বনানীকৰণ কাৰ্য্যসূচী ৰূপায়ণ কৰিব পৰা নগ'ল। এই ক্ষেত্ৰত বহুতো বন্ধু-বান্ধৱীয়ে মোক সু-পৰামৰ্শ আগবঢ়াইছিল যদিও এনে কাৰণতেই অপৰাগ হৈ পৰিলো। মোৰ বিভাগীয় তত্বাৱধায়ক প্ৰৱক্তা মহঃ হবিবুৰ ৰহমান মহোদয়ে মোক যথেষ্ট অৰিহণা যোগাইছিল বাবে মই তেখেতৰ ওচৰত ব্যক্তিগত ভাৱে চিৰ কৃতজ্ঞ।

মোৰ কাৰ্য্যকালতে আমাৰ অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত মহাবিদ্যালয়খনৰ স্মৃতি-স্তম্ভ শ্বহীদ বেদীটো প্ৰাণৱন্ত হৈ উঠিল, এইটো মোৰ কৰ্মৰাজিৰ এক অন্যতম সফলতাৰূপে সাব্যস্ত হব। আনহাতে নৱাগত আদৰণী সভা ও মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত মোৰ সমাজ সেৱা বিভাগে এক অভিভূত পদক্ষেপ লোৱাৰ প্ৰমাণ প্ৰত্যক্ষকাৰীৰ হৃদয়ংগম হৈ থাকিব।

যিকোনো অনুষ্ঠানৰ মুৰব্বীজনৰ উদাৰতাই কৰ্মৰাজিলৈ অনুপ্ৰেৰণা যোগায়। আমাৰ ক্ষেত্ৰতো আমাৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহঃ জালাল উদ্দিন আহমেদ মহোদয়ে যথেষ্ট পৰিমাণে অৰিহণা যোগাইছে বুলি মই দৃঢ়তাৰে ব্যক্ত কৰিলো।

সদৌ শেষত মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনখনিক আলোচনী কতৃপক্ষই কিঞ্চিত স্থান দানে কৃতজ্ঞ কৰাৰ বাবে তেখেতসকললৈ হিয়াভৰা ওলগ জনাই, আমাৰ আলোচনীখনিয়ে ইতিহাসৰ বাৰ্তা বহন কৰি আমাৰ কৃতিত্ব বিয়পাই আমাৰ পৱিত্ৰ অনুষ্ঠানটি মুখৰিত কৰি তোলক এই কামনাৰে আৰু শেষত আলোচনীখনে পাঠক সমাজৰ সমাদৃত হোৱাৰ আশাৰে মোৰ অলেখ ত্ৰুটিপূৰ্ণ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"
"জয় আই অসম"

**এম, আনোৱাৰ হুছেইন**
সম্পাদক সমাজ সেৱা বিভাগ।
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা







# খেল সম্পাদক (বহিঃ বিভাগ)ৰ প্ৰতিবেদন

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বহিঃ খেল বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদন লিখাৰ আৰম্ভনিতে বিভিন্ন জনগোষ্ঠীৰে গঠিত অসম দেশৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ বীৰঙ্গনা সকলৰ প্ৰতি মোৰ শ্ৰদ্ধাৰ অঞ্জলি আগবঢ়াইছো। তথা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো সেই সকল ছাত্ৰ-ছাত্ৰীৰ প্ৰতি যি সকলে খাৰুপেটিয়া মহাবিদ্যালয়ৰ দৰে সন্মানীয় মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ বহিঃ খেল সম্পাদকৰ পদত মোক নিৰ্ব্বাচিত কৰিছিল।

ঃ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো খেলতে বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ ও প্ৰতিদ্বন্দিতা কৰে। তাৰ বাবে মই সমূহ প্ৰতিযোগীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। সপ্তাহ জোৰা ৰং ৰহইচ তথা আনন্দৰ মাজেৰে খেল সমূহ শান্তিপূৰ্ণ ভাৱে সম্পূৰ্ণ হয়। যাৰ বাবে মই নথৈ আনন্দিত। বহিঃ বিভাগৰ ক্ৰীড়াৰ লৰাৰ শাখাত শ্ৰেষ্ঠ এথলেটৰ গৌৰৱ অৰ্জন কৰে স্নাতক ২য় বৰ্ষৰ কলা শাখাৰ ছাত্ৰ মঃ নফিউৰ ৰহমান।

বহিঃ দ্বাৰ ক্ৰীড়া বিভাগৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰ খনৰ অৱস্থা পুতৌজনক হোৱাৰ কাৰণ বাৰিষা পানীৰে পৰিপূৰ্ণ হৈ যায়, যাৰ ফলত খেল পথাৰখনত বোকা হয়। পৰবৰ্ত্তী দিন সমূহত মহাবিদ্যালয়ৰ কৃৰ্ত্তপক্ষই ছাত্ৰ-ছাত্ৰী সকলে ভোগ কৰি অহা বিভিন্ন সমস্যাৰ সমধান কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিব বুলি আশা কৰিলোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ- মোৰ কাৰ্য্যকালত অজানিত ভুলৰ বাবে সমূহ অধ্যাপক, অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ, লগতে মোক বিভিন্ন কামত পৰামৰ্শ আগবঢ়োৱা ভাৰ প্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰ কৃতজ্ঞ। খেল বিভাগৰ তত্বাবধায়ক শ্ৰদ্ধাৰ শিক্ষাগুৰু মঃ আব্দুৰ ৰহিম ছাৰলৈ মোৰ কৃতজ্ঞতাৰ শৰাই নিবেদিছোঁ। ছাত্ৰ একতা সভাৰ সমূহ সদস্য, ক্ৰিকেট প্ৰতিযোগিতাত সহায় আগবঢ়োৱা প্ৰাক্তন ছাত্ৰ শ্ৰদ্ধাৰ ছাহাব উদ্দিন দা লৈ মোৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত বঁটা বিতৰণী সভাত মাননীয় ভাৰ প্ৰাপ্ত অধ্যাপক মঃ জালালউদ্দিন আহমেদ দেৱে বঁটাৰ লগতে প্ৰমান পত্ৰ বিতৰণ কৰি দিয়াৰ বাবে তেখেতলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। খাৰুপেটিয়া মহাবিদ্যালয় তথা খেল বিভাগৰ উজ্বল ভবিষ্যত কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ধন্যবাদ

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"
"জয় আই অসম"

**মঃ ছফিকুল ইছলাম**
বহিঃ খেল বিভাগৰ সম্পাদক
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা



# খেল সম্পাদক (আন্তঃ বিভাগ)ৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আদিতেই পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ কৃপাত যিসকল বিদ্যোৎসাহী ব্যক্তিৰ উদ্যমী প্ৰচেষ্টা ও অক্লান্ত সাধনাৰ অন্তত আমাৰ অতিকৈ আপোন "খাৰুপেটীয়া মহাবিদ্যালয়" খনক গঢ় দিলে আৰু দেশমাতৃৰ ৰক্ষাৰ্থে যিসকল বীৰ-বীৰঙ্গনাই জাতিসত্বাৰ খাতিৰত অকৃপন চেষ্টা ও কেঁচা তেজৰ বিনিয়মত মৃত্যুৰ কৰাল গ্ৰাসত পতিত হৈ দেশমাতৃক স্বাধীনতাৰ মুকুট পিন্ধাই দিলে, পোনতেই মই সেইসকল ব্যক্তিলৈ মোৰ হৃদয়ৰ গভীৰ শ্ৰদ্ধা ও ওলগ যাঁচি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ পাতনি মেলিলো।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ইং ২০০০-২০০১ চনৰ ছাত্ৰ একতা সভাৰ খেল আন্তঃ বিভাগ সম্পাদক হিচাপে মোক গুৰু দায়িত্ব অৰ্পন কৰাৰ বাবে মই সকলোৰে ওচৰত চিৰকৃতজ্ঞ।

বৰ্তমান আধুনিক জগতত সমগ্ৰ বিশ্বজুৰিয়েই ক্ৰীড়াই এক বিশেষ মৰ্য্যাদা ও সমাদৰ লাভ কৰি আহিছে। বিশ্লেষণাত্মক দৃষ্টিভংগীৰে ফঁহিয়াই চালে দেখা যায় যে মানৱজাতিৰ দীপ্তিময় পথৰ অনুসন্ধানত ক্ৰীড়াই এক বিশেষ ভূমিকা পালন কৰি আহিছে। এই খিনিতে আমাৰ "খাৰুপেটীয়া মহাবিদ্যালয়" খন বিভিন্ন অভাৱ-অভিযোগ আৰু ঘাত-প্ৰতিঘাতৰ মাজত জাতি-ধৰ্ম, বৰ্ণ-ভাষা নিবিৰ্শেষে গঢ়লৈ উঠা উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ এটি অনুষ্ঠান। এই অনুষ্ঠানটো আৰ্থিকভাৱে স্বাৱলম্বী নোহোৱাৰ হেতুকে অন্যান্য বিষয়ৰ উপৰিও বিশেষকৈ ক্ৰীড়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে বহুতো সমস্যাৰ সন্মুখীন হব লগা হৈছে। তথাপিতো মই মোৰ সাধ্যানুসাৰে খেল (আন্তঃ) বিভাগত থকা বিভিন্ন অভাৱ-অভিযোগবোৰ লাঘৱ কৰিবলৈ আপ্ৰাণ প্ৰয়াস কৰিছো, কিন্তু কিমানুদূৰ লাভ কৰিছো সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্যৰ বিষয়। মোৰ বোধেৰে লিখা পঢ়াৰ দৰে যদি খেলা-ধুলাকো সমান জ্ঞানবোধ কৰি আগ্ৰহেৰে প্ৰয়াস কৰা হয়, তেন্তে নিশ্চয় এদিন সুখ্যাতি সম্পন্ন খেলুৱৈ হিচাপে বিশ্বৰ ইতিহাসত নিজৰ নাম সোণালী আখৰেৰে জিলিকাই তুলিব পৰা যাব।

মোৰ কাৰ্য্যকালৰ এটি চমু বেঙনি ঃ মই যোৱা ৭ ডিচেঃ ২০০০ ইং তাৰিখে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ ওচৰত গোপনীয়তাৰ শপত লওঁ। কাৰ্য্যভাৰ গ্ৰহণৰ পিছে পিছেই বাৰ্ষিক "মহাবিদ্যালয় সপ্তাহ" লৈ অগ্ৰসৰ হওঁ। ছদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে বিভিন্ন ধৰণৰ খেলা-ধুলাৰ মাধ্যমেৰে নিয়াৰিকৈ "মহাবিদ্যালয় সপ্তাহ" উৎযাপিত কৰা হয়। কাৰ্য্যসূচীৰ অন্তিমদিনা বৰ উলহ-মালহেৰে "মুকলি সভা" ও "সাংস্কৃতিক সন্ধ্যা" অনুষ্ঠিত কৰা হয়। উক্ত মুকলি সভাত আমন্ত্ৰিত বিশিষ্ট অতিথি সকলৰ হতুৱাই বিজয়ী সকলক বঁটা ও প্ৰমাণ পত্ৰৰে পুৰস্কৃত কৰা হয়।

কৃতজ্ঞতা ঃ মই সততে পোৱা সজ দিহা পৰামৰ্শৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ জালালউদ্দিন আহমেদ মহোদয়ে আৰু মোৰ বিভাগৰ তত্বাৱধায়ক মঃ আব্দুৰ ৰহিম ছাৰলৈ হিয়াভৰা শ্ৰদ্ধা নিবেদিছো। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াকে তথা বন্ধু-বান্ধৱী সকলক কৃতজ্ঞতাৰে শলাগিছো।

সদৌ শেষত, চিৰ চেনেহী "খাৰুপেটীয়া মহাবিদ্যালয়'ৰ জ্বলন্ত সমস্যাবোৰৰ যৱনিকা পৰি অদূৰ ভৱিৎষতে এক শুভ্ৰ তথা নিকা মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা হোৱাৰ কামনাৰে আৰু অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি মই মোৰ সম্পাদকীয় ক্ষুদ্ৰ নিৰস প্ৰতিবেদনৰ ওৰ পেলালো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"
"জয় আই অসম"

**মঃ মিজানুৰ ৰহমান**
আন্তঃ খেল বিভাগৰ সম্পাদক
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা







# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত খাৰুপেটীয়াৰ বুকুত আমাৰ অতিকৈ মৰমৰ খাৰুপেটীয়া মহাবিদ্যালয়খনে জন্ম লাভ কৰিলে তেখেতসকললৈ অজস্ৰ প্ৰণাম ও শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ আন্তৰিক সহায়-সহযোগ আৰু গভীৰ আস্থাই মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০০-২০০১ চনৰ আলোচনী সম্পাদকৰ পদত মনোনীত কৰি মহাবিদ্যালয়খনৰ সেৱা কৰাৰ মহান সুযোগ দিলে সেই সকললৈ এই ছেগতে আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

খাৰুপেটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰে পৰা সুদীৰ্ঘ ২০ বছৰৰ ভিতৰত ১৯৯৯ চনত প্ৰভাতী সংখ্যা আলোচনীখন প্ৰকাশ পাইছিল। এই বেলিও আমি ছাত্ৰ একতা সভাই নানা সমস্যাৰ মাজেৰে দ্বিতীয় সংখ্যা আলোচনীখন প্ৰকাশ কৰিলোঁ। মহাবিদ্যালয়ৰ আলোচনী এখন দাপোনৰ দৰে, যি দাপোনত ছাত্ৰ-ছাত্ৰীৰ সমস্ত বৌদ্ধিক প্ৰতিভা প্ৰকাশ পায়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ মাজত গুজৰি-গুমৰি থক ভাৱ সমুহ প্ৰকাশ কৰা বাবে আলোচনী এখন উৎকৃষ্ট মাধ্যম। বৰ্ত্তমান পৰিস্তিতিত্ আলোচনী এখনে সমাজৰ বিভিন্ন চিন্তা ধাৰাৰ প্ৰকাশ কৰি সবল জনমত গঢ়ি তোলত এক দায়িত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰিব পাৰে। এনে এটি গুৰু দায়িত্ব ভাৰৰ সম্পাদকীয় পদটো চলোৱা কিমান কষ্ট সাধ্য সেইয়া পাঠক পাঠিকাৰ সহজেই অনুমেয়।

আলোচনী একন প্ৰকাশ কৰা কিমান কষ্টসাধ্য সেইয়া সকলোৰে জ্ঞাত। আৰ্থিক সমস্যা বাদেও লিখনী দিয়াত ছাত্ৰ-ছাত্ৰী সকলৰ চৰম অৱহেলাই ইয়াক অধিক কষ্ট সাধ্য কৰি তোলে। আমাৰ মহাবিদ্যালয়তো বাৰম্বাৰ লিখনী বিচাৰি জাননী দিয়াতো লেখনী অহাত পলম হোৱাত আলোচনী প্ৰকাশ কৰাত কিছু পলম হল। তথাপিও যি সকল সাহিত্যনুৰাগী ছাত্ৰ-ছাত্ৰীৰ লেখনী মোৰ হাতত পৰিছিল তাৰে কিছু লেখনীৰ মানদণ্ড নিম্ন তথা কিছু পুৰ্ব্বতে প্ৰকাশ হোৱা বাবে আলোচনীত স্থান দিব পৰা নগল। তাৰ বাবে মই দুখীত তথা ক্ষমা প্ৰাৰ্থী। তেওঁলোকে ভৱিষ্যতে উপযুক্ত সাহিত্য-সমলৰ সৃষ্টিকৰক তাৰে একান্ত কামনা কৰিলোঁ।

কৃতজ্ঞতা স্বীকাৰ ঃ- মোৰ কাৰ্য্যকালত বিভিন্ন দিহা-পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱাৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ জালালউদ্দিন আহমেদ ছাৰ, আলোচনী তত্বাবধায়ক মাননীয় মঃ নুৰুল ইছলাম ছাৰ, শ্ৰদ্ধাৰ শিক্ষাগুৰু মঃ নাজিৰ হুছেন চৰকাৰ, শ্ৰীযুত জীবেন্দ্ৰ মোহন দেৱশৰ্মা, শ্ৰীযুত পৰিমল কুমাৰ দত্ত, মঃ আব্দুল আওৱাল, শ্ৰীযুত দীপক কলিতা, মঃ নুৰজ্জামান ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও বিভিন্ন কামত সহায়-সহযোগ কৰাৰ বাবে ছাত্ৰ একতা সভাৰ উপসভাপতি মঃ আব্দুৰ ৰহমান (বিশ্বাস), সাধাৰণ সম্পাদক মঃ ছফিকুল ইছলাম, সাংস্কৃতিক ও ছাত্ৰ জিৰণী কোঠা সম্পাদক আজিম আহমেদ আনছাৰী, প্ৰাক্তন আলোচনী সম্পাদক মঃ কাজিমুদ্দিন আহমেদ, নুৰুল ইছলাম, শ্ৰদ্ধাৰ দাদা মঃ নুৰুল হক তালুকদাৰ, ছাহাবুদ্দিন আহমেদ, বন্ধুবৰ মঃ হাছেন আলী, মঃ জামাল উদ্দিন আহমেদ, হাফিজুদ্দিন, জাহাংগীৰ আলম, ছাইদুৰ ৰহমান আদিক এই সুযোগতে আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখন সুন্দৰ ভাৱে সজাই দিয়াৰ বাবে এম. এম. গ্ৰাফিক্‌চৰ স্বত্তাধিকাৰী তথা কৰ্মীবৃন্দৰ লগতে আলোচনী সম্পাদনা সমিতি আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববিয়ালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

সদৌ শেষত আলোচনীত হব পৰা ভুলৰ বাবে আগতিয়াকৈ ক্ষমা বিচাৰি আমাৰ আলোচনীখন অসমীয়া ভাষা সাহিত্যৰ এগছি বন্তি হৈ উজ্জ্বলি থাকক তাৰে কামনাৰে।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"
"জয় আই অসম"

**মঃ আমজাদ আলী**
সম্পাদক আলোচনী বিভাগ।
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা



# প্ৰাচীৰ পত্ৰিকা সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন।

জয় জয়তে খাৰুপেটীয়া মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ এবছৰীয়া সম্পাদকীয় কাৰ্য্যকালৰ বাৰ্ষিক প্ৰতিবেদনৰ পাতনি মেলিলো। আৰম্ভণিতে যোৱা ইং ২০/১১/২০০০ তাৰিখে খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৈল প্ৰাচীৰ পত্ৰিকা সম্পাদক হিচাপে মোক মনোনীত কৰাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলে যাঁচিলো অশেষ শ্ৰদ্ধা, ভালপোৱা আৰু কৃতজ্ঞতা। লগতে আমাৰ মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষক, শিক্ষয়িত্ৰী তথা সমূহ কৰ্মচাৰী লৈ আন্তৰিক শ্ৰদ্ধা জনালোঁ।

মই প্ৰাচীৰ পত্ৰিকা সম্পাদক হিচাপে কাৰ্য্যভাৰ লৈ এই সম্পৰ্কত কৰিব লগীয়া কামবোৰ কৰিব নোৱাৰিলেও যৎ কিঞ্চিত কৰাৰ প্ৰয়াস কৰিছিলো আৰু সেইবিষয়ে সম্যকভাৱে জনোৱাৰ প্ৰয়াস কৰিলো ঃ

ছাত্ৰ একতা সভাত গ্ৰহণ কৰা প্ৰস্তাৱ মতে মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকাৰ দুখন বোৰ্ড আৰু প্ৰাচীৰ পত্ৰিকাৰ লিখনি জমা লোৱা এটা বাকচ থাকিব আৰু প্ৰতি দুমাহৰ অন্তৰে অন্তৰে প্ৰাচীৰ পত্ৰিকাৰ নতুন লিখনি সমূহ অন্তভূৰ্ক্ত কৰা হ'ব। কিন্তু মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা বিভাগৰ পুঁজি টনকিয়াল নোহোৱাৰ কাৰণে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ে বোৰ্ড বনোৱাৰ প্ৰাস্তাৱটো নাকচ কৰি এখন প্ৰাচীৰ পত্ৰিকাৰ লিখনি জমা লোৱা বাকচ বনাবলৈ আৰু দুমাহৰ অন্তৰে অন্তৰে নতুন লিখনি অন্তভূক্তৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সেই প্ৰস্তাৱ মৰ্মে মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকাৰ লিখনি জমা লোৱা এটা বাকচ বনোৱা হয়।

নৱাগত আদৰণি সভা ইং ১৮/৮/২০০১ তাৰিখৰ দিনা প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাৰ বাবে ১/৮/২০০১ তাৰিখে লিখনি বিচাৰি জাননী দিয়া হয় অলপ দিনতে বহুত লিখনি মোৰ হাতত পৰিছিল। তাৰে যিখিনি প্ৰকাশ কৰিব পৰা নগ'ল তাৰ বাবে মই দুঃখিত। আমাৰ প্ৰাচীৰ পত্ৰিকাৰ বাবে দিয়া লিখনি ভৱিষ্যতে আৰু উন্নত হোৱাৰ কামনা কৰিলোঁ।

প্ৰাচীৰ পত্ৰিকাৰ বাবে যিখিনি সুবিধা দিব লাগিছিল হয়তো দিব পৰা নাই। কিন্তু এই সীমিত পৰিসৰৰ ভিতৰতে লিখামেলা তথা বৌদ্ধিক চিন্তা চৰ্চাৰ এটা পৰিবেশ সৃষ্টি কৰিব পাৰি বুলি মই ভাবো। আৰু আজিলৈকে উক্ত ক্ষুদ্ৰ পত্ৰিকাখনত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ প্ৰতিভাৰ সফল প্ৰতিফলন দেখুৱাই আহিছে। যিয়েই নহওঁক, মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাত আৰু বেছি উন্নত মানৰ লিখনি প্ৰকাশ হওঁক তাৰ বাবে সকলোৱে চেষ্টা কৰক তাকে কামনা কৰিলো।

মোৰ কাৰ্য্যকালত তথা প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাত মোক বিভিন্ন দিশত দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়াই উৎসাহিত কৰা বৰ্তমানৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ, প্ৰাচীৰ পত্ৰিকা বিভাগৰ তত্বাবধায়ক প্ৰৱক্তা শ্ৰীযুত দিপক কলিতা ছাৰ তথা সাংস্কৃতিক বিভাগৰ তত্বাবধায়ক শ্ৰীযুত জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা (গ্ৰন্থাগাৰিক) ছাৰক মোৰ তৰফৰ পৰা অপৰিসীম শ্ৰদ্ধা নিবেদিছোঁ। মোক ব্যক্তিগত ভাৱে সহায় সহযোগিতা কৰা মঃ আমজাদ আলী (আলোচনী সম্পাদক), মঃ আজিম আহমেদ আনছাৰী( সাংস্কৃতিক ও ছাত্ৰ-জিৰণী কোঠা সম্পাদক), তথা মঃ মফিদুল ইছলাম সৰকাৰ (প্ৰাক্তন ছাত্ৰ)ক আন্তৰিক শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰাচীৰ পত্ৰিকাখনৰ দীৰ্ঘায়ু কামনা কৰি মোৰ বাৰ্ষিক প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

"জয় আই অসম"

**মঃ আবু বক্কৰ ছিদ্দিক।**

সম্পাদক, প্ৰাচীৰ পত্ৰিকা বিভাগ।

খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা







# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

মই মোৰ প্ৰতিবেদনৰ আৰম্ভনীতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ে মোৰ নিচিনা অভাজনক ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে গুৰু দায়িত্বভাৰ মোৰ ওপৰত অৰ্পন কৰা বাৱে তেখেত সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে মোক মনোনীত কৰি বিভাগীয় কাম কাজত সহায় সহযোগ কৰাৰ বাৱে তেখেত সকললৈ আন্তৰিক শুভেচ্ছা জনালোঁ।

মোৰ দায়িত্বৰ ভিতৰত আছিল অসমীয়া আৰু ইংৰাজী, তৰ্ক আকস্মিক বক্তৃতা, কুইজ আৰু আলোচনা চক্ৰ। মহাবিদ্যালয় সপ্তাহ বছৰে বছৰে পাতিবলগীয়া উৎসৱ হিচাপে পাতিলেই আৰু সপ্তাহটো পাৰ হৈ গলেই যেন দায়-দায়িত্ব শেষ, এনে এটা ভাবেৰে মহাবিদ্যালয়ৰ সপ্তাহ পতাৰ কোনো সাৰ্থকতা নেদেখোঁ। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগীসুলভ মনৰ অভাৱ আৰু অনীহাভাৱে উৎসৱৰ সৌন্দৰ্য্য লাঘৱ কৰে। উৎসৱৰ সৌন্দৰ্য্য বৃদ্ধি কৰে সৰহ সংখ্যক প্ৰতিযোগীৰ যোগদানেহে। মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ ইংৰাজী আৰু অসমীয়া তৰ্ক প্ৰতিযোগিতাত অতি কম সংখ্যক প্ৰতিযোগিতাৰ যোগদানেই এই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ উদাসীন মনোভাবৰেই পৰিচয় দাঙি ধৰে। ছাত্ৰ-ছাত্ৰীৰ বছৰি বৰ্দ্ধিত সংখ্যা অনুপাতে প্ৰতিযোগিতাৰ অভাৱ কিয় ? এই দিশ সমুহ বিচাৰ্যৰ বিষয় আৰু দেখা যায় প্ৰকৃত অনুশীলনৰ অভাৱ। ছাত্ৰ-ছাত্ৰী সকলে চিন্তা চৰ্চা কৰা উচিত যে অকল পুথিগত জ্ঞানেই ছাত্ৰ-ছাত্ৰী সকলৰ জীৱনৰ পূৰ্ণতা আনি দিব নোৱাৰে। আশা কৰোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে একোটা প্ৰতিযোগীসুলভ মন গঢ়ি তুলিব। ছাত্ৰ-ছাত্ৰীসকলে নিশ্চয় জানে যে, কোনো এটা বিষয় টান নহয়। চিন্তা চৰ্চা আৰু অনুশীলনে সহায়ত অতি টান কামত আগবাঢ়ি যোৱাত সহায় কৰে।

প্ৰতিবেদন লেখিব লৈ গৈ বহুত অলাগতীয়াল লেখিবলগীয়া হল। তাৰ বাবে মই ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ। মোৰ এই কাৰ্য্যভাৰ চলাই নিয়াত শিক্ষা গুৰু সকল ক্ৰমে মঃ নুৰজামান, মঃ লুতফুৰ ৰহমান, মঃ হবিবুৰ ৰহমান, আব্দুল ৰহিম প্ৰমুখ্যে ছাৰ সকলে বিচাৰক হিচাপে আৰু বিভিন্ন দিহা-পৰামৰ্শেৰে সহায় কৰাৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ। এই বিষয়ত তত্বাৱধায়ক হিচাপে আদিৰ পৰা অন্তলৈ প্ৰতিটো কাম নিয়াৰিকৈ চলোৱা আৰু দিহা-পৰামৰ্শ দি মোক অনুপ্ৰাণিত কৰে প্ৰবক্তা মঃ নুৰজামান মহোদয়ে। তেখেতৰ প্ৰতি মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। মোৰ এই বিভাগীয় লিখনি আৰু অনন্য দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা অকৃত্ৰিম বন্ধু মঃ আবুবক্কৰ ছিদ্দিক, মঃ তফিকুল ইছলাম, শ্ৰী প্ৰদীপ চক্ৰবৰ্ত্তী, মঃ ছফিকুল ইছলাম, শ্ৰীমতী ৰুণা সাহা, মিচ জাহানাৰা খাতুন, মঃ আনোৱাৰ হুছেইনে যি সহায় আগবঢ়ালে তাৰ বাবে তেওঁলোক মোৰ স্মৃতিত যুগমীয়া হৈ ৰ'ব।

সদৌশেষত সকলোবোৰ অজানিতে হোৱা ভুল ক্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

"জয় আই অসম"

**মঃ ৰফিকুল ইছলাম**

সম্পাদক তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।

খাৰুপেটীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা



# ছাত্র জিৰনি কোঠা আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ সহযোগত মই খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০০০-২০০১ চনৰ ছাত্র-জিৰনিকোঠা সম্পাদক হিচাপে মনোনীত হৈ মহাবিদ্যালয়ৰ সেৱা কৰাৰ মহান সুযোগ পাইছোঁ তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। লগতে মোক যোৱা ২৭/৭/২০০১ তাৰিখে সাংস্কৃতিক সম্পাদকৰ অতিৰক্ত দায়িত্ব অৰ্পণ কৰাৰ বাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়-বৰীয়ালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**ছাত্র জিৰনি কোঠা বিভাগ ঃ-** মই ছাত্র জিৰনি কোঠা সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই সন্মুখীন হওঁ মহাবিদ্যালয় সপ্তাহৰ। মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্যসূচী সমূহ অতি নিয়াৰিকৈ পৰিচালনা কৰাৰ লগতে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ফাতেহা-ই- দোৱাজ দাহম, সৰস্বতী পূজা, নবাগত আদৰণী সভা আদিৰ কাৰ্য্যসূচী সমূহ পৰিচালনা কৰাত মই পূৰ্ণ সহযোগ আগবঢ়াওঁ। অতিপৰিতাপৰ বিষয় এইযে, আজি সুদীৰ্ঘ ২০ বছৰ পিছতো খাৰুপেটীয়া মহাবিদ্যালয়ত পূৰ্নাঙ্গ ছাত্র জিৰনি কোঠা এটি নাই। এটি পূৰ্নাঙ্গ ছাত্র জিৰনি কোঠা নিৰ্ম্মাণৰ বাবে মোৰ কাৰ্য্যকালত মই কৰ্তৃপক্ষৰ ওচৰত হেঁচা প্ৰয়োগ কৰি আহিছোঁ। যোৱা ১৮/৮/২০০১ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ নবাগত আদৰণীসভা উপলক্ষে অনুষ্ঠিত মুকলি সভাৰ বিশিষ্ট অতিথি মাননীয় সাংসদ শ্ৰীযুত মাধৱ ৰাজবংশী দেৱৰ ওচৰত এক স্মাৰক পত্ৰ যোগে এটি পূনাঙ্গ ছাত্ৰ জিৰনি কোঠা নিৰ্মানৰ দাবী উত্থাপন কৰা হয়। উক্তদাবী সন্দৰ্ভত সন্মতি প্ৰকাশ কৰি সাংসদ গৰাকীয়ে আৰ্থিক সাহাৰ্য্য গবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। যদি আমি এটি পূৰ্নাঙ্গ ছাত্ৰ জিৰনি কোঠা নিৰ্মাণ কৰিব পাৰো তেন্তে আমাৰ মহাবিদ্যালয়ৰ এক দীৰ্ঘ দিনীয়া অভাৱ পূৰণ হ'ব।

সাংস্কৃতিক বিভাগ ঃ- যোৱা ২০০০-২০০১ চনৰ ছাত্র একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক হিচাপে দোস্ত মহম্মদ ছাফি মনোনীত হয়। কিন্তু তেওঁৰ ব্যক্তিগত কাৰণত উক্ত পদৰ পৰা অব্যাহতি লোৱাত মোক যোৱা ২৭/৭/২০০১ তাৰিখে সাংস্কৃতিক সম্পাদকৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হয়। যোৱা মহাবিদ্যালয় সপ্তাহত প্ৰাক্তন সাংস্কৃতিক সম্পাদক জনে সাংস্কৃতিক বিভাগৰ দ্বাৰা আধুনিক গীত, লোকগীত, কেৰায়েৎ, গজল, জিকিৰ আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। মহাবিদ্যালয় সপ্তাহৰ অঙ্গ স্বৰূপ সাংস্কৃতিক সন্ধিয়াৰ সৌষ্ঠৱ বঢ়াইছিল খাৰুপেটীয়া মিতালী সংঘৰ আমন্ত্ৰিত শিল্পী সকলে। তাৰোপৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্র-ছাত্ৰী সকলেও উক্ত মঞ্চত গীত-নৃত্য আদি পৰিবেশন কৰি সফলতাৰে এই অনুষ্ঠানটি সম্পন্ন কৰে।

মই সাংস্কৃতিক সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মুখা-মুখি হওঁ মহাবিদ্যালয়ৰ নবাগত আদৰণী সভাৰ। নবাগত আদৰণী সভাৰ মুকলি মঞ্চত সাংস্কৃতিক বিভাগৰ দ্বাৰা আৰম্ভণী গীত পৰিবেশন কৰাৰ লগতে অন্যান্য গীত-নৃত্যও পৰিবেশন কৰা হয়। খাৰুপেটীয়া মহাবিদ্যালয়ত পৰ্য্যাপ্ত পৰিমানৰ বাদ্য-যন্ত্ৰ নথকাত আমি প্ৰতিযোগিতা অনুষ্ঠত কৰিব লাগিলে বেলেগৰ পৰা খুজি-মাগি নাইবা ভাড়া কৰি আনিব লগাহয়। আমি এই ক্ষেত্ৰত কৰ্তৃ পক্ষৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যাতে বাদ্য-যন্ত্ৰ ক্ৰয় কৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো উন্নত কৰাত গুৰুত্ব দিয়ে।

প্ৰতিবেদনৰ সামৰনিত মোৰ দুয়োটা বিভাগৰ কাৰ্য্যকালৰ সময়ছোৱাত সহায়-সহযোগ তথা দিহা পৰামৰ্শ আগবঢ়োৱা মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মঃ জালালউদ্দিন আহমেদ ছাৰ, সাংস্কৃতিক বিভাগৰ তত্বাবধায়ক তথা গ্ৰন্থাগাৰিক মাননীয় শ্ৰীযুত জীৱেন্দ্ৰ মোহন দেৱশৰ্ম্মা ছাৰক মোৰ শ্ৰদ্ধা পূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে বন্ধু-বৰ্গ আমজাদ আলী(আলোচনী সম্পাদক), আবুবক্কৰ ছিদ্দিক (প্ৰাঃপঃ সম্পাদক), ফাৰহানা জিন্নাত হাচিনাহক (ৰুনা) (ছাত্ৰী জি. কোঃ সম্পাদিকা), জিয়াৰুল হক, মোস্তফা আলী, দোস্ত মহম্মদ ছাফি, আব্দুৰ ৰেজ্জাক, মইনুল হক, হাছেন আলী মুকুট আলী, নৰুল আমিন, ৰঞ্জিতা বেগম আদিক মোৰ কাৰ্য্যকালত বিশেষ ভাৱে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে এই সুযোগতে ধন্যবাদ জনালোঁ। লগতে মোক প্ৰতিটো কামতে সহায়-সহযোগ কৰা ছাত্ৰ একতা সভাৰ সমুহ বিষয় ববিয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক, সকলো দিশৰে উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

"জয় আই অসম"

**আজিম আহমেদ আনছাৰী**
সম্পাদক ছাত্র জিৰনি কোঠা আৰু সাংস্কৃতিক বিভাগ।
খাৰুপেটীয়া মহাবিদ্যালয় ছাত্র একতা সভা



# ভুল শুধৰণি

| শিৰোনামা | পৃষ্ঠা/শাৰী | ছপা হৈছে | ছপা হব লাগে | অপ্ৰয়োজনীয় শব্দ |
|---|---|---|---|---|
| উছৰ্গা | ৫<br><br>৮ | অশীষ<br>নিমালি<br>সহস্ৰাব্ধত | আশীষ<br>নিৰ্মালি<br>সহস্ৰাব্দত | |
| শুভেচ্ছা বাণী (টাইমুৰৰ) | ২<br>২<br>৪<br>৬ | ছাত্ৰী<br>লিখনী<br>লিখনী<br>সৰ্ব্বাংগীণ | ছাত্ৰ<br>লিখনি<br>লিখনি<br>সৰ্বাংগীণ | |
| অধ্যক্ষৰ ফটো | ১ | কৰ্মৰত ব্যস্থতাৰ মাজেৰে | কৰ্মৰত অৱস্থাত | |
| অধ্যক্ষৰ কলম | ৯<br>১১ | ঘাটি মুঞ্জুৰী<br>যুগোৰা | ঘাঁটি মঞ্জুৰী<br>যোগোৰা | |
| তত্বাৱধায়কৰ একলম | ৭<br>১৪<br>১৫<br>১৮<br>২৫<br>২৭<br>৩২<br>৪০ | উপৰি<br>অনাটণকৰ<br>ঘাঁটি মুঞ্জৰী<br>পৰিমানন<br>লেখনীবোৰ<br>লেখনীৰ<br>জালালুউদ্দিন<br>সৌন্ধৰ্য্য | উপৰিও<br>অনাটনৰ<br>ঘাঁটি মঞ্জুৰী<br>পৰিমাণ<br>লিখনিবোৰ<br>লিখনিৰ<br>জালালউদ্দিন<br>সৌন্দৰ্য | |
| মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি | | ৰেঙণী<br>সাতুৰ | ৰেঙণি<br>সাঁতোৰ | |
| উপসভাপতিৰ প্ৰতিবেদন | | নিয়তী<br>ব্যৱস্তা<br>টোৰণ<br>মহহোদয়<br>উৎযাপন<br>উত্তৰোক্তৰ | নিয়তি<br>ব্যৱস্থা<br>তোৰণ<br>মহোদয়<br>উদ্‌যাপন<br>উত্তৰোত্তৰ | |
| সম্পাদকীয় | | কৰিছো<br>পুজা | কৰিছে<br>পূজা | |
| সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | | | | |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | | জিৰনি<br>সৰ্ব্বসন্মতি<br>বিষয়ববিয়া<br>নিব্বাচনত<br>জিৰনী | জিৰণি<br>সৰ্বসন্মতি<br>বিষয়ববীয়া<br>নিৰ্বাচনত<br>জিৰণি | |

## খাৰুপেটীয়া মহাবিদ্যালয়ৰ শিক্ষক কর্মচাৰী সকলৰ পৰিচয়

ভাৰপ্রাপ্ত অধ্যক্ষ ঃ মঃ জালাল উদ্দিন আহমেদ, এম. এ. (বুৰঞ্জী)

| | | |
|---|---|---|
| | ইংৰাজী | |
| মহঃ আব্দুৰ ৰহিম | এম. এ. বি. এড | প্ৰবক্তা |
| মহঃ আব্দুল আউৱাল | এম. এ. বি. এড | প্ৰবক্তা |
| শ্ৰীমতী মালা চক্ৰবৰ্ত্তী | এম. এ. বি. এড | প্ৰবক্তা |
| | অসমীয়া | |
| মিচেছ কনকলতা শইকীয়া | এম. এ. এম. ফিল. | প্ৰবক্তা |
| মহঃ নাজিৰ হুছেইন সৰকাৰ | এম. এ. | প্ৰবক্তা |
| মিচেছ আছমান আৰা বেগম | এম. এ. | প্ৰবক্তা |
| মহঃ আলম আনছাৰী | এম. এ. | প্ৰবক্তা |
| মিছ মিছ্বিৰা পাৰবীন | এম. এ. | প্ৰবক্তা |
| | ৰাজনীতি বিজ্ঞান | |
| মহঃ নুৰুল ইচলাম | এম. এ. বি. এড. | প্ৰবক্তা |
| মহঃ হবিবুৰ ৰহমান | এম. এ. | প্ৰবক্তা |
| শ্ৰীৰূপজ্যোতি প্ৰসাদ দত্ত | এম. এ. এল.এল.বি. | প্ৰবক্তা |
| | শিক্ষা | |
| মহঃ অবুল বাসাৰ আহমেদ | এম. এ. | প্ৰবক্তা |
| মিছ জাহিদা চুলতানা | এম. এ.বি.এড. | প্ৰবক্তা |
| মহঃ আমজাদ হুছেইন মজুমদাৰ | এম. এ. বি. এড. | প্ৰবক্তা |
| মহঃ লুতফুৰ ৰহমান | এম. এ. | প্ৰবক্তা |
| | অৰ্থনীতি | |
| শ্ৰীদীপক কলিতা | এম. এ. | প্ৰবক্তা |
| মিচেছ মৌচুমী সাহা কলিতা | এম. এ. এল. এল. বি. | প্ৰবক্তা |
| | বুৰঞ্জী | |
| মহঃ আব্দুল কৰিম | এম. এ. বি. এড. | প্ৰবক্তা |
| মহঃ জালাল উদ্দিন আহমেদ | এম. এ. | প্ৰবক্তা |
| মহঃ আব্দুল হান্নান | এম. এ. | প্ৰবক্তা |
| | আৰবী | |
| মহঃ নুৰজামান | এম. এ. বি. এড | প্ৰবক্তা |
| মহঃ জাকিৰ হুছেইন আহমেদ | এম. এ. | প্ৰবক্তা |
| মহঃ ইমৰান আলি | এম. এ. | প্ৰবক্তা |
| মহঃ জাবেৰ আহমেদ | এম. এ. এম.এম. | প্ৰবক্তা |
| | গণিত | |
| মহঃ আব্দুৰ ৰহমান | এম. এছ. ছি. | প্ৰবক্তা |
| মহঃ আফজল হুছেইন | এম. এছ. ছি. | প্ৰবক্তা |
| | সংস্কৃতি | |
| শ্ৰীপৰিমল কুমাৰ দত্ত | এম. এ.(ডবল) এম. এড | প্ৰবক্তা |
| শ্ৰীমতী অপৰাজীতা দেবী | এম. এ. বি. এড | প্ৰবক্তা |
| | দৰ্শন | |
| শ্ৰীজ্যোতিষ চহৰীয়া | এম. এ. | প্ৰবক্তা |
| শ্ৰীমতী প্ৰণতি দত্ত | এম. এ. | প্ৰবক্তা |
| | হিন্দী | |
| মহঃ শিকদাৰ আনোৱাৰুল ইচলাম | এম. এ. | প্ৰবক্তা |
| মহঃ মোস্তাফা নুৰুজ্জামান | এম. এ.(পবিন) | প্ৰবক্তা |
| মহঃ আব্দুল মতিন | এম. এ. | প্ৰবক্তা |
| | ভূগোল | |
| শ্ৰী ভূপেন্দ্ৰ নাথ বৰা | এম. এ. | প্ৰবক্তা |
| শ্ৰীকালিদাস শৰ্মা | এম. এ. | প্ৰবক্তা |
| শ্ৰী হিতেশ কুমাৰ কটকী | এম. এ. | প্ৰবক্তা |
| | বাণিজ্য | |
| মঃ আব্দুল আজিজ | এম. কম. | প্ৰবক্তা |
| শ্ৰী সুবল চন্দ্ৰ সাহা | এম. কম. | প্ৰবক্তা |
| আবু বক্কৰ ছিদ্দিক | এম. কম. | প্ৰবক্তা |
| নাছিৰুল হক | এম. কম. | প্ৰবক্তা |
| মোস্তাফা কালাম | এম. কম. | প্ৰবক্তা |
| মিচ্ সবিতা দেৱী | এম. কম. | প্ৰবক্তা |
| | গ্ৰন্থাগাৰ | |
| শ্ৰীজীৱেন্দ্ৰ মোহন দেৱশৰ্মা | এম. এ. বি. লিব. এছ.ছি. | গ্ৰন্থাগাৰ |

### অধ্যক্ষৰ কাৰ্য্যালয় সহায়ক ও চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী বৃন্দ

| | | |
|---|---|---|
| খন্দকাৰ দিলোৱাৰ হুছেইন | বি.এ. | জ্যেষ্ঠ উচ্চবৰ্গৰ সহায়ক |
| মহঃ আবুবক্কৰ ছিদ্দিক | বি.এ. | উচ্চবৰ্গৰ সহায়ক |
| মহঃ ইছলাম উদ্দিন আহমেদ | বি.এ. | নিম্ন বৰ্গৰ সহায়ক |
| মহঃ শ্বহীদ আলি | বি.এ. | নিম্ন বৰ্গৰ সহায়ক |
| মহঃ ওৱাহেদুধ জামান | বি.এ. | নিম্ন বৰ্গৰ সহায়ক |
| মহঃ শ্বাহ আলম | উ. মা. | গ্ৰন্থগাৰ সহায়ক |
| মহঃ ছোৰহাব | উ.মা. | নিম্ন বৰ্গৰ সহায়ক |
| মহঃ হবিবুৰ ৰহমান | উ.মা. | নিম্ন বৰ্গৰ সহায়ক |
| মহঃ ছফিকুল ইছলাম | বি. এ. | নিম্নবৰ্গৰ সহায়ক |
| মহঃ মিজানুৰ ৰহমান | উ.মা. | নিম্ন বৰ্গৰ সহায়ক |
| মহঃ শ্বহিদ উল্লাহ | বি. এ. | নিম্ন বৰ্গৰ সহায়ক |
| মিচেছ মালেকা খাতুন | প্ৰৱেশিকা | নিম্ন বৰ্গৰ সহায়ক |
| মহঃ ছামিজুৰ ৰহমান | | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |
| মহঃ লাল মিঞা | | চতুৰ্থ বৰ্গৰ সহায়ক |
| মহঃ আবু তালেব | প্ৰৱেশিকা | গ্ৰন্থাগাৰ বাহক |
| মহঃ আব্দুছ ছামাদ খন্দকাৰ | | শিক্ষা গৱেষণাগাৰ বাহক |
| মহঃ কিনাল আলী | | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |
| মহঃ আব্দুল খালেক | | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |
| অবিৰ আলি | | চতুৰ্থ বৰ্গৰ কৰ্মচাৰী |




भारतीय जीवन बीमा निगम

Life Insurance Corporation of India

*To my esteemed customers*



Master your life with Safety & Satisfaction
Lead your family with much Protection
LICI is always with you
AND
I am free to serve you best
As
Have no other thoughts than to manifest

JAMSHER ALI
Agent (Chairman's Club Member)
Agency Code 212/573
LIC OF INDIA
Mangaldoi Branch
Dist :- Darrang (Assam)